● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ www.dainikagradoot.in

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


## দিগ্‌দৰ্শন

এই পৃথিৱীত কোনো এটা বস্তুৱেই সম্পূৰ্ণৰূপে ভুল নহয়। আনকি বন্ধ হৈ থকা ঘড়ীটোৱেও দিনত দুবাৰকৈ সঠিক সময় দিয়ে।

পাওল' কোৱেলহ'
*ব্ৰাজিলৰ উপন্যাসিক*




RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৫১ তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ১৪ আহিন ১৪২৯ ভাস্কৰাব্দ ১ অক্টোবৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 1 October 2022 মূল্য ঃ ৯.০০ টকা







■ আজি মহাষষ্ঠী ঃ সম্পূৰ্ণ হৈ উঠিছে সকলো প্ৰস্তুতি ■ মহানগৰীতে একোখন পূজাৰ বাবদ সংগ্ৰহ ৫০ লাখ পৰ্যন্ত

# আজি বেলবৰণৰে আৰম্ভ দুৰ্গা পূজা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ মহাষষ্ঠীত বেলবৰণেৰে কাইলৈৰ পৰা আৰম্ভ হ'ব দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ পূজা। তাৰ বাবে সকলো পূজাথলীত চলিছে শেষ প্ৰস্তুতি। আজি নিশাৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব পূজাৰ মণ্ডপসমূহ। যুদ্ধংদেহী ৰূপত আলোকসজ্জাকে ধৰি অন্যান্য দায়িত্বত থকাসকলেও কাম আগবঢ়াইছে। বাহ্যিক সকলো *১০ পৃষ্ঠাত চাওক*

## পুৱতি নিশা ৫.২ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি গ'ল ৰাজ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** বহু দিনৰ মূৰত পুনৰ এটা মধ্যমীয়া ভূমিকম্পই জোকাৰি গ'ল অসমক। আজি পুৱতি নিশা প্ৰায় ৩.৫২ বজাত অনুভূত হোৱা ভূমিকম্পটোৰ ৰিখটাৰ স্কেলত প্ৰাবল্য আছিল ৫.২। ৰাষ্ট্ৰীয় ভূ-গৱেষণা কেন্দ্ৰৰ মতে, অসমকে ধৰি মণিপুৰ, নগালেণ্ডকো জোকাৰি *১০ পৃষ্ঠাত চাওক*

বৰষুণৰ বিধিপথালিৰ আশংকাৰ কথা শুনালে বতৰ বিজ্ঞান বিভাগে



## পূজাৰ আনন্দৰ মাজতে ক্ৰিকেটক লৈ উন্মাদনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** দীৰ্ঘদিনৰ পাছত পুনৰ গুৱাহাটী মহানগৰীত দেখা গ'ল আন্তৰ্জাতিক ক্ৰিকেটৰ উন্মাদনা। অহা দেওবাৰে মহা সপ্তমীৰ দিনাই মহানগৰীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব *১০ পৃষ্ঠাত চাওক*







দৈনিক অগ্ৰদূত
গুৱাহাটী, ১ অক্টোবৰ, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

# কংগ্ৰেছৰ সভাপতি পদৰ বাবে তিনিজনৰ মনোনয়ন দাখিল

■ অন্তিম ক্ষণত প্ৰতিদ্বন্দ্বিতাত গান্ধী পৰিয়ালৰ ঘনিষ্ঠ মল্লিকাৰ্জুন খাৰ্গে ■ মনোনয়ন দাখিলৰ পূৰ্বেই প্ৰতিদ্বন্দ্বিতাৰ পৰা আঁতৰিল দিগ্বিজয় সিং ■ মনোনয়ন দাখিলতে জয়ৰ ইংগিত পালে খাৰ্গেই ■ বিদ্ৰোহী 'জি-২৩'ৰ অধিকাংশ নেতায়ো সমৰ্থন জনালে খাৰ্গেক



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ ঃ** আকস্মিক পৰিস্থিতিত অন্তিম মুহূৰ্তত নিখিল ভাৰত কংগ্ৰেছৰ সভাপতি পদৰ দৌৰত অৱতীৰ্ণ হ'ল গান্ধী পৰিয়ালৰ ঘনিষ্ঠৰূপে পৰিচিত প্ৰবীণ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী মল্লিকাৰ্জুন খাৰ্গে। ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলট আৰু মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দিগ্বিজয় সিঙে সভাপতি পদৰ দৌৰৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰাৰ পাছতে খাৰ্গেই আজি মনোনয়ন দাখিল *ছয় পৃষ্ঠাত চাওক*

# নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম বন্ধ কৰাৰ দাবীত আছুৰ প্ৰতিবাদ

■ ৰাজ্যজুৰি জ্বলিল এনএইছপিচিৰ প্ৰতিকৃতি ■ ৰাইজৰ জীৱন-সম্পত্তি নিঃশেষ কৰা নদীবান্ধ আমাক নালাগে ঃ শংকৰজ্যোতি ■ বৃহৎ নদীবান্ধৰ কাম বন্ধ হ'বই লাগিব ঃ দীপাংক নাথ



**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/যোৰহাট/নগাঁও/নলবাৰী/লখিমপুৰ/ধেমাজি, ৩০ ছেপ্টেম্বৰ ঃ** নিৰাপত্তাহীন পৰিস্থিতিৰ সৃষ্টি কৰা নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম বন্ধ কৰাৰ দাবীত আজি সমগ্ৰ ৰাজ্যজুৰি এনএইছপিচিৰ প্ৰতিকৃতি দাহেৰে প্ৰতিবাদ সাব্যস্ত কৰিলে সদৌ অসম ছাত্ৰ সন্থা (আছু)ই। অসমবিৰোধী কেন্দ্ৰীয় চৰকাৰ হায় হায়, এনএইছপিচি হায় হায়, নামনিত বাস কৰা ৰাইজৰ জীৱন-সম্পত্তিৰ নিৰাপত্তা নিশ্চিত কৰক, বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন কাৰ্যকৰী কৰক আদি শ্ল'গানেৰে আছুৰ নেতা-কৰ্মীসকলে প্ৰতিখন জিলাৰে সদৰত প্ৰতিবাদ *ছয় পৃষ্ঠাত চাওক*



# বৰলুইতৰ বুকুত আজিও সন্ধান নোলাল চক্ৰ বিষয়া সঞ্জু দাসৰ

## পৰিস্থিতিৰ বুজ ল'লে অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ বদৰুদ্দিন আজমল, প্ৰদেশ কংগ্ৰেছৰ প্ৰতিনিধি দলে

**ধুবুৰী, ৩০ ছেপ্টেম্বৰ ঃ** ধুবুৰীত কালি লুইতৰ বুকুত সংঘটিত শোকাৱহ নাও দুৰ্ঘটনাত নিৰুদ্দেশ হৈ থকা ধুবুৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সঞ্জু দাসৰ কোনো সন্ধান উলিয়াব পৰা নাই অভিযানকাৰী দলে। কালি দুপৰীয়া সংঘটিত এই দুৰ্ঘটনাৰ পাছত আজি পুৱা পাঁচ বজাৰে পৰা ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও, গোৱালপাৰা আৰু মানকাচৰৰ পৰা অহা এছডিআৰএফৰ ১২খনকৈ নাও আৰু এনডিআৰএফৰ তিনিখনকৈ নাৱেৰে উদ্ধাৰ অভিযান চলোৱা হয় যদিও সন্ধিয়ালৈকে চক্ৰ বিষয়াজনৰ সন্ধান উলিওৱাত ব্যৰ্থ হয় উদ্ধাৰকাৰী দলে। লুইতৰ প্ৰৱল সোঁতৰ প্ৰতি লক্ষ্য ৰাখি সঞ্জু দাসৰ সন্ধানত উদ্ধাৰকাৰী দলে বাংলাদেশ সীমান্ত অঞ্চললৈও যোৱা পৰিলক্ষিত হয়। কাইলৈ পুৱাৰে পৰা এনডিআৰএফ আৰু এছডিআৰএফে পুনৰ যৌথভাৱে উদ্ধাৰ অভিযান আৰম্ভ কৰিব। উল্লেখ্য যে ধুবুৰীত সংঘটিত এই শোকাৱহ নাও দুৰ্ঘটনাটোৰ খবৰ ল'বলৈ আজি ধুবুৰীত উপস্থিত ছয় পৃষ্ঠাত চাওক

# তামিলনাডুৰ সামুদ্ৰিক খণ্ডৰ উন্নীতকৰণৰ ২৩১ কোটিৰ প্ৰকল্পৰ আৰম্ভ সোণোৱালৰ

**ভাৰতৰ প্ৰথমটো থলুৱাভাৱে বিকশিত জাহাজ যাতায়াত ব্যৱস্থা-স্মাৰ্ট প'ৰ্ট প্ৰজেক্টছ মুকলি**



**টুটিকোৰিন, ৩০ ছেপ্টেম্বৰ ঃ** আজি তামিলনাডুৰ টুটিকোৰিনত সামুদ্ৰিক খণ্ডৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুঠ ২৩১.২১ কোটি টকাৰ প্ৰকল্পৰ উদ্বোধন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে ১৩০০ একৰ মাটিত বিস্তৃত বন্দৰভিত্তিক উদ্যোগৰ উন্নয়নৰ বাবে ১০০ কোটি টকা ব্যয় সাপেক্ষে টুটিকোৰিন স্পীড্‌জ (উপকূলীয় নিয়োগ ইউনিট)ৰ আধাৰশিলা স্থাপন কৰে। লগতে ৬৫.৫৩ কোটি টকা ব্যয় সাপেক্ষে বন্দৰৰ ভিতৰৰ উন্নয়নমূলক কাম (বন্দৰৰ প্ৰৱেশদ্বাৰ বহল কৰা আৰু বহল কৰা অংশটো ড্ৰেজিং কৰা)ৰ বাবেও আধাৰশিলা স্থাপন কৰে। মুঠ ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হোৱা কোল য়াৰ্ড ৰোড, *ছয় পৃষ্ঠাত চাওক*

# ছমাহলৈ বৃদ্ধি ডিএনএলএৰ যুদ্ধবিৰতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** ডিমাছা উগ্ৰপন্থী সংগঠন ডিমাছা নেচনেল লিবাৰেছন আৰ্মী চমুকৈ ডিএনএলএ-ই চৰকাৰৰ স'তে পুনৰ ছমাহলৈ বৃদ্ধি কৰিছে নিঃচৰ্ত যুদ্ধবিৰতিৰ সময়সীমা। উগ্ৰপন্থী সংগঠনটোৰ অধ্যক্ষজনে আজি মুখ্যমন্ত্ৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰি যুদ্ধবিৰতিৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি কৰাৰ ইচ্ছা প্ৰকাশ কৰে। সংগঠনটোৰ প্ৰস্তাৱ অনুসৰি অহা ২০২৩ৰ ৩১ মাৰ্চলৈ বৃদ্ধি পাব যুদ্ধবিৰতিৰ ম্যাদ। পত্ৰখনত সংগঠনটোৱে উল্লেখ কৰে যে ৰাজ্যখনত শান্তি প্ৰতিষ্ঠা, আলোচনাৰে সমস্যা সমাধান আৰু উন্নয়নৰ স্বাৰ্থত তেওঁলোকে যুদ্ধবিৰতিৰ ম্যাদ বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লৈছে। উল্লেখ্য যে ২০২১ৰ ছেপ্টেম্বৰত এই সংগঠনটোৱে চৰকাৰৰ স'তে যুদ্ধবিৰতি ঘোষণা *ছয় পৃষ্ঠাত চাওক*

# ঘাটোৱাৰ তনয়ৰ বিজেপি গমন সন্দৰ্ভত প্ৰতিক্ৰিয়া ডিব্ৰুগড়ত

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৩০ ছেপ্টেম্বৰ ঃ** এইবাৰ কংগ্ৰেছৰ যুৱ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী প্ৰভাৱশালী কংগ্ৰেছৰ নেতা পৱন সিং ঘাটোৱাৰৰ পুত্ৰ প্ৰাঞ্জল ঘাটোৱাৰ বিজেপিত যোগদান সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ৰামায়ণ-মহাভাৰতৰ দোহাই দি প্ৰাঞ্জল ঘাটোৱাৰৰ বিজেপি গমন প্ৰসংগত দলত কোনো প্ৰভাৱ নপৰে বুলি প্ৰতিক্ৰিয়া *ছয় পৃষ্ঠাত চাওক*

# শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ শুভেচ্ছা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে অসমবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এক শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতীয় সনাতন সভ্যতা সংস্কৃতিত আধ্যাত্মিক জীৱন ধাৰাই এক শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছে। এই আধ্যাত্মিক জীৱনবোধে মানুহক নৈতিকতা আৰু প্ৰমূল্যবোধৰ আধাৰত আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। বিভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চনাই আমাৰ জীৱনশৈলীক সমৃদ্ধ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেৱ-দেৱীৰ পূজ-অৰ্চনাই আমাক মানৱতাবোধৰ দিশেৰে জীৱন পৰিচালিত কৰাৰ বাবে উদ্বুদ্ধ কৰে। প্ৰাচীন কালৰে পৰা অসমত দেৱী দুৰ্গাক অতি শ্ৰদ্ধা আৰু ভক্তি ভাৱেৰে পূজা কৰি অহা হৈছে। এই দেৱী পূজাই সকলোকে প্ৰেম, ভাতৃত্ববোধ তথা মানৱীয় অনুভূতিৰে সমৃদ্ধ ৰাষ্ট্ৰ গঢ়ি তোলাৰ বাবে প্ৰেৰণা যোগাই আহিছে। শৰতকালৰ এই দেৱী উপাসনা হ'ল অপশক্তি নাশেৰে সত্যক প্ৰতিষ্ঠা কৰা এক যুগজয়ী উৎসৱ। প্ৰকৃতিৰ এই উৎসৱমুখৰ তথা বিনন্দীয়া পৰিৱেশে সমাজত শান্তি-সম্প্ৰীতি গঢ়াৰ পথো সুদৃঢ় কৰে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে শাৰদীয় দুৰ্গোৎসৱে আমাৰ মাজত বৰ্তি থকা শান্তি, সম্প্ৰীতি, প্ৰেম তথা ভাতৃত্ববোধৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ দিশত সকলোকে ঐক্যবদ্ধভাৱে কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰিব।

## সোঁৱৰণ



**প্ৰয়াত ভৃগুৰাম তালুকদাৰ**
**জন্ম ঃ ৯ মে', ১৯২৩ ইং চন**
**মৃত্যু ঃ ১১ অক্টোবৰ, ২০২১ ইং চন**

*আজি ১ অক্টোবৰ, ২০২২ ইং তাৰিখ শনিবাৰে আপোনাৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ পুন্য তিথিত আপোনাক শ্ৰদ্ধাৰে সোঁৱৰিছো আৰু অশ্ৰুসিক্ত নয়নেৰে পৰমনিতা পৰমেশ্বৰৰ ওচৰত আপোনাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনাইছো।*

পৰিয়ালবৰ্গৰ হৈ
শ্ৰী ৰোহিত তালুকদাৰ (পুত্ৰ)
সৰ্থেবাৰী আতাথেৰ চুপা



দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ১৪ আহিন ১৪২৯ ভাস্কৰাব্দ ১ অক্টোবৰ ২০২২

## হৃদৰোগৰ ভয়াবহতা

হৃদৰোগক বয়োজ্যেষ্ঠৰ বাবে অতি ক্ষতিকাৰক বিবেচনা কৰা হয় যদিও বৰ্তমানে বিশ্বত যুৱ প্ৰজন্মও এই স্বাস্থ্য সমস্যাত আক্ৰান্ত হ'বলৈ ধৰিছে। বিশ্ব স্বাস্থ্য সংস্থা আৰু এমেৰিকান জাৰ্ণেলৰ এক অধ্যয়নৰ তথ্য অনুসৰি, বিশ্বজুৰি সম্প্ৰতি ৩০-৪০ বছৰ বয়সৰ ১৩ শতাংশ লোক হৃদৰোগত আক্ৰান্ত হৈছে। একেটা অধ্যয়নত উল্লেখ কৰা মতে, বিশ্বত ৰোগত আক্ৰান্ত হৈ হোৱা মৃত্যুৰ ভিতৰত সৰ্বাধিক সংখ্যক লোকৰ হৃদৰোগত মৃত্যু হৈ আহিছে। ভাৰতত হৃদ ৰোগীৰ সংখ্যা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। ভাৰতত হৃদৰোগত হোৱা মৃত্যুৰ সংখ্যা বিগত তিনি দশকত দুগুণ বৃদ্ধি পালে। ১৯৯০ৰ দশকত ভাৰতত ৰোগত হোৱা মুঠ মৃত্যুৰ প্ৰায় ১৪-১৫ শতাংশ মৃত্যুৰ কাৰণ আছিল হৃদৰোগ। বৰ্তমানে ভাৰতত ৰোগত হোৱা মুঠ মৃত্যুৰ ২৫ শতাংশই হৈছে হৃদৰোগ। স্বাস্থ্য বিশেষজ্ঞৰ মতে, হৃদৰোগৰ বাবে মূলতঃ মানুহৰ জীৱনশৈলী জগৰীয়া। একাংশ লোকৰ জন্মতে হৃদপিণ্ডৰ বিসংগতিয়ে দেখা দিব পাৰে যদিও ৩০ বছৰ বয়সৰ পাছত জীৱনশৈলীৰ কাৰণত হৃদৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। শৰীৰৰ ওজন বৃদ্ধি অথবা মেদবহুলতা, খাদ্যাভ্যাস, ব্যায়ামৰ অভাৱ, ধূমপান আদিৰ কাৰণত মূলতঃ এজন ব্যক্তি হৃদৰোগত আক্ৰান্ত হ'ব পাৰে। চিকিৎসকৰ মতে, বাওঁফালৰ বুকুৰ বিষ, বেছিকৈ ঘাম নিৰ্গত হোৱা, শ্বাস-প্ৰশ্বাসত অসুবিধা, বমি ভাব, মূৰ ঘূৰণি, ভৰি ফুলা, ডিঙি আৰু কান্ধৰ বিষ, হিকটি আহ আদিবোৰ হৈছে হৃদৰোগৰ একোটা লক্ষণ। এনেবোৰ লক্ষণে দেখা দিয়া মাত্ৰকে চিকিৎসকৰ পৰামৰ্শ লোৱা উচিত বুলি বিশেষজ্ঞই কয়।

এসময়ত 'হাৰ্ট এটেক'সহ অন্যান্য হৃদৰোগত আক্ৰান্ত লোকসকলৰ গৰিষ্ঠ সংখ্যকে আছিল ৬০ উৰ্ধ্বৰ বয়সৰ লোক; কিন্তু এতিয়া বয়োজ্যেষ্ঠ লোকৰ লগতে যুৱ-প্ৰজন্মৰ মাজতো হৃদৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। ভাৰতত সম্প্ৰতি ২০-৩০ বছৰ বয়সতে বহু লোকৰ 'হাৰ্ট এটেক'ত মৃত্যু হৈছে। দৰাচলতে স্বাস্থ্যৰ প্ৰতি প্ৰয়োজনীয় সতৰ্কতা আৰু যত্ন নোলোৱাৰ ফলতে যুৱ প্ৰজন্মও হৃদপিণ্ডৰ ৰোগত আক্ৰান্ত হ'বলৈ ধৰিছে। যুৱ প্ৰজন্মৰ মাজত এতিয়া মেদবহুলতা ভয়াবহ সমস্যাত পৰিণত হৈছে। মূলতঃ অস্বাস্থ্যকৰ খাদ্যাভ্যাস আৰু ব্যায়ামৰ অভাৱত যুৱ প্ৰজন্মৰ শৰীৰৰ ওজন বাঢ়িবলৈ ধৰিছে আৰু ইয়াৰ ফলত হৃদৰোগীৰ সংখ্যাও বাঢ়িছে। তদুপৰি হৃদৰোগৰ লক্ষণ দেখা দিলেও এনেবোৰ লক্ষণক সাধাৰণভাৱে লোৱাৰ পৰিণতিত বহুতে কম বয়সতে 'হাৰ্ট এটেক'ত প্ৰাণ হেৰুৱাব লগা হৈছে। চিকিৎসকৰ মতে, এজন ব্যক্তি স্বাস্থ্যৰ প্ৰতি সতৰ্ক হ'লে আৰু জীৱনশৈলী সুস্থ ৰাখিলে হৃদপিণ্ডৰ নানা সমস্যাৰ পৰা আঁতৰি থাকিব পাৰিব। শৰীৰৰ ওজন নিয়ন্ত্ৰণত ৰখা, কমেও সাত ঘণ্টা নিশা নিদ্ৰাগ্ৰহণ কৰা, মানসিক হেঁচা মুক্ত জীৱন যাপনৰ অভ্যাসৰ লগতে খাদ্যৰ প্ৰতি সতৰ্ক হ'লে হৃদৰোগ প্ৰতিৰোধত সহায়ক হয়। চিকিৎসকৰ মতে, ২০ বছৰ বয়সৰ পাছত শৰীৰৰ ওজন ১০ কিলোগ্ৰামতকৈ অধিক বাঢ়িলে হৃদৰোগৰ শংকাও বৃদ্ধি পায়। সেয়েহে নিয়মীয়াকৈ ব্যায়াম কৰাটো জৰুৰী। শৰীৰৰ ৰক্তচাপ আৰু কলেষ্ট'ৰেল নিয়ন্ত্ৰণত ৰখাটোও হৃদৰোগ প্ৰতিৰোধৰ অন্যতম এক উপায়। এনেবোৰ উপায় অৱলম্বন কৰিলে হৃদপিণ্ডক সুস্থ ৰাখিব পাৰি।

মানৱ শৰীৰৰ অন্যতম গুৰুত্বপূৰ্ণ অংগটোৱে হৈছে হৃদপিণ্ড। সেয়েহে ইয়াক সুস্থ ৰখাৰ বাবে সকলোৱে সজাগ-সচেতন হোৱা প্ৰয়োজন। দৈনিক কিছু সময় ব্যায়াম যেনে খোজকঢ়া, যোগাসন আদি কৰিলে শৰীৰে এইক্ষেত্ৰত উপকাৰ লাভ কৰিব। জিমত ব্যায়াম কৰিব পাৰিলেও ভাল। ব্যায়ামৰ এই অভ্যাসে ৰক্ত সঞ্চালন আৰু হৃদপিণ্ডক সক্ৰিয় কৰি ৰখাৰ লগতে শৰীৰক অতিৰিক্ত ওজনৰ পৰা মুক্ত ৰাখে। একেদৰে ধূমপান-সুৰাপানৰ পৰা বিৰত থাকি শাক-পাচলি, ফলমূল আদি অধিক পৰিমাণত খোৱাৰ অভ্যাস কৰিলে হৃদৰোগৰ সম্ভাৱনা হ্ৰাস পাব। আজি কালি হৃদপিণ্ডৰ প্ৰতিৰোপণ সম্ভৱ যদিও ই যথেষ্ট ব্যয়বহুল হোৱাৰ লগতে প্ৰতিৰোপণৰ বাবে প্ৰয়োজনীয় হৃদপিণ্ড সহজলভ্য নহয়। গতিকে মাৰাত্মক হৃদৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত সকলোৱে সতৰ্কতা অৱলম্বন কৰাৰ গত্যন্তৰ নাই।

## খোলা মঞ্চ

### এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...



**মন্ত্ৰী** মানেই আধুনিক ৰজা। বিলাস, বৈভৱ, নিজৰ ইচ্ছা মতে সকলো কৰিব পৰাজনেই মন্ত্ৰী। সঁচাক মিছা, মিছাক সঁচা কৰিব পৰা প্ৰাণীটো হ'ল মন্ত্ৰী। প্ৰথমে ব্যক্তি পূজা, তাৰ পাছত দল আৰু শেষতহে ৰাইজ। এতিয়া ৰামো নাই, অযোধ্যাও নাই। সাম্প্ৰতিক সময়ত আটাইতকৈ লাভজনক পেছাটো হ'ল ৰাজনীতি।

সকলো বস্তুৰে ম্যাদ থাকে। এওঁলোকৰ ম্যাদ আমৰণ। পঞ্চ ইন্দ্ৰিয় বিকল হৈ নোযোৱা পৰ্যন্ত। এবাৰ নিৰ্বাচিত হ'ব পাৰিলেই হ'ল। কাবুলীয়ালাৰ দৰে টকাৰ গাদীত বহি থাকিব পাৰে। যাঠি বছৰ চাকৰি কৰা চাকৰিয়ালে ঋণ এটা নোলোৱাকৈ ঘৰ সাজিব নোৱাৰে। এওঁলোকে এবাৰ নিৰ্বাচিত হৈয়েই দৰমহা, পেঞ্চনকে ধৰি সকলো সুবিধা পায়। ৰাইজৰ পইচাৰে নিৰাপত্তাৰক্ষী কিয়?

**জুৰি শইকীয়া**, লেখিকা

পূৰ্বৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই বাছত অহা যোৱা কৰিছিল। ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক চৰকাৰ এবাৰ অসমলৈ আহোতে ৰাজধানী এক্সপ্ৰেছত আহিছিল। এতিয়া উন্নয়ন আৰু বিকাশৰ নিৰৱচ্ছিন্ন জোৱাৰ। মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই দিছে। ছাত্ৰ-ছাত্ৰীক স্কুটী দিছে (তেলৰ পইচা?)। নানা বিনামূলীয়া আঁচনি। ঋণৰ পৰ্বত সম বোজা। মন্ত্ৰীগণ আকাশী পথত উৰি ফুৰিছে। কেবিনেট বৈঠকৰ নামত লক্ষ লক্ষ শৰাধ। পঞ্চাশ হেজাৰ হাতত থকা, ভূমিহীন যুৱক বিধায়ক হৈয়েই কোটিপতি। তেইশ লাখ টকীয়া ঘড়ী, পঞ্চাশ লাখ টকীয়া গাড়ী। দুৰ্নীতি, চিণ্ডিকেট, কমিছনৰ বেহা নাপাতিলে তেওঁলোক কোটিপতি হয় কেনেকৈ? দুই এজন বিধায়ক, প্ৰাক্তন মন্ত্ৰী থানেশ্বৰ বড়োৰ দৰে লোক ব্যতিক্ৰম। মন্ত্ৰী, বিধায়ক হোৱাৰ আগতে এওঁলোকৰ কি আছিল যে এতিয়া প্ৰাইভেট কোম্পানী, উদ্যোগ, চাহ বাগিচা, বিঘাই বিঘাই মাটি, অট্টালিকা, বাতৰি কাকত, নিউজ চেনেল আদিৰ মালিক হৈছে? এইবোৰ মানুহে স্বচ্ছতা, নিকা এনেবোৰ শব্দ ক'লে মুৰ্খইও হাঁহে। দেশৰ, ৰাজ্যত উদ্যোগবোৰ, সম্পত্তিবোৰ বিক্ৰী হৈছে, জহি-খহি গৈছে, পঁয়া লাগিছে। কিন্তু তেওঁলোকৰ সম্পত্তি বাঢ়ি গৈছে। ৰাইজক বিনামূলীয়া আঁচনি দি নিষ্কৰ্মা কৰি ভোট বেংক পাতি নিজে চৈধ্য পুৰুষলৈ আৰ্জি লৈছে। টকাবোৰ তেওঁলোক কি কৰিব- মৰিলে লগত লৈ যাব পাৰিবনে?

ব্যাকুল হেঁপাহ। মন্ত্ৰী হৈ কোটি পতি হ'ব। আগ্ৰাসী চৰিত্ৰ। মন্ত্ৰীগণক ধন্যবাদ।

# দেশে দেশে 'শক্তিৰূপেণ সংস্থিতা' নাৰী

## হাৰ্ভাৰ্ড-শিক্ষিত আছাউদ্দিন ওৱেছি হৈ পৰিছে হিজাবৰ ঘোৰ সমৰ্থক; অথচ তেওঁৰ পৰিয়ালৰ কোনো মহিলাই হিজাব পৰিধান নকৰে



**অৱলোকন**

**ড° জয়কান্ত শৰ্মা**

শিক্ষানুষ্ঠানত 'ইউনিফৰ্ম' পৰিধানৰ পৰম্পৰা উলংঘা কৰি মুছলমান ছাত্ৰীৰ 'হিজাব' পৰিধান কৰাৰ অধিকাৰ আছেনে? ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ে প্ৰশ্নটোৰ বিচাৰ কৰি থকাৰ সময়তে ইছলামীয় দেশ ইৰানত হিজাব-বিৰোধী আন্দোলনে চৰম অস্থিৰতাৰ সৃষ্টি কৰিলে। ইয়াৰ সূত্ৰপাত হ'ল এগৰাকী নিৰীহ মহিলাৰ মৃত্যুক কেন্দ্ৰ কৰি, সেইটো মন কৰিবলগীয়া। মহছান আমিনী নামৰ কুৰ্দিছ যুৱতীগৰাকী মাক-দেউতাকৰ স'তে তেহৰানলৈ আহি আছিল। কিন্তু আদবাটতে ইৰানৰ 'নৈতিকতাৰক্ষী বাহিনী'য়ে তেওঁক সঠিকভাৱে হিজাব নিপিন্ধাৰ অপৰাধত আটক কৰি নিয়ে। তিনিদিনৰ মূৰত (১৬ ছেপ্টেম্বৰ) তেওঁলোকে যুৱতীগৰাকীৰ মৃতদেহ ঘূৰাই দিলে।

তেহৰান আৰক্ষীয়ে দাবী কৰিছে, তেওঁলোকে আমিনীক ইছলামীয় ৰীতি-নীতিৰে সঠিকভাৱে কাপোৰ পিন্ধাৰ প্ৰশিক্ষণ দি থকাৰ সময়তে হঠাতে যুৱতীগৰাকী হৃদৰোগত আক্ৰান্ত হ'ল। তাৰ বিপৰীতে চিকিৎসালয় কৰ্তৃপক্ষই বিবৃতি দিলে যে অৰ্ধমৃত অৱস্থাতহে আমিনীক ভৰ্তি কৰোৱা হৈছিল। পিছে কাৰোৱেই বুজিবলৈ বাকী নাথাকিল যে আৰক্ষীৰ নিৰ্মম অত্যাচাৰৰ ফলতে যুৱতীগৰাকীয়ে প্ৰাণ হেৰুৱালে। বাতৰিটো বিয়পি পৰাৰ লগে লগে এটা অগ্নিস্ফুলিংগই খাণ্ডৱ দাহৰ সৃষ্টি কৰাৰ দৰেই স্বতঃস্ফূৰ্তভাৱে বাধ্যতামূলক হিজাব পৰিধানৰ বিৰুদ্ধে গণ আন্দোলন গঢ়ি উঠিল। প্ৰকাৰান্তৰে ২২ বছৰীয়া যুৱতী মহছান আমিনী হৈ পৰিল নাৰী স্বাধীনতাৰ অন্যতম প্ৰতীক।

হেজাৰ হেজাৰ ইৰানী মহিলাই হিজাব খুলি তেহৰানৰ ৰাজপথলৈ ওলাই আহিল, চৰকাৰৰ নাৰী বিদ্বেষী নীতিৰ বিৰুদ্ধে ধ্বনি দিলে, ঠায়ে ঠায়ে হিজাবৰ দ'মত অগ্নিসংযোগ কৰিলে; বহুতো মহিলাই দীঘল চুলি ৰাজপথতে কাটি পেলালে।

প্ৰতিবাদৰ জোৱাৰ দেখি প্ৰথম অৱস্থাত তেহৰান আৰক্ষী হতভম্ব হৈ পৰিলেও আন্দোলনকাৰীৰ ওপৰত দমনমূলক নিৰ্যাতন জাপি দিয়াত বিলম্ব কৰা নাছিল; পিছে আন্দোলন কমক ছাৰি বাঢ়িলহে। কম পক্ষেও ইৰানৰ ৬০ খন চহৰলৈ হিজাব-বিৰোধী বিক্ষোভ বিয়পি পৰিছে। নাৰী আন্দোলনৰ বিৰুদ্ধে একাংশ চৰকাৰ পন্থীয়ে প্ৰতিৰোধ গঢ়ি তুলিবলৈ চেষ্টা কৰিছে; কিন্তু সফল হোৱা নাই। এতিয়ালৈকে হিজাব-বিৰোধী বিক্ষোভত ৪১ জনে প্ৰাণ হেৰুৱাইছে বুলি চৰকাৰীভাৱে কোৱা হ'লেও ইৰানৰ মানৱাধিকাৰ সংস্থাই মৃত্যু হোৱা লোকৰ সংখ্যা তাতকৈ বহু বেছি বুলি দাবী কৰিছে। কে'বাজনো সুৰক্ষা কৰ্মীৰ মৃত্যু ঘটাটোও তাৎপৰ্যপূৰ্ণ। এই সমীক্ষা লিখাৰ সময়লৈ ইৰানৰ পৰিস্থিতি স্বাভাৱিক হোৱা নাই।

ইৰানত সামাজিক সংস্কাৰৰ দাবীত গণ-আন্দোলন গঢ়ি উঠাতো নতুন কথা নহয়। প্ৰকৃততে ১৯৭৯ত ইছলামীয় ধৰ্মীয় বিপ্লৱ আৰম্ভ হোৱাৰ পূৰ্বে ইৰান এখন আধুনিক সমৃদ্ধ আৰু উদাৰবাদী বিচাৰধাৰাৰ দেশ আছিল; কিন্তু সম্ৰাট শাহক অপসাৰণ কৰি ১৯৮১ত আয়াতুল্লা খোমেনীয়ে শাসন হস্তগত কৰাৰ পৰা তাত নাৰী স্বাধীনতাৰ বিলোপ ঘটিল। মোল্লা-মৌলবীৰ শাসন প্ৰৱৰ্তন হোৱাৰ পাছতহে মহিলাই হিজাব পৰিধান কৰাটো ইৰানত বাধ্যতামূলক কৰা হৈছে। লক্ষ্যণীয় যে হিজাব-বিৰোধী আন্দোলনৰ জৰিয়তে ইৰানৰ মহিলাই দুটা গুৰুত্বপূৰ্ণ বাৰ্তা দিছে— (১) মোল্লা-মৌলবীৰ শাসনত আমাৰ আৰু নতুনকৈ হেৰুৱাবলগীয়া কি আছে? (২) নাৰীৰ শৰীৰৰ ওপৰত লোলুপ দৃষ্টি পুৰুষৰ; কিন্তু তাৰ বাবে কিছু মহিলাই শাস্তি ভোগ কৰিব লাগে কিয়?

**(দুই)**

সৰ্বোচ্চ ন্যায়ালয়ৰ মজিয়াত 'বিদ্যালয়ত ইউনিফৰ্ম বনাম হিজাব-পিন্ধাৰ অধিকাৰ' বিষয়ক গোচৰত চৰকাৰী পক্ষৰ অধিবক্তা তুষাৰ মেহতাই দাবী কৰিছে যে কৰ্ণাটকত আৰম্ভ হোৱা 'হিজাব পৰিধানৰ বিতৰ্ক'টোৰ আঁৰত 'পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া' (PFI) নামৰ সংগঠনটোৰ সাম্প্ৰদায়িক বিদ্বেষ সৃষ্টিৰ কূট-কৌশল নিহিত আছে। লক্ষ্যণীয় যে ২০২১ লৈ কোনো ছাত্ৰীয়ে বিদ্যালয়লৈ হিজাব পিন্ধি যোৱাৰ দাবী উত্থাপন কৰা নাছিল। পি এফ আইৰ উচটনিতহে হিজাব পিন্ধাটো মৌলিক অধিকাৰ বুলি কিছু সংখ্যক ছাত্ৰীয়ে ক'বলৈ লৈছে। তাৎপৰ্যপূৰ্ণ যে হাৰ্ভাৰ্ড-শিক্ষিত আছাউদ্দিন ওৱেছি হৈ পৰিছে হিজাবৰ ঘোৰ সমৰ্থক; অথচ তেওঁৰ পৰিয়ালৰ কোনো মহিলা, সদস্যই হিজাব পৰিধান নকৰে। সেয়েহে বিষয়টো এশ শতাংশই সাম্প্ৰদায়িক ৰাজনীতিৰ অংশবিশেষ।

লক্ষ্যণীয় যে মোদী চৰকাৰৰ যিকোনো নীতি বা সিদ্ধান্তকে মুছলমান-বিৰোধী বুলি চিহ্নিত কৰাৰ কৌশল গ্ৰহণ কৰিছে পি এফ আই নামৰ মৌলবাদী সংগঠনটোৱে। মনত ৰাখিব লাগিব, টি ভি বিতৰ্কত নুপূৰ শৰ্মাই দিয়া বিতৰ্কিত মন্তব্যটোৰ আঁৰত আছিল এছ ডি পি আই নেতা তচলিম ৰেহমানীৰ উগ্ৰ হিন্দুত্ব-বিদ্বেষী মন্তব্য। এছ ডি পি আই হ'ল পি এফ আইৰ ৰাজনৈতিক মঞ্চ। নাগৰিকত্ব সংশোধনী আইনেই হওক বা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰস্তুতিৰ সিদ্ধান্ত, সেয়া চৰকাৰৰ মুছলমান-বিদ্বেষী নীতি বুলি অহৰহ অপপ্ৰচাৰ চলায় পি এফ আয়ে। বিগত দুটামান বছৰত অসমত পি এফ আই যথেষ্ট সক্ৰিয় হৈছে; কিন্তু কেৰালাত সাম্প্ৰদায়িক সংগঠনটোৰ ভেটি বেছি মজবুত। হিংসাৰ জৰিয়তে ইছলামীয় উগ্ৰবাদৰ বিস্তাৰ, সেইটোৱেই পি এফ আইৰ মূল কৌশল।

অলপতে কেন্দ্ৰীয় চৰকাৰে দেশৰ সাতখন ৰাজ্যত এলানি পি এফ আই-বিৰোধী অভিযান চলাই সংগঠনটোৰ ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপৰ বিষয়ে অনেক গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰিবলৈ সক্ষম হ'ল। স্থানীয় আৰক্ষীৰ সহযোগত এন আই এ আৰু ইডিৰ যৌথ অভিযান চলিছিল কেতবোৰে বছা বছা স্থানত। তাৰে ভিত্তিত পি এফ আইৰ অবৈধ ধনৰ লেন-দেন, ভাৰতত অস্থিৰতা সৃষ্টিৰ ষড়যন্ত্ৰ আৰু মধ্য-প্ৰাচ্যৰ মৌলবাদী সংগঠনৰ স'তে যোগসূত্ৰ ৰক্ষা আদি অভিযোগত ইতিমধ্যে দুই শতাধিক দুৰ্ধৰ্ষ উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰা হৈছে। তদুপৰি পি এফ আই আৰু ইয়াৰ সহযোগী আঠোটা সৰু-বৰ সংগঠনক পাঁচ বছৰৰ বাবে নিষিদ্ধ কৰা হ'ল। নিঃসন্দেহে চৰকাৰৰ এয়া বলিষ্ঠ পদক্ষেপ।

উদ্বেগজনক কথাটো হ'ল, পি এফ আয়ে ৰাজ্যই ৰাজ্যই ধৰ্মীয় শিক্ষাৰ বিস্তাৰৰ জৰিয়তে জেহাদী গোট গঢ়ি তোলাৰ আঁচনি লৈছে বুলি তদন্তৰ প্ৰাথমিক প্ৰতিবেদনত প্ৰকাশ পাইছে। আনহাতে সংগঠনটোৱে হেনো কেৰালাক সম্পূৰ্ণভাৱে 'ইছলামীয় ৰাজ্য'ৰূপে গঢ়ি তোলাৰ দিশত আগবাঢ়িছিল। পিছে 'ইছলামীয় ৰাজ্যৰ' ৰূপৰেখা যে কঠোৰ 'চৰিয়া' আইন, তথা নাৰী স্বাধীনতাৰ বিলুপ্তি, সেইটো বুজিবলৈ টান নহয়। আফগানিস্তানত তালিবান প্ৰশাসনে তাৰেই দৃষ্টান্ত দাঙি ধৰিছে।




**(তিনি)**

দুসপ্তাহমান পূৰ্বে ইলাহা নামৰ কাবুল বিশ্ববিদ্যালয়ৰ ছাত্ৰীগৰাকীয়ে তালিবান প্ৰশাসনৰ অমানৱীয় আচৰণৰ দৃষ্টান্ত দাঙি ধৰি প্ৰচাৰ কৰা এটা ভিডিঅ' সৃষ্ট বিবৃতিয়ে বিশ্বজোৰা প্ৰচাৰ লাভ কৰিছে। বিবৃতিটোত ইলাহাই দাবী কৰিছে যে এজন জ্যেষ্ঠ তালিবান প্ৰশাসকে তেওঁক বলপূৰ্বক বিবাহৰ নামত বিগত দুমাহ ধৰি অবিৰতভাৱে ধৰ্ষণ কৰি আহিছে। আৰু এতিয়া যুৱতীগৰাকীয়ে কৰ্তৃপক্ষক এনে অত্যাচাৰৰ বিষয়ে অৱগত কৰাত তেওঁক হত্যা কৰিবলৈ ষড়যন্ত্ৰ ৰচা হৈছে। গৃহবন্দী অৱস্থাত থকা যুৱতীগৰাকীয়ে আবেদন জনাইছে— অনুগ্ৰহ কৰি মোক বচাওক, অন্যথা এইটোৱেই মোৰ জীৱনৰ শেষ বাৰ্তা হ'বগৈ।

তাৎপৰ্যপূৰ্ণ যে সংশ্লিষ্ট তালিবানী প্ৰশাসকজনে অভিযোগৰ সত্যতা প্ৰকাৰান্তৰে স্বীকাৰ কৰি লৈছে। তেওঁ কৈছে যে যুৱতীগৰাকীক তেওঁ বিয়া কৰোৱাটো সঁচা; কিন্তু পত্নী বিধৰ্মী বুলি জানিব পাৰি তেওঁ বিষয়টো তালিবানী আদালতত বিচাৰ কৰিবলৈ দিছে। নক'লেও হয় যে মহিলা এগৰাকী বিধৰ্মী হোৱাৰ শাস্তি সাধাৰণতে মৃত্যুদণ্ড। তালিবানী আদালতত মহিলা শিক্ষিতা হোৱাটো বা হিজাব পৰিধান নকৰাটোও 'বিধৰ্মী'ৰ পৰিচায়ক। উক্ত আফগান যুৱতীৰ পৰিয়ালটো আধুনিক শিক্ষাৰে শিক্ষিত আৰু পৰিয়ালৰ আন সদস্যসকলে ইতিমধ্যে নিৰাপদ স্থানলৈ পলাই গৈছে। পাকচক্ৰত পৰি দুৰ্ভগীয়া যুৱতীগৰাকী ৰৈ গ'ল।

লক্ষ্যণীয় যে কিছুদিনৰ বাবে আফগানিস্তানত বালিকা শিক্ষানুষ্ঠানসমূহ খুলি দিলেও এতিয়া সেইবোৰ স্থায়ীভাৱে বন্ধ কৰি দিয়া হৈছে। পিছে এইটোও স্বীকাৰ কৰিব লাগিব যে কেতবোৰ অঞ্চলত শিক্ষিতা যুৱতীৰ দলে শিক্ষাৰ অধিকাৰ বিচাৰি আৰু তালিবানৰ মহিলা-বিদ্বেষ নীতিৰ বিৰুদ্ধে মুকলিকৈ প্ৰতিবাদ জনাই আছে। সেইটো কম সাহসিকতাৰ পৰিচায়ক নহয়। অপসাৰিত ৰাষ্ট্ৰপতি হামিদ কাৰজায়ে পূৰ্বতে তালিবান প্ৰশাসনক আহ্বান জনাইছিল, অন্ততঃ বালিকা বিদ্যালয়বোৰ খুলি দিয়ে যেন। ৰাষ্ট্ৰসংঘয়ো চৰ্ত বান্ধি দিছে, আফগানিস্তানত মহিলাই মুক্তভাৱে চলা-ফুৰা কৰাৰ আৰু শিক্ষাৰ অধিকাৰ নোপোৱালৈকে তালিবান প্ৰশাসনক স্বীকৃতি প্ৰদান কৰা নহ'ব।

**(চাৰি)**

উত্তৰ প্ৰদেশৰ বিজনৰ জিলাৰ বোৱাৰী নুতন মালিকক স্বামীগৃহত প্ৰৱেশ কৰোৱাবলৈ আৰক্ষীয়ে বুলড'জাৰ ব্যৱহাৰ কৰিলে; ঘটনাটো আমোদজনক যেন লাগিলেও কম তাৎপৰ্যপূৰ্ণ নহয়। লগত উপযুক্ত পৰিমাণৰ যৌতুক ননা বাবেই তেওঁক ঘৰৰ পৰা উলিয়াই দিছিল; কিন্তু মহিলাগৰাকীয়ে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ এটা আদেশযোগে স্বামীগৃহত থকাৰ অধিকাৰ লাভ কৰিলে। পিছে তেওঁক ঘৰত সোমাবলৈ দিয়াটো দূৰৰে কথা, স্বামীৰ পৰিয়ালে, ন্যায়ালয়ৰ আদেশটো জাৰি কৰিবলৈকে সুযোগ দিয়া নাছিল। অৱশেষত আৰক্ষীয়ে স্বামীগৃহৰ প্ৰৱেশ পথত থকা লোহাৰ দুৱাৰ ভাঙি সোমাল আৰু ন্যায়ালয়ৰ আদেশটো নুতনৰ শাহুৱেক-শহুৰেকৰ হাতত দিলেগৈ; লগতে বোৱাৰীগৰাকীকো সংস্থাপিত কৰি থৈ আহিল।

ঘটনাটোৱে বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ নাথাকিল। পিছে উঃপ্ৰঃ আৰক্ষীয়ে স্পষ্টকৈ কৈছে— ন্যায়ালয়ে নুতন মালিক নামৰ বোৱাৰী গৰাকীক স্বামীগৃহত সোমোৱাটো সুনিশ্চিত কৰিবলৈ আমাক 'যিকোনো ব্যৱস্থা' ল'বলৈ নিৰ্দেশ দিছিল; আমি মাথোন সেই নিৰ্দেশ পালন কৰিছো। একবিংশ শতিকাৰ তৃতীয় দশকত এগৰাকী ভাৰতীয় বোৱাৰীয়ে যৌতুক প্ৰথাৰ বিৰুদ্ধে যুঁজ দিলে আৰু তেওঁক নিজৰ অধিকাৰ সাব্যস্ত কৰাত বুলড'জাৰে সহায় কৰিলে, ইও এটা অভিলেখ।

**(পাঁচ)**

বিশ্বৰ অন্যতম আৰ্থিক শক্তি জাপানৰ মহিলাসকল উচ্চশিক্ষিতা হ'লেও ৰাজনৈতিকভাৱেই নহয়, সামাজিকভাৱেও উপেক্ষিত। এইটো বিশ্বাস কৰিবলৈকে টান যে জি-৭ ৰাষ্ট্ৰ মণ্ডলীৰ অন্যতম সদস্য জাপানত লিংগবৈষম্য সূচাংক ১২৩। তাৰ বিপৰীতে ইউৰোপীয় দেশবোৰত লিংগবৈষম্য যথেষ্ট কম আৰু মহিলাই ৰাজনৈতিক ক্ষমতা লাভ কৰাটোও অসম্ভৱৰ কথা নহয়। তেনে এখন দেশ হ'ল ৰাছিয়া আৰু ছুইডেনৰ মাজত অৱস্থিত ফিনলেণ্ড। মাটিকালি আৰু জনসংখ্যাৰ দৃষ্টিৰে ক্ষুদ্ৰ হ'লেও এশ শতাংশই শিক্ষিত লোকৰ দেশখনে মানৱ উন্নয়নী সূচাংকৰ তালিকাত উচ্চস্থান লাভ কৰিছে। ফিনলেণ্ডৰ চান্না মেৰিন হ'ল বিশ্বৰ ভিতৰতে কনিষ্ঠতম মহিলা প্ৰধানমন্ত্ৰী। সাম্প্ৰতিক পৰিস্থিতিত ৰাছিয়াৰ বিৰুদ্ধে শক্তিশালী স্থিতি গ্ৰহণ কৰি চান্না বিশ্ব দৰবাৰত উচ্চ প্ৰশংসিত।

পিছে সৌ সিদিনা এটা ব্যক্তিগত অনুষ্ঠানত বন্ধু-বান্ধৱীৰ স'তে উদ্দাম নৃত্যৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি চান্না নিজ দেশতে তিৰস্কৃত হ'ল; আনকি আন দেশৰ একাংশ ৰাজনৈতিক পৰ্যবেক্ষকেও চান্নাক দায়িত্বহীন মহিলা বুলি অভিহিত কৰিছে। কিন্তু হতাশ নহৈ চান্নাই প্ৰশ্ন কৰিছে— মোৰ ব্যক্তিগত জীৱন নাইনে? মোৰ বন্ধু-বান্ধৱীৰ স'তে ফূৰ্তি-তামাচা কৰিবলৈ মন যোৱাটো অপৰাধ হ'ব পাৰেনে? চান্না মেৰিনৰ সমৰ্থনত থিয় দিছে অনেক খ্যাতনামা মহিলা। ৩৫ বছৰীয়া মহিলা প্ৰধানমন্ত্ৰীগৰাকীৰ সমৰ্থনত হিলাৰী ক্লিণ্টনে বিশ্বজুৰি প্ৰচাৰ কৰিছে— 'নাচিবলৈ নেৰিবা' শীৰ্ষক এটা ভিডিঅ'। ভিডিঅ'টোত হিলাৰী আমেৰিকাৰ গৃহমন্ত্ৰী হৈ থকা সময়ত কলম্বিয়া ভ্ৰমণলৈ যাওঁতে এটা পাৰ্টিত নিজে উদ্দাম নৃত্যত অংশ লোৱা দৃশ্য দেখুওৱা হৈছে। ৰাজনৈতিক জীৱনত গধুৰ দায়িত্ব পালন কৰা শক্তিশালী মহিলাসকলৰ ব্যক্তিগত স্বাধীনতাৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ বাৰ্তা ভিডিঅ'টোত নিহিত আছে। অৱশ্যে তাৰ মাজতে আছে 'শক্তিৰূপেণ সংস্থিতা নাৰী'ৰ সাৰ্থকতা।

*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

## ড° ময়িদুল ইছলাম বড়া

**ড° গোবিন্দ প্ৰসাদ শৰ্মা**

**অভিমত**

**ড°** জাকিৰুল আলমৰ ওপৰোক্ত শিৰোনামৰ জীৱনীমূলক প্ৰৱন্ধটো পঢ়ি (দৈনিক অগ্ৰদূত, ২২ ছেপ্টেম্বৰ, ২০২২) উপকৃত আৰু আনন্দিত হ'লো। ড° এম আই বড়া নামটো অসমীয়া সমাজৰ ঘৰে ঘৰে সঘনে উচ্চাৰিত হোৱা এটি আদৰৰ নাম। বিদ্যাজগত উজ্জ্বল কৰি ৰখা তেওঁৰ কৰ্মৰাজিয়ে আমাক যোৱা প্ৰায় এশ বছৰ গৌৰৱান্বিত কৰি ৰাখিছে। তেওঁৰ সাংসাৰিক আৰু বৌদ্ধিক কৰ্মৰাজিৰ চমু পৰিচয় এই প্ৰৱন্ধত তুলি ধৰি লেখকে আমাক তেওঁৰ বিষয়ে সম্যক ৰূপতে অৱগত কৰিছে। ইয়ে অসমীয়া মানসত তেওঁৰ স্মৃতি আৰু সতেজ কৰি তুলিছে।

ড° এম আই বড়াক ড° আলমে উচিতভাৱেই আখ্যা দিছে— 'জাতীয় সংহতিৰ প্ৰতীক' বুলি। একে সময়তে ড° বড়া আছিল সাম্প্ৰদায়িক সংহতিৰো বাণীবাহক; কিন্তু অতি পৰিতাপৰ বিষয়— সাম্প্ৰদায়িক ঐক্যৰ বাণীবাহক এই নবীস্বৰূপ লোকজনেই হ'লগৈ শেষত সাম্প্ৰদায়িক ঐক্যৰ ছহিদ— ঠিক মহাত্মা গান্ধীৰ দৰে। আধুনিক জগতৰ ঋষিতুল্য গান্ধীক আধুনিক পদ্ধতিৰেই গুলীয়াই মৰা হ'ল। আধুনিক যুগৰ নবীস্বৰূপ ময়িদুল ইছলাম বড়াক কিন্তু প্ৰাচীন পদ্ধতিৰেই ছক্ৰেটিছক ৰজাৰ পক্ষই বিষ খুৱাই মৰা দি মাৰিলে। দিন সলনি হয়; সভ্যতাও সলনি হয়; কিন্তু মানুহৰ মতান্ধতা, মানুহৰ হিংসা কেনেদৰে যে একে হৈ থাকে!

মোৰ দৰে প্ৰতিজন অসমীয়াই এই প্ৰৱন্ধটো পঢ়ি অনুপ্ৰাণিত হ'ব। এম আই বড়াৰ বিদ্যাজগতখনৰ প্ৰকৃতি আৰু স্বৰূপ ইয়াত যথাযথ ৰূপত প্ৰকাশিত হৈছে; কিন্তু এনে এক মূল্যৱান আৰু সকলোৱে পঠিতব্য প্ৰৱন্ধতো স্থান পোৱা কেইটামান কথাই সন্দেহৰ উদ্ৰেকো কৰে। গম্ভুজ প্ৰতীম ব্যক্তিত্ব আৰু বিদ্যা-বুদ্ধিৰ এম আই বড়া লণ্ডনৰ পৰা পি এইছ ডি ডিগ্ৰী লৈ অহাৰ পাছত ঢাকা বিশ্ববিদ্যালয়ৰ ফাৰ্ছী আৰু উৰ্দু বিভাগত অধ্যাপক নিযুক্ত হ'ল। তাতেই নিৰন্তৰ গৱেষণাত মজ্জিত হৈ থকাটো সঠিকভাৱেই দেখুওৱা হৈছে। সেই বিভাগৰ বিভাগীয় মুৰব্বী অধ্যাপকৰ পদতো তেওঁ অভিষিক্ত হোৱাটোও সত্য; কিন্তু ড° জাকিৰুল আলমে আকৌ ইয়াৰ ওপৰলৈ গৈ ড° এম আই বড়াক ঢাকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈছিল বুলিও ক'লে। পিছে এই কথা সঁচানে? এই কথা আমি অন্য ক'তো পোৱা নাই। গতিকে এই কথাৰ সত্যাসত্য নিৰূপণৰ বাবে আমি আৰু কে'বাখনো সংশ্লিষ্ট বিষয়ৰ গ্ৰন্থ চালি-জাৰি চালো। সেইবোৰৰ ক'তোৱেই নাপালো যে ড° বড়া ঢাকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্যও আছিল।

ড° এম আই বড়া এজন ওখ মানুহ আছিল বুলি আমি জানো। 'দৈনিক অগ্ৰদূত'ত এই প্ৰৱন্ধটোৰ লগত সংযুক্ত কৰা ফটোখনৰ পৰাও তেওঁ যে এজন ওখ মানুহ আছিল তাক বুজিব পাৰি; কিন্তু ড° আলমে তেওঁক সাত ফুট উচ্চতাৰ এজন মানুহ আছিল বুলি ব্যক্ত কৰিলে। ইও সন্দেহৰ বিষয়। সাত ফুট উচ্চতাৰ মানুহেতো বিশ্ব ৰেকৰ্ডেই স্থাপন কৰিব পাৰে। তেনেস্থলত তেওঁ পিন্ধি থকা অভাৰকোটতো অন্ততঃ আমাৰ অসম মিউজিয়ামত সংৰক্ষিত হৈ থকা উচিত আছিল। আকাৰত কিংবদন্তিস্বৰূপ আমাৰ গদাধৰ সিংহৰ চোলাটোতো অসম মিউজিয়ামত সংৰক্ষিত কৰি ৰখা হৈছে। এম আই বড়া সাত ফুট ওখ আছিল— এই কথা আমি অন্য ক'তো পোৱা নাই। ফটোখনৰ পৰাই জ্যামিতি আৰু অংকৰ সহায়তো আমি বোধহয় ড° বড়াৰ উচ্চতা হিচাপ কৰি উলিয়াব পাৰো; কিন্তু তাকো নকৰি ড° বড়াৰ এই সাত ফুট উচ্চতাৰ কথাই আমি মানি ল'মনে?

ছয় ফুট উচ্চতাৰ মানুহবোৰেই ওখ মানুহৰ শাৰীত পৰে। সেয়েহে তেনে মানুহক 'ছিক্স ফুটাৰ' বুলি জনা যায়; কিন্তু 'ছেভেন ফুটাৰ' বুলি ওখ মানুহৰ কোনো পৰিচয়াত্মক সাধাৰণ শব্দ নাই। কথাটোৰ সত্যাসত্য নিৰূপণ নকৰাকৈ শান্তিত থাকিব নোৱাৰিলো। আমাৰ অসমীয়া সংবাদ জগতৰ সকলোৱে পৰিচিত হাইদৰ হুছেইনলৈ মনত পৰিল। তেওঁ নিজেইতো এজন ছিক্স ফুটাৰ- ছয় ফুটতকৈ আৰু দুই নে চাৰি ইঞ্চি ওখহে। তেওঁকেই সুধিলো— আমাৰ ড° এম আই বড়াৰ উচ্চতাৰ কথা। 'তেওঁ জানো সাত ফুট ওখ আছিল, হুছেইন দেউ?' তেওঁ একেবাৰেই কথাটো নাকচ কৰি মানুহৰ উচ্চতাৰ লগতে আৰু অন্য বহু কথাৰ এটি সুদীৰ্ঘ লেক্‌চাৰ দিলে।

ড° জাকিৰুল আলমৰ মূল্যৱান প্ৰৱন্ধটোৰ এই দুই বিভ্ৰান্তিৰ বাহিৰে আৰু এটি বিভ্ৰান্তি হ'ল— ড° বড়াক কে'বাবাৰো অসমৰ প্ৰথম পি এইছ ডি বুলি অভিহিত কৰাটো। এই ভুল ধাৰণাটোৱেই আজি কিছু বছৰ আগলৈ সত্য বুলি প্ৰচাৰিত হৈ আছিল; কিন্তু এইটো আজি কিছু বছৰ পূৰ্বেই নিশ্চিত তথ্যৰ দ্বাৰা প্ৰমাণিত হৈছে যে অসমৰ প্ৰথম পি এইছ ডি ডিগ্ৰীধাৰী আছিল আনন্দৰাম ঢেকিয়াল ফুকনৰ পুত্ৰ ড° ৰাধিকাৰাম ঢেকিয়াল ফুকনহে। জাৰ্মানীৰ হেইডেলবাৰ্গ বিশ্ববিদ্যালয়ত গৈ তেওঁ ৰসায়ন বিজ্ঞানত পি এইছ ডি লাভ কৰিছিল। তাৰ পাছত তাতে বিয়া-বাৰু কৰাই তাতে ঘৰ-সংসাৰ কৰি থাকি গ'ল। আৰু কালক্ৰমত অসমত আমি তেওঁক পাহৰি গ'লো; কিন্তু ৰেকৰ্ডতো ৰেকৰ্ড হৈয়েই থাকে। আমাৰ প্ৰথম পি এইছ ডি হ'ল ড° ৰাধিকাৰাম ঢেকিয়াল ফুকন, দ্বিতীয় পি এইছ ডিহে হ'ল ড° এম আই বড়া।

*ফোন ঃ ৯৮৫৪০৩১৬৭৬*



## উশাহ-নিশাহত কৰ

**প্ৰভাত দাস**

**কৰ,** কৰ, কৰ। চৰকাৰৰ বৰ্ধিত হাৰৰ কৰ ব্যৱস্থাই বৰ্তমান সমাজৰ মধ্যবিত্ত-নিম্নমধ্যবিত্ত শ্ৰেণীটোক লাহে লাহে কোঙা কৰি আনিছে।

শেহতীয়াভাৱে কেন্দ্ৰীয় চৰকাৰে ভূ-গৰ্ভৰ পানী ব্যৱহাৰকাৰীৰ ওপৰতো কৰ লগোৱাৰ ব্যৱস্থা কৰিছে। পানী, বায়ু, প্ৰকৃতিৰ দান-অৱদান। সম্পদ। বায়ুৰ লগতে পানীও মানুহৰ জীৱন ধাৰণৰ অন্যতম উপাদান। সকলো প্ৰকৃতিগত অৱদান কেন্দ্ৰীয় চৰকাৰৰ সম্পদ (বাঘজানৰ তেলখাদ কেন্দ্ৰৰ সম্পদ কিন্তু জুই লাগি সৃষ্টি কৰা আপদ ৰাজ্য চৰকাৰৰ)। প্ৰাকৃতিক সম্পদ ব্যৱহাৰকাৰীৰ পৰা কেন্দ্ৰ/ৰাজ্য চৰকাৰে কৰ আদায় কৰে। কৰি আহিছে। শেহতীয়াভাৱে ভূ-গৰ্ভৰ পানী ব্যৱহাৰকাৰীৰ ওপৰত কৰ আৰোপ কৰাৰ দৰে যদি চৰকাৰে বায়ু সেৱনকাৰীৰ ওপৰত কৰ আৰোপ কৰে! কথাটো এবাৰ ভাবকচোন।

প্ৰতি নিয়ত আমি উশাহত বায়ুৰ পৰা অম্লজান লওঁ। এই অম্লজান অবিহনে কোনো জীৱই বাচি থাকিব নোৱাৰে। আমাৰ উশাহ-নিশাহৰ বাবে প্ৰকৃতিয়ে আমাক নিয়মিত অম্লজান যোগান ধৰি আছে। বায়ু প্ৰকৃতিৰ দান। কিন্তু কালিলৈ যদি এই বায়ুৰ ওপৰত কৰ আৰোপ কৰে?

উশাহত আপুনি বায়ুৰ পৰা কিমান অম্লজান আহৰণ কৰে আপোনাৰ বুকুত এটা 'অক্সোমিটাৰে' নিৰ্ধাৰণ কৰা ব্যৱহৃত অম্লজানৰ ওপৰত নিৰ্দিষ্ট কৰা হাৰত আপুনি কৰ আদায় দিব লাগিব। আপোনাৰ পৰিয়ালৰ পাঁচজন সদস্য। প্ৰতিজনৰ বুকুতে অক্সোমিটাৰ। আনকি সদ্য জন্মপ্ৰাপ্ত শিশুটোৰ বুকুত জন্ম হোৱাৰ দিনাই অক্সোমিটাৰ স্থাপন কৰা হ'ব। দিনটোত সি উশাহ লৈ বায়ুৰ পৰা কিমান অম্লজান আহৰণ কৰে তাৰো হিচাপ হ'ব আৰু নিৰ্ধাৰিত নিৰিখত কৰ আদায় দিব লাগিব। এয়া হ'বলৈ গৈ আছে যেন লাগে।

ৰাজ্য চৰকাৰৰ পানী যোগান আঁচনি ব্যৰ্থ। গুৱাহাটী মহানগৰকে ধৰি ৰাজ্যৰ আন আন নগৰ-চহৰ, গাঁওসমূহত ৰাজ্য চৰকাৰে বিশুদ্ধ খোৱা পানী যোগানত সফল হ'ব পৰা নাই। আনকি কেন্দ্ৰীয় চৰকাৰৰ জলজীৱন মিছন অসমত এক প্ৰকাৰ ব্যৰ্থ। নানা কেলেংকাৰিয়ে বেঢ়ি ধৰিছে। পানী মানুহৰ জীৱনৰ বাবে এক মৌলিক প্ৰয়োজনীয় উপাদান। ব্যৰ্থ চৰকাৰৰ মুখলৈ চাই পানী অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। সেয়ে অন্য উপায় নোহোৱাত মানুহে নিজা ব্যয়েৰে দমকল, ডিপটিউৱেল আদি স্থাপন কৰি প্ৰয়োজনীয় পানীটুপি ভূগৰ্ভৰ পৰা আহৰণ কৰাৰ ব্যৱস্থা হাতত লৈছে। কিন্তু এইবাৰ এই পানী-টুপিৰ ওপৰতো কৰ বহুৱাই ৰাইজৰ ওপৰত ৰামটাঙোন শোধোৱাৰ চেষ্টা চলিছে। কেন্দ্ৰীয় চৰকাৰৰ ভূ-জল প্ৰাধিকৰণে সকলো ভূ-গৰ্ভস্থ পানী ব্যৱহাৰকাৰীৰ প্ৰতি কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ নতুন নিৰ্দেশনা অনুসাৰে ভূগৰ্ভৰ পানী ব্যৱহাৰকাৰীসকলে এক লাখ টকাৰ মাচুল পৰিশোধ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা পঞ্জীয়ন কৰি লোৱাটো বাধ্যতামূলক। আনহাতে, ব্যৱহাৰ কৰা পানীৰ বিপৰীতে ডিজিটেল পেইজ'মিটাৰ স্থাপন কৰি বিল পৰিশোধ কৰিব লাগিব। গুৱাহাটী পৌৰ নিগমে এতিয়ালৈ গুৱাহাটী মহানগৰৰ সকলো ঠাইতে পানী যোগান দিব পৰা নাই। অথচ, পৌৰ নিগমে পানী যোগান নধৰাকৈয়ে আৰোপ কৰা পানীকৰ মহানগৰবাসীয়ে আদায় দি আহিছে। ভূগৰ্ভৰ পানীৰ ওপৰত আৰোপ কৰিবলৈ লোৱা নতুন কৰে জনসাধাৰণক জুৰুলা কৰিব বুলি সচেতন নাগৰিকৰ মনলৈ চিন্তা আহিছে। আনকি ই কৃষি ক্ষেত্ৰতো প্ৰভাৱ পেলাব। বৰ্তমান খৰাং পৰিস্থিতিৰ বাবে ঠায়ে ঠায়ে কৃষকে ভূগৰ্ভৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। ভূগৰ্ভৰ পানীৰ ওপৰত আৰোপিত কৰে কৃষি ক্ষেত্ৰখনলৈও গভীৰ উদ্বেগ কঢ়িয়াই আনিব।

ইপিনে গুৱাহাটী পৌৰ নিগমে সম্পত্তি কৰ আদায় কৰিবলৈ বহিৰাগত কোম্পানীক নিযুক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব বুলি গুৱাহাটী উন্নয়ন মন্ত্ৰণালয়ে ঘোষণা কৰিছে। বহিৰাগত কোম্পানীক নিয়োগ কৰিবলগীয়া হ'লে নিগমৰ এই ক্ষেত্ৰত কৰ্মৰত বিষয়া-কৰ্মচাৰীক দৰমহা দি ৰখাৰ অৰ্থ আছে নে? বহিৰাগত কোম্পানীয়ে কমিচন নোলোৱাকৈ এই কাম কৰিবনে? মুঠতে নাগৰিকৰ ওপৰত বৰ্ধিত কৰৰ বোজা। এনেয়ে বৰ্ধিত বিদ্যুৎ মাচুলে ৰাইজক চকুৰে সৰিয়হৰ ফুল দেখুৱাইছে। গ্ৰাহকৰ ঘৰে ঘৰে সংযোগ কৰা নতুন বিদ্যুৎ মিটাৰবোৰ হঠাৎ অধিক স্মাৰ্ট হৈ উঠিল। ফলত গ্ৰাহকৰ বিদ্যুতৰ মাচুল দুই-তিনি গুণ অস্বাভাৱিক হাৰত বৃদ্ধি পালে। চৰকাৰ কিম্বা বিদ্যুৎ বিভাগেও ৰাইজৰ প্ৰতিবাদত কথাটো স্বীকাৰ কৰিলে। কিন্তু এই বৰ্ধিত বিদ্যুৎ মাচুলৰ ক্ষেত্ৰত যিবোৰ কাৰণ দেখুওৱা হ'ল সেইবোৰ ৰাইজে মানি ল'ব পৰা নাই।

বৰ্তমান চৰকাৰখনে উন্নয়নৰ নামত কেইখনমান পকী দলং, ৰাস্তা নিৰ্মাণ কৰিছে। বাকীবোৰ ক্ষেত্ৰত চৰকাৰৰ নিয়ন্ত্ৰণ নাই। নিত্য প্ৰয়োজনীয় প্ৰতিবিধ সামগ্ৰীৰ দাম নিতৌ বৃদ্ধি পাই আছে। সকলোতকৈ অধিক দাম বৃদ্ধি পাইছে পাচলিৰ। প্ৰতিবিধ পাচলিৰ দাম ভিন্ন বজাৰত ভিন্ন। চৰকাৰ কুম্ভকৰ্ণ নিদ্ৰাত। বজাৰৰ সমানে পাকঘৰতো জুই। মিঠাতেল, দাইল, ৰন্ধন গেছৰ কথা নকলোৱেবা। সবেই নাচোৰ বান্দা।

মুঠতে বিগত সময়ছোৱাত ৰাজ্য চৰকাৰৰ সম্পত্তিকৰ বৃদ্ধি, সম্পত্তিকৰ আদায়, আউট চ'ৰ্চ্চিং আদিকে ধৰি বিদ্যুতৰ মাচুল বৃদ্ধিৰ লগতে ভূগৰ্ভৰ পানী ব্যৱহাৰৰ ক্ষেত্ৰত কৰ আৰোপ কৰিবলৈ লোৱা ব্যৱস্থাত জনসাধাৰণ বিতুষ্ট হৈ উঠিছে।

*ফোন ঃ ৯৪৩৫৫৪১৪৯৬*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২ অক্টোবৰ শনিবাৰ, ২০২২ পৃষ্ঠা ৫

# মহিষাসুৰক নহয় মানুহৰ ভিতৰৰ গোনা ম'হটোকহে নিধন কৰক

আছুতীয়া চিন্তা
জয়কান্ত শৰ্মা (কনিষ্ঠ)



**আৰ্যসকলে** দক্ষিণ ভাৰতৰ ক'লা বৰণৰ নোদোকা আৰু পৰাক্ৰমী লোকবোৰক অসুৰ বুলি কৈছিল। তেনেদৰে অসুৰ সম্বোধন কৰিছিল উত্তৰ-পূবৰ পাহাৰীয়া জনজাতিৰ লোকক। কিন্তু প্ৰতিজন মানুহৰ মনৰ মাজত যে একোজন অসুৰ থাকে আৰু তেওঁলোকেও যে একোজন অসুৰক মনত পুহি-পালি ৰাখিছিল, তাক হ'লে কোনো দিন স্বীকাৰ কৰা নাছিল।

মানুহৰ প্ৰখৰ বুদ্ধিমত্তা, বল-বিক্ৰমৰ লগত দুষ্টবুদ্ধি লগ লাগিলে অসুৰৰ জন্ম হয়। অসুৰবোৰে অন্যায়কৰ, অমংগলীয়া আৰু অপকৰ্ম কৰি কৃতিত্ব লভিব খোজে। সমাজত ত্ৰাসৰ সৃষ্টি কৰি অসুৰে অট্টহাস কৰে। জগতখন নিজৰ হাতলৈ আনি মানৱ কি দেৱতা সকলোৰে ওপৰত ৰাজত্ব কৰিব খোজে। কিন্তু সেই জোখাৰে সিহঁতৰ মগজুত সুবুদ্ধি আৰু সাধাৰণ জ্ঞানকণো নাথাকে বাবে জীৱনৰ দগ্‌মগীয়া অৱস্থাতে মৰা পৰে।

সি যি কি নহওক, শাৰদীয় দুৰ্গা পূজাৰ এই সুন্দৰ আৰু উৎসৱমুখৰ পৰিৱেশত মহিষাসুৰ নিধন যজ্ঞৰ সময়ত আমি সকলোৱে মনৰ মাজত পুহি-পালি ৰখা গোনা ম'হটো নিধনৰ বাবে যত্ন কৰা ভাল হ'ব। আসুৰিক আৰু পশুসদৃশ প্ৰবৃত্তিবোৰত লেকাম লগাব পাৰিলে ভাল।

আমি জাতত মানুহ। দেখাই-শুনাই মানুহৰ দৰেই; কিন্তু কাম বা আচৰণবোৰ দেখোন অসুৰৰ দৰে। চিন্তাধাৰা নীচ—একেবাৰে পশুতুল্য। আন জীৱ-জন্তু, প্ৰকৃতি বা মানুহৰ স'তে আচৰণ কৰোতে প্ৰায়ে বৰ্বৰতাৰ পৰিচয় দাঙি ধৰো। কিয় বাৰু?

বাতৰি কাকতত পঢ়িব পাইছো আৰু দেখিছো ৩৫ লাখ টকা ব্যয় কৰি ১৩৫ ফুট ওখ ৰাৱণৰ মূৰ্তি তৈয়াৰ কৰি ৰাৱণ পোৰা বা দশেৰা উৎসৱৰ বৃহৎ আয়োজন কৰা হৈছে গুৱাহাটীৰ নিকটৱৰ্তী অঞ্চল পলাশবাৰীত। ধৰ্মীয় বিলাসিতাৰে বৃহৎ আয়োজন কৰি বৃহৎ চমক সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা হৈছে যদিও ইয়াক আমি বৃহৎ অপচয় বুলি ক'বলৈ বাধ্য। ৩৫ লাখ টকা কম নহয়। এইখিনি টকাৰে পিছপৰা অঞ্চলটোৰ ভালেখিনি উন্নয়নমূলক কাম কৰিব পৰা গ'লহেঁতেন তাকে কৰাহেঁতেন সকলোৱে হয়তো প্ৰশংসাও কৰিলেহেঁতেন।

ৰাৱণ পোৰা উৎসৱৰ লগত অসুৰ নিধন কৰি সমাজত শান্তি স্থাপন কৰাৰ উদ্দেশ্য নিশ্চয় নিহিত হৈ আছে। কিন্তু ৰাৱণক যি ধৰণে দুষ্ট-দগাবাজ বা অসুৰ হিচাপে দেখুওৱা হৈছে তেওঁ সিমান নাছিল। ৰাৱণে সীতাক হৰণ কৰিছিল ৰাম-লক্ষ্মণৰ ওপৰত প্ৰতিশোধ লোৱাৰ উদ্দেশ্যেৰেহে, কাৰণ ৰাৱণৰ ভনীয়েক সুৰ্পনখাক লক্ষ্মণে নাক-কাণ কাটি নিৰ্যাতন চলাইছিল। সুৰ্পনখাই অপমানিত হৈ ৰাৱণক খাতিৰ ধৰিছিল ৰাম-লক্ষ্মণক উচিত শিক্ষা দিবলৈ। ৰাম-লক্ষ্মণৰ ওপৰত পোটক তুলিবলৈ ৰাৱণে সীতাক হৰণ কৰি লংকালৈ নিছিল যদিও সীতাৰ সতীত্বত হাত দিয়া নাছিল।

দৰাচলতে লক্ষ্মণৰ হৃদয়তো গোনা ম'হ এটা বৰ্তি আছিল। অন্যথা সুৰ্পনখাৰ নাক-কাণ কটাৰ দৰে গৰ্হিত কাম কৰিবলৈ এবাৰ হ'লেও চিন্তা কৰিলেহেঁতেন।

ৰাৱণৰ প্ৰতি সীতাৰ দুৰ্বলতা বা গোপন বাসনা থকাৰ সন্দেহত পত্নীক অগ্নি পৰীক্ষাত অৱতীৰ্ণ কৰালে ৰামে। অগ্নি পৰীক্ষাত সীতা উত্তীৰ্ণ হ'ল। তৎসত্ত্বেও সীতাক বনবাস দিলে। প্ৰজাৰ কথা শুনি প্ৰভু ৰামে গৰ্ভৱতী পত্নীক কি স'তে বনত এৰি থৈ আহিব পাৰিছিল তাকে ভাবি আজিও আচৰিত লাগে।

ৰামৰ অশ্ৰদ্ধা আৰু অত্যাচাৰ সহিব নোৱাৰি সীতাই অৱশেষত কি কৰিলে?— 'ফাট মেলা বসুমতী পাতালে লুকাও' বুলি ইচ্ছা মৃত্যু বৰণ (আত্মহত্যা) কৰিবলৈ বাধ্য হ'ল।

প্ৰকৃততে ৰাম আছিল দুৰ্বল আৰু আত্মবিশ্বাসহীন অৱতাৰ (?) পুৰুষ। পৃথিৱীৰ প্ৰথম নাৰী নিৰ্যাতনকাৰী। ৰাৱণক হত্যা কৰিবলৈ ব্ৰহ্মাই দেৱী দুৰ্গাৰ সহায় ল'বলৈ পৰামৰ্শ দিয়াত তেওঁ অকালবোধন কৰি দুৰ্গাক আহ্বান কৰিছিল।

ইফালে, ৰামভক্ত হনুমানে স্বৰ্ণ লংকা পুৰি চাৰখাৰ কৰিছিল। নিৰীহ-নিমাখিত লংকাবাসীৰ ওপৰত ত্ৰাসৰ সৃষ্টি কৰা ৰাম-হনুমান-লক্ষ্মণক স্বেচ্ছাচাৰী বুলি নকৈ প্ৰজা বা মানৱৰ হিতৈষী বুলি কোনোমতে ক'ব নোৱাৰি। সেই কাৰণেই হবলা ৰামৰ নামত আজিও গ্লানি বিজড়িত কথা বা খণ্ড বাক্য প্ৰচলিত হৈ আছে। মানুহে আজিও কথাতে কয়—'ৰাম ঠগন', 'ৰাম চৰ', 'ৰাম কিল' ইত্যাদি।

**দুৰ্গতিনাশিনী দুৰ্গাই প্ৰকৃততে মানুহৰ দুখ-দুৰ্গতি দূৰ কৰেনে?**

বেলশৰৰ বিল্বেশ্বৰ দেৱালয়ৰ দুৰ্গা পূজা উপলক্ষে এইবাৰ ৪০টা ম'হ বলি দিয়াৰ বাবে যো-জা কৰা হৈছে বুলি জানি ভক্তগণৰ মনত উৎসাহ-উদ্দীপনাৰ অন্ত নাই। এই উৎসাহ-উদ্দীপনাই কি সূচায় বাৰু? নিৰীহ-নিমাখিত ম'হবোৰক বলি দি তেজৰ নৈ বোৱাই কোন দেৱ-দেৱীৰ বাবে ৰক্ত স্নানৰ আয়োজন কৰা হৈছে?



দেৱী দুৰ্গা আচলতে ৰক্ত পিপাসী নে ৰক্ত তৃষ্ণাত চিৰ আতুৰ? নে তেজৰূপী শক্তি লাভ কৰি দেৱীয়ে মহিষাসুৰক বধ কৰে?

কোৱা হয় দেৱতাসকলৰ শত্ৰু অসুৰক নিধন কৰি স্বৰ্গত সুখ-শান্তি নিশ্চিত কৰে দেৱী দুৰ্গাই। দৰাচলতে তেনে হোৱা দেখা নাযায়। বছৰ বছৰ মহিষাসুৰৰ আবিৰ্ভাৱ হয় আৰু শক্তিৰূপী দেৱী আহি অসুৰ বধৰ ভাওনা পাতে; কিন্তু মানুহৰ মনৰ মাজত থকা অসুৰটো একে ৰূপতে একে ধৰণে বৰ্তি থাকি সমাজত দুষ্কৰ্ম কৰি গৈ থাকে। দুখীয়া-গৰিবৰ দুখ-দুৰ্গতি কেতিয়াও দূৰ নহয়, কাৰণ দেশত অসুৰৰ সংখ্যাই সৰহ। অসুৰৰ পৰা ভাল কিবা আশা কৰা বা সুখ-শান্তি বিচৰা অতি দুৰুহ।

সঁচা কথা ক'বলৈ হ'লে পশু নিধন যজ্ঞ পাতি মানুহেও পশুত্বকে প্ৰদৰ্শন নকৰেনে? আমি যিমানে শিক্ষিত আৰু আধুনিক হৈ গৈ আছো সিমানে অজ্ঞ আৰু অধম হৈও গৈ আছো নেকি? মানুহে মানুহক কৰা অন্যায়-অবিচাৰ, হত্যা-লুণ্ঠন, নিপীড়ন-নিৰ্যাতনবোৰ দেৱী দুৰ্গাৰ চকুত নপৰে নেকি? পৰাহেঁতেন ভাল আছিল। দুষ্টই দণ্ড পোৱা আৰু পাপৰ প্ৰায়শ্চিত্ত নিশ্চয় হ'লহেঁতেন।

সাধাৰণ মানুহ কিয়, বৰ বৰ নেতা, মন্ত্ৰী, আমোলা-বিষয়াসকলে কৰা অন্যায়বোৰ, দুৰ্নীতি আৰু মিথ্যাচাৰ লক্ষ্য কৰা ঈশ্বৰ এজন আমাক লাগে। দুষ্টক দমন, শান্তক পালন কৰা অৱতাৰ পুৰুষ একোজনে ইমানবোৰ বিভাগ আৰু বেমেজালি কেনেকৈ চম্ভালিব?

জিলা আয়ুক্ত, উপায়ুক্ত আনকি আৰক্ষী প্ৰধানসকলৰ অন্তৰতো যে একোজন মহিষাসুৰ নিবাস কৰি আছে তাৰ প্ৰমাণ তেওঁলোকৰ কৰ্ম-কাণ্ডই ফট্‌ফটীয়াকৈ প্ৰকাশ কৰি দেখুৱায়। আমাৰ শ্ৰদ্ধাৰ ধৰ্ম গুৰু, শিক্ষাগুৰু সকলৰো কিছুমানৰ অন্তৰত বনৰীয়া ম'হ একোটা পালিত হৈ অছে। জনপ্ৰতিনিধিসকলৰ হৃদয়ততো অহৰহ থাকেই। সময়ত সকলোৰে ভিতৰত থকা গোনা ম'হবোৰ খঙাল হৈ উঠে।

বিধানসভা বা লোকসভাৰ অধিৱেশনৰ সময়ত জনপ্ৰতিনিধিবোৰৰ পালিত ম'হবোৰ জাগ্ৰত হৈ উঠে। একোটা প্ৰশ্ন বা বিষয়ৰ ওপৰত বিতৰ্ক কৰা যেন নালাগে, দবৰা দবৰি লগা যেনহে লাগে। কোনেও কাৰো কথা নুশুনে। অধিৱেশন কালত আক্ৰমণ-প্ৰত্যাক্ৰমণৰ বাহিৰে সমাধান সূত্ৰ প্ৰায়ে নোলায়। কিন্তু বিধায়ক, সাংসদ, মন্ত্ৰী আদিৰ দৰমহা, পেঞ্চন বিশেষ সা-সুবিধা আদি বৃদ্ধিৰ ক্ষেত্ৰত মতামত বা ভোট হ'লে কাৰো দ্বিমত নাথাকে। সেই সময়ত মনৰ ম'হটোক শুৱাই থয়।

তেনেকুৱা সিদ্ধান্ত লোৱাৰ সময়ত বিধায়ক-সাংসদবোৰে ভাল ছাত্ৰৰ দৰে আচৰণ কৰে। তেওঁলোক যেন সদ্ভাৱ সম্প্ৰীতিৰ বাৰ্তাবাহকহে—তেনেকুৱাই লাগে।

**দুৰ্গা পূজাত আধ্যাত্মিকতা থাকেনে ?**

প্ৰতিবছৰে চহৰ-নগৰত দুৰ্গা পূজাৰ প্ৰতিমাক লৈ পূজা সমিতিবোৰৰ মাজত যেন এক প্ৰতিযোগিতাহে চলে। কোনে কিমান ডাঙৰ, ওখ, ধুনীয়া বা দামী প্ৰতিমা প্ৰতিষ্ঠা কৰিব পাৰে তাৰ প্ৰতিহে সমিতিবোৰ তৎপৰ হোৱা দেখা যায়। পূজা মণ্ডপৰ জাকজমকতা, আলোকসজ্জা আৰু লালিত্যৰ ওপৰততহে যেন অধিক গুৰুত্ব দিয়া হয়।

আই দুৰ্গাৰ প্ৰতি ভক্তিভাব বা আধ্যাত্মিকতা জাগ্ৰত কৰাৰ বিপৰীতে বৃত্তি, ব্যৱসায় আৰু লাভালাভৰ ওপৰততহে মনোযোগ দিয়ে। ভক্তৰ ৰূপত মানুহে আনন্দ উপভোগ কৰা আৰু সস্তীয়া মনোৰঞ্জন লোৱাহে লক্ষ্যত ধৰা পৰে। পূজা সেৱাৰ নামত ঘূৰা-ফুৰা,খোলা আৰু আনন্দৰ মজা লোৱা মানুহৰ সংখ্যাই সৰহ। নানা প্ৰকাৰৰ জুতি লগা খাদ্যই সাধাৰণতে প্ৰাথমিকতা পায় সকলোতে।

বাস্তৱিকতে পূজা-সেৱা-ধৰ্ম একো একোটা উপলক্ষহে, অন্তৰ্নিহিত উদ্দেশ্য সদায় থাকে বেলেগ। ধৰ্ম পালনৰ নামত সাধাৰণ মানুহক শাসন, শোষণ কৰি নিয়ন্ত্ৰণত ৰখাটোহে আচল লক্ষ্য। নিজ নিজ বৃত্তিবোৰ বাহাল ৰখাটোহে উদ্দেশ্য। সৰ্বোপৰি ব্যৱসায়টো চলাই নিয়া, লাভৱান হোৱা আৰু প্ৰতিষ্ঠানিকভাৱে ধন-সম্পদৰে গজগজীয়া হোৱাটোহে আচল কথা। মঠ-মন্দিৰ-সত্ৰবোৰ সেয়াই নহয়নে?

ধৰ্ম-পৰম্পৰা ৰক্ষাৰ নামত পদ-পদবী, প্ৰভুত্ব-প্ৰতিপত্তি আৰু ধন-সোণ-ভূমি প্ৰাপ্তিৰ কথা নক'লেও সকলোৱে বুজিব। দেৱী পূজা, ঈশ্বৰ উপাসনা বা গুৰুসেৱা এইবোৰ ৰাইজক দেখুৱাবলৈহে। মূল কথা হৈছে প্ৰাপ্তি। প্ৰাপ্তিহীন পূজা-পাঠ, ভক্তি-ধৰ্ম, নাম-কীৰ্তন ক'ত দেখিছে? য'ত প্ৰাপ্তি নাই তালৈ সকলোৱে পিঠি। য'ত মনোৰঞ্জন নাই তাত ভক্তৰ সমাগমো নাই।

ঈশ্বৰ উপাসনা, পূজা-প্ৰাৰ্থনা এক বিশ্বাসী কল্পনা আৰু সুখস্বপ্নৰ বাহিৰে আন একো নহয়। মাথোঁ মানসিক সকাহ।

তিৰুপতি বালাজীৰ মন্দিৰত হেনো ১৪ হেজাৰ কোটি টকা আৰু ১৪টন সোণ জমা হৈ আছে। এই বৃহৎ পৰিমাণৰ ধন-সোণ ভক্তৰ দ্বাৰা ভগৱানলৈ ভাৰ-ভেটি নে সাহায্য পুঁজি? মন্দিৰ একোটাত যদি এনে ধৰণে ধন-সোণ দিয়া-লোৱাৰ খেল চলি থাকে তাতনো আধ্যাত্মিকতা ক'ত? কোন ঈশ্বৰক ইমান ধন-সোণ লাগে? কিয় লাগে?

**পূজা-সেৱা প্ৰাৰ্থনা মানে কি?**

পূজা মানে আৰাধনা, সেৱা মানে হ'ল প্ৰণাম বা পৰিচৰ্যা, প্ৰাৰ্থনাৰ অৰ্থ হ'ল খোজা—আবেদন কৰা। প্ৰকৃততে গুণ-গান, নাম-কীৰ্তন কৰি ঈশ্বৰক সন্তুষ্ট কৰি আমাৰ প্ৰাপ্তি আদায় কৰা। সুখ-সুবিধা, ধন-সম্পদ, সতি-সন্ততি লাভাৰ্থে ঈশ্বৰৰ আৰাধনা কৰা অৰ্থাৎ তোষামোদৰ আশ্ৰয় লৈ প্ৰাপ্তি আদায় কৰাহে মূল কথা।

সত্য কথা প্ৰকাশ কৰিবলৈ হ'লে ভগৱানে নিজৰ ভালৰ কাৰণে মানুহক সৃষ্টি কৰা নাই বৰঞ্চ চতুৰ মানুহে নিজৰ সুখ-সুবিধা, ধন-সোণ, বংশ-পৰিয়াল আদি প্ৰাপ্তিৰ কাৰণে, আপোন স্বাৰ্থ পূৰণৰ খাতিৰতে ঈশ্বৰক সৃষ্টি কৰি স্থান-কাল-পাত্ৰ ভেদে প্ৰতিষ্ঠা কৰিছে থানে থানে।

*ফোন ঃ ৮৮২২১৮৮৬৭৯*

# অসমীয়া বিজ্ঞান সাহিত্যৰ উৎপত্তি আৰু ক্ৰমবিকাশ

আতিথ্য ফুকন




**অসমীয়া** বিজ্ঞান সাহিত্যৰ ইতিহাস প্ৰায় সাতশ বছৰ প্ৰাচীন। ডাকৰ বচনেৰে মৌখিক সাহিত্যৰ আৰম্ভ হোৱাৰ পাছত ১৫ শতিকাৰ প্ৰথম পৰ্যায়ত লিখিত অসমীয়া বিজ্ঞান সাহিত্যই ভুমুকি মাৰে। ঊনবিংশ শতিকাত মিছনেৰীসকলৰ প্ৰচেষ্টাত পাঠ্যপুথিৰ জৰিয়তে বিজ্ঞান সাহিত্যই কিছু গতি লাভ কৰিছিল। বিংশ শতিকাত বিজ্ঞানৰ অগ্ৰগতি, বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে চৰকাৰী-বেচৰকাৰী প্ৰচেষ্টাই সাহিত্যৰ দিশতো প্ৰভাৱ বিস্তাৰ কৰিছে।

অসমীয়া ভাষাত বিজ্ঞান সাহিত্য চৰ্চাৰ ইতিহাস বিশ্লেষণ কৰিলে দেখা যায় অনূদিত সাহিত্যই এই ক্ষেত্ৰত বিশেষ অগ্ৰাধিকাৰ লাভ কৰিছে। কোচ ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত ১৪৩৪ত 'কিতাৰত মঞ্জৰী' ৰচনাৰ লগে লগে অসমীয়া ভাষাত লিখিত বিজ্ঞান সাহিত্যৰ আৰম্ভণি হয়। এই গ্ৰন্থখন পদ্যত ৰচনা কৰা হৈছিল। য'ত ৰাজকীয় বস্তু-বাহানিৰ হিচাপ, যোগ-বিয়োগ, পূৰণ-হৰণৰ উপৰি বীজগণিতীয়া সমীকৰণ, বৰ্গমূল, ঘনমূল আদি উলিওৱাৰ নিয়ম সন্নিবিষ্ট কৰা হৈছে। উল্লেখ্য যে অসমীয়া ভাষাত খ্ৰীষ্টীয় চতুৰ্থ বা ষষ্ঠ শতিকাৰ পৰা আৰম্ভ হোৱা বুলি বিশ্বাস কৰা ডাকৰ বচন বৰ্তমান সময়তো প্ৰাসংগিক হৈ আছে। তাৰ ভিতৰত ৰন্ধন প্ৰণালী, কৃষিনীতি, স্বাস্থ্য বিষয়ক প্ৰবচনসমূহ উল্লেখযোগ্য। যেনে—

'ঘন ঘনকৈ দিবা আলি। পৰ্বততো কৰিবা শালি।'

'এহাত এমুঠন কলৰ পোত। তেহে চাবা কলৰ গোট।'

'ভাত খাই তিনি শিলিখা। তাৰ মানত ৰোগ তিলিকা।'

ডাকৰ বচনত উল্লেখ থকা এই প্ৰবচনসমূহৰ সৰহ সংখ্যক কথাকে আধুনিক বিজ্ঞানেও সমৰ্থন কৰে। 'কিতাৰত মঞ্জৰীৰ' পাছত অসমীয়া ভাষাত ৰচিত উল্লেখযোগ্য বিজ্ঞান গ্ৰন্থখন হ'ল কবিৰাজ চক্ৰৱৰ্তীৰ 'ভাস্বতী'। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পৃষ্ঠপোষকতাত একাদশ শতিকাত ৰচিত হোৱা সংস্কৃত গ্ৰন্থৰ আধাৰত ১৬৯৫ খ্ৰীষ্টাব্দত এই গ্ৰন্থখন লিখা হৈছিল। ১৭৩৪ত স্বৰ্গদেউ শিৱসিংহ আৰু ৰাণী অম্বিকাৰ পৃষ্ঠপোষকতাত সুকুমাৰ বৰকাথে ৰচনা কৰা, দিলবৰ আৰু দোসাইৰ দ্বাৰা চিত্ৰাংকিত 'হস্তীবিদ্যাৰ্ণৱ' অসমীয়া বিজ্ঞান সাহিত্যৰ এক অপূৰ্ব সংযোজন। ১১৪ বিধ দঁতাল আৰু ১৭ বিধ মাখুন্দী হাতীৰ বিষয়ে উল্লেখ থকা এই গ্ৰন্থখন অসম প্ৰকাশন পৰিষদে পুনৰ 'হস্তীবিদ্যাৰ্ণৱ সাৰ সংগ্ৰহ' নামেৰে প্ৰকাশ কৰি উলিয়াইছে। তদুপৰি দৰঙী ৰজাৰ শাসন কালতে ১৮ শতিকাত 'ঘোঁৰা নিদান' স্বৰ্গদেউ লক্ষ্মী সিংহৰ পৃষ্ঠপোষকতাত অনংগ কবিৰাজৰ দ্বাৰা ৰচিত বৈদ্যকল্পতৰু ১৮৫০ত ব্ৰজনাথ শৰ্মাৰ 'বৈদসাৰোদ্ধাৰ' শ্ৰীদামোদৰৰ 'চিকিৎসা সংহিতা' অনামী লেখকৰ 'বৈদকল্পদ্ৰুম', 'নিদান সংগ্ৰহ' আৰু 'চিকিৎসাৰ্ণৱ' আদিয়ে প্ৰাচীন অসমত বিজ্ঞান চৰ্চাৰ সৱল ভেটি প্ৰতিষ্ঠাৰ প্ৰমাণ কৰে।

প্ৰথম অসমীয়া কাকত 'অৰুণোদই'য়ে প্ৰথম বছৰৰ দ্বিতীয় সংখ্যাৰ পৰা (ফেব্ৰুৱাৰী-১৮৪৬) বিজ্ঞান বিষয়ক ৰচনা প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। 'গ্ৰহৰ বিৱৰণ' আৰু 'প্ৰিথিৱিৰ আকাৰৰ বিসই' এই দুই ৰচনাৰ আৰম্ভ কৰি কাকতখন বন্ধ হৈ যোৱাৰ পৰলৈকে অৰ্থাৎ ১৮৮০লৈকে নিৰৱচ্ছিন্নভাৱে বিজ্ঞান লেখা প্ৰকাশ কৰি অৰুণোদইয়ে অসমীয়া বিজ্ঞান সাহিত্যৰ ভেটি সুদৃঢ় কৰি তোলে। সাধাৰণ পাঠকক আকৃষ্ট কৰিব পৰাকৈ অৰুণোদইত কবিতাৰ মাধ্যমেৰেও বিজ্ঞান প্ৰকাশ কৰা হৈছিল—

'সকলো জন্তুৰ মাজত
তিমি অতি ভয়ংকৰ,
সাগৰ মধ্যে থাকে সিটো
দেখি লাগে ভৰ,
তথাপিও তাৰ ওপৰত
মানুহ অধিকাৰ,
সেই কাৰণে মাৰি তাৰ
লই তেল হাৰ;
বহুলোকে জাহাজেৰে ফুৰি থাকি সদায়
অতি দুখে মাৰি তাক বৰ লাভ পাই।'
(অৰুণোদই, নৱেম্বৰ, ১৮৪৬)

অৰুণোদইৰ পাছত ক্ৰমে আসাম বন্ধু, মৌ, জোনাকী, বিজুলী, ঊষা, বাঁহী, আৱাহন, ৰামধেনু তদুপৰি বৰ্তমানৰ সঁফুৰা, গৰীয়সী, প্ৰান্তিক, বিস্ময় ইত্যাদি আলোচনীতো বিজ্ঞানৰ বিভিন্ন বিষয় উল্লেখ কৰি বিজ্ঞানৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছে।

প্ৰথম অসমীয়া বিজ্ঞান আলোচনী 'পশুপালন'ৰ পাছত ১৯৬১ৰ পৰা অসম বিজ্ঞান সমিতিয়ে প্ৰকাশ কৰা 'বিজ্ঞান জেউতি'ৰ আবিৰ্ভাৱে অসমীয়া বিজ্ঞান সাহিত্যৰ ধাৰাটোক অধিক শক্তিশালী কৰি তুলিলে।

অসমীয়া সাহিত্যত সামগ্ৰিকভাৱে কল্পবিজ্ঞান ভিত্তিক সাহিত্যই সুকীয়া স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ১৯৩৭ত 'আৱাহন'ত হৰিপ্ৰসাদ বৰুৱাই 'বিৰচতীয়াৰ দেশ' নামৰ গল্পৰ দ্বাৰা অসমীয়া সাহিত্যত প্ৰথম কল্প বিজ্ঞানৰ আৰম্ভ কৰে। লক্ষ্মীনন্দন বৰাই 'কায়কল্প'ৰ দৰে কল্পবিজ্ঞান ভিত্তিক উপন্যাস ৰচনা কৰি 'সৰস্বতী'ৰ সন্মান লাভ কৰি অসমীয়া বিজ্ঞান সাহিত্যলৈ আশাৰ বতৰা কঢ়িয়াই আনে। কবি নৱকান্ত বৰুৱাই ৰচনা কৰা এখন উল্লেখযোগ্য বিজ্ঞান ভিত্তিক উপন্যাস হ'ল 'অপদাৰ্থ'। তদুপৰি সৌৰভ কুমাৰ চলিহা, বন্দিতা ফুকন, শান্তনু তামুলী আদিয়েও কল্প বিজ্ঞানৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াইছে। 'যুগসন্ধানী' 'ভদ্ৰতামাপকযন্ত্ৰ','যাত্ৰা', 'কথাশিল্পী','শেষ প্ৰস্তুতি', 'এনিমেল থট প্ৰভাইদাৰ' আদি ড° দীনেশ চন্দ্ৰ গোস্বামীৰ ৰেডিঅ' নাটক। ড° সুশীল গোস্বামীৰ 'মন গুহাৰ অন্ধকাৰত' ড° শ্যামাপ্ৰসাদ শৰ্মাৰ 'বিশ্বাস', 'মথাউৰি', প্ৰসিদ্ধ নাট্যকাৰ অৰুণ শৰ্মাৰ 'স্বাৰ' আদি বিজ্ঞান নাটকসমূহ অসমীয়া বিজ্ঞান সাহিত্যত উল্লেখযোগ্য সংযোজন। তদুপৰি অসম বিজ্ঞান সমিতিৰ 'অসমীয়া বৈজ্ঞানিক পৰিভাষা', গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'অসমীয়া বৈজ্ঞানিক পৰিভাষা', অসম বিজ্ঞান সমিতিৰ 'বিজ্ঞান অভিধান' আৰু অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত তিনিটা খণ্ডৰ 'বিশ্বকোষ' আদিয়ে অসমীয়া বিজ্ঞান সাহিত্যৰ সৃষ্টিৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাইছে। শেষত ক'ব পাৰি যে সুখপাঠ্য আৰু শক্তিশালী বিজ্ঞান সাহিত্যই মানুহক বিজ্ঞানমুখী হোৱাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সমাজ, ৰাজ্য আৰু ৰাষ্ট্ৰৰ বিকাশৰ বাবেও নাগৰিকৰ বিজ্ঞানমুখী মনটো অতি প্ৰয়োজন। তদুপৰি বিজ্ঞান সাহিত্যৰ শ্ৰীবৃদ্ধি, বিকাশে সামগ্ৰিক ৰূপত সাহিত্যৰ ধাৰাটোকো শক্তিশালী কৰিছে।

*ফোন ঃ ৯৭০৭৫৭৪৬৪৪*

# নিশকতীয়া ফুলৰ পুলি দক্ষ হাতৰ মালী

**দক্ষজনৰ হাতত পৰিলে শিলৰ লেখীয়া কঠিন বস্তুও যিদৰে অপূৰ্ব ভাস্কৰ্যলৈ পৰ্যবসিত হয়, ঠিক তেনেদৰে দক্ষতা সম্পন্ন মালীৰ হাততো নিশকতীয়া গছ পুলি এটি লহপহকৈ ঠন ধৰি উঠে। গছ বা ফুলৰ যিবোৰ পুলি মাটি ফুটি ওলাওঁতেই তজবজীয়া হৈ উঠে, বিশেষ কোনো যত্নৰ অবিহনেই সেইবোৰ পুলিক অতি সহজে ডাঙৰ-দীঘল কৰি তুলিব পাৰি**

ৰীণা বিশ্বাস





**সুচল** আৰু সকলোৰে পৰিচিত বাট এটাৰে আগবাঢ়ি গৈ বিশেষ এটা গন্তব্য স্থানত উপনীত হোৱাটো সহজ কথা; কিন্তু সেই বাট মুকলি কৰিবলৈ যাওঁতে গচকত কিমান দুবৰি মৰা পৰিছে তাৰ কোনো লেখ-জোখ নাথাকে। তৃণ-লতা কাটি কাটি আগবাঢ়ি যাওঁতে কিমান বাঘ-ঘোঙৰ সন্মুখীন হ'ব লগা হৈ সৰ্বশেষত বাটটো কাৰ দ্বাৰা মুকলি কৰা হৈছে, সেইটোৱেই আচল কথা। অৰ্থাৎ নতুনকৈ বাট এটা কাটি হেজাৰ প্ৰত্যাহ্বানকো নেওচি নিজেও আগবাঢ়ি গৈ আনলৈয়ো সেই বাটৰ চানেকি ৰাখি থৈ যাব পৰাটোহে শলাগিবলগীয়া কথা। পূৰ্ব-প্ৰস্তুত সুগম পৰিৱেশ এটাত যিকোনো কাম সম্পন্ন কৰাটো যিমান সহজ-সাধ্য আৰু সন্তুষ্টিদায়ক, তাৰ বিপৰীতে কঠিন পৰিস্থিতিৰ মাজতো উপযুক্ত পৰিৱেশ এটা নিজে সৃষ্টি কৰি নিজ কাৰ্য সম্পাদন কৰাটো যথেষ্ট কঠিন। বহুত ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিহে এনেকুৱা জটিল বাট এটা সৰল কৰি পৰিস্থিতি নিজৰ অনুকূলে গঢ়ি তোলাটো সম্ভৱপৰ হয় ।

ভাস্কৰে পাহাৰৰ গাত আপচু হৈ লাগি থকা, একো গঢ়-গতি নথকা, কিম্ভুত-কিমাকাৰ কঠিন শিলকো নিজ হাতৰ পৰশেৰে লনি মুখৰ মসৃণ প্ৰতিমালৈ ৰূপান্তৰিত কৰিব পাৰে। কঠিন শিলৰ পৰা কুন্দত কটা মূৰ্তি প্ৰস্তুত কৰিবলৈ যাওঁতে ভাস্কৰ নিজে শিল হৈ নাযায়; বৰঞ্চ ভাস্কৰৰ হৃদয়ৰ কোমল কলাসুলভ অনুভূতিয়ে প্ৰাণহীন শিলৰ পৰা গঢ়ি তুলিব পাৰে এনেকুৱা নিখুঁত মূৰ্তি যেন ঈশ্বৰে সেই মূৰ্তিত প্ৰাণ ভৰাই দিলেই সেইবোৰ হৈ পৰিব জীৱন্ত মানৱ-মানৱী।

দক্ষজনৰ হাতত পৰিলে শিলৰ লেখীয়া কঠিন বস্তুও যিদৰে অপূৰ্ব ভাস্কৰ্যলৈ পৰ্যবসিত হয়, তেনেদৰে দক্ষতা সম্পন্ন মালীৰ হাততো নিশকতীয়া গছপুলি এটি লহপহকৈ ঠন ধৰি উঠে। গছ বা ফুলৰ যিবোৰ পুলি মাটি ফুটি ওলাওঁতেই তজবজীয়া হৈ উঠে, বিশেষ কোনো যত্ন অবিহনেই, সেইবোৰ পুলিক অতি সহজে ডাঙৰ-দীঘল কৰি তুলিব পাৰি। কিন্তু গছ বা ফুলৰ নিশকতীয়া পুলি এটাক জীয়াই তুলিবলৈ অহোপুৰুষাৰ্থৰ প্ৰয়োজন। দক্ষ মালীৰ হাতত সেই নিশকতীয়া পুলিও ঠন ধৰি উঠি সময়ত ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে।

ওপৰত উল্লেখ কৰা উদাহৰণ দুটা শিক্ষা ব্যৱস্থাৰ লগতো তুলনা কৰিব পৰা যায়। আমি সকলোৱে জানো যে যিকোনো শিক্ষা আহৰণ কৰিবলৈ প্ৰতিটো শিশু সমান বুদ্ধিমত্তাৰ অধিকাৰী হৈ জন্ম নলয়। কিছুমান ছাত্ৰ-ছাত্ৰী আছে যিসকলে বিষয় এটা এবাৰ ভালদৰে বুজাই দিলেই বুজে, কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এবাৰত নহয় বাৰে বাৰে বুজাই দিলেহে বুজি পায় আৰু কিছুমান ছাত্ৰ-ছাত্ৰী আছে যিসকলক শিক্ষকে শিলত মূৰ আফালি বুজাই দিলেও বুজি নাপায়। এতিয়া কথা হ'ল যিসকলে এবাৰতে বুজে তেওঁলোক জন্মগতভাৱেই সহজে আয়ত্ত কৰিব পৰা গুণৰ অধিকাৰী। তেওঁলোকক মেধাৱী বুলি কোৱা হয়। আৰু যিসকলে একাধিকবাৰ বুজাই দিলে পাঠ আয়ত্ত কৰিব পাৰে তেওঁলোকে জন্মগতভাৱে সহজে আয়ত্ত কৰিব পৰা গুণৰ অধিকাৰী নহয় যদিও পুনৰ চেষ্টাৰ ফলত নিজকে কৃতকাৰ্য কৰি তুলিব পাৰে। কিন্তু যিসকল ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাৰে বুজাই দিয়াৰ পাছতো বিষয় পাঠ আয়ত্ত কৰিব নোৱাৰে, অথবা প্ৰতিটো বিষয়ত কৃতকাৰ্যতা দেখুৱাব নোৱাৰে, তেনে ছাত্ৰ-ছাত্ৰীক নিশকতীয়া ফুলৰ পুলিটোৰ লগত তুলনা কৰিব পাৰি। তেনে ছাত্ৰ-ছাত্ৰীক প্ৰতিটো বিষয়ত দক্ষ কৰি ভাল ছাত্ৰ বা ছাত্ৰী হিচাপে গঢ়ি তোলাটোৱেই এজন দক্ষ মালীৰ দৰে এজন দক্ষ শিক্ষকৰো ভূমিকা। সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়েই প্ৰতিটো বিষয়ৰ পাঠ সমানে আয়ত্ত কৰিবলৈ সক্ষম নহয়। তেনে ক্ষেত্ৰত প্ৰতিজন বিষয় শিক্ষকৰ ভূমিকা এজন দক্ষ হাতৰ মালীৰ দৰেই হ'ব লাগিব। আনহাতে, এই কথাষাৰৰ সপক্ষে-বিপক্ষে যুক্তিৰো অভাৱ নাই। সপক্ষে ক'বলৈ হ'লে এজন ছাত্ৰ বা ছাত্ৰীক প্ৰাথমিক পৰ্যায়ৰ পৰাই দক্ষ শিক্ষকে পাঠদানৰ দ্বাৰা বুজাই-বঢ়াই নল'লে ওপৰ শ্ৰেণীত সেই কাম কৰা সম্ভৱ নহয়। ইয়াৰ বিপৰীতে ক'ব পাৰি যে শিক্ষা আৰু জ্ঞানৰ প্ৰতি বিন্দুমাত্ৰও ধাউতি নথকা ছাত্ৰ বা ছাত্ৰী এগৰাকীক বিদ্যায়তনিক যিকোনো শ্ৰেণীত এজন দক্ষ আৰু ধৈৰ্যশীল শিক্ষকে শিক্ষা আৰু জ্ঞানৰ প্ৰতি ধাউতি সৃষ্টি কৰি এজন ভাল ছাত্ৰ বা ভাল ছাত্ৰী হিচাপে গঢ় দিব পৰাটোৱেই শিক্ষকজনৰ নিজৰ বৃত্তিটোৰ ওচৰত প্ৰত্যাহ্বান। প্ৰত্যাহ্বান অবিহনে সৰল ৰেখাৰ বাটৰ পথিক আৰু শান্ত সমুদ্ৰৰ নাৱিকৰ অৱস্থা একেই। ছাত্ৰ-ছাত্ৰী সকলক প্ৰাথমিক পৰ্যায়ৰ পৰা প্ৰতিটো বিষয়ত দক্ষ আৰু পাৰদৰ্শী কৰি তুলিবলৈকে শিক্ষক অথবা গুৰুৰ ভূমিকা স্বীকাৰ কৰা হয়। বৈদিক যুগৰে পৰা শিক্ষাদান আৰু শিক্ষা গ্ৰহণৰ বাবে গুৰু-শিষ্যৰ এটি অটুট বন্ধন আৰু সম্পৰ্কৰ কথা ভাৰতীয় আদৰ্শৰ অন্তৰ্ভুক্ত বিষয়। কিন্তু বৰ্তমান যুগত শিক্ষা, শিক্ষক আৰু শিক্ষা প্ৰতিষ্ঠান এই তিনিটা বিষয়ত এটা যান্ত্ৰিক পৰিৱৰ্তন লক্ষ্য কৰিও আমি চকু মুদা কুলিৰ ভাও লৈ থাকো। সময়ৰ পৰিৱৰ্তনৰ অজুহাত দি এই তিনিওটা বিষয়ত এনেকুৱা এটা সংস্কাৰমূলক নীতি লোৱা হৈছে যাৰ দ্বাৰা কাৰ কি লক্ষ্য পূৰণ হৈছে তাৰ ভূ পাবলৈ হয়তো আমাৰ দৰে সাধাৰণ নৰমনিচ সক্ষম নহয়। উদাহৰণ স্বৰূপে কোনো এটা শিক্ষা প্ৰতিষ্ঠান বিখ্যাত হয় শিক্ষকসকলৰ পাণ্ডিত্যপূৰ্ণ দক্ষতাৰে নে গৰিষ্ঠ সংখ্যক মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীৰে? বৰ্তমান শিক্ষা ব্যৱস্থাত চৰকাৰী অথবা ব্যক্তিগত খণ্ড সকলোতে মেধাৱী আৰু পাৰদৰ্শী ছাত্ৰ-ছাত্ৰীক অগ্ৰাধিকাৰ দিয়াৰ বাবে কাট-অফ-মাৰ্কৰ ব্যৱস্থা কৰা হয়। এতিয়া প্ৰশ্ন হয়, যদি প্ৰতিজন ছাত্ৰ-ছাত্ৰী নিজগুণেই দক্ষ হোৱাটো কামনা কৰা হয়, তেনেহ'লে শিক্ষাগুৰুৰ দক্ষতা আৰু পাণ্ডিত্যৰ ভূমিকা থাকিব ক'ত ? কুমাৰৰ চকৰীত কোমল মাটি যিয়েই যোগান নধৰক কিয়, উৎকৃষ্ট পাত্ৰ গঢ়ি তুলিবলৈ কুমাৰৰ হাতৰ আঙুলিয়েই প্ৰমাণ দিয়াৰ লেখীয়াকৈ ছাত্ৰ-ছাত্ৰী মেধাৱী হওক অথবা ভোটা স্বভাৱৰে হওক, সিও নিৰ্ভৰ কৰে শিক্ষক আৰু বিদ্যালয়ৰ নিয়ম শৃংখলাৰ ওপৰত।

প্ৰাথমিক পৰ্যায়ৰ পৰাই শিক্ষাৰ ঘাই ভেটিটো সবল কৰি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব নিদি চূড়ান্ত বৰ্ষত ছাত্ৰ-ছাত্ৰীসকল মেধাগুণ সম্পন্ন হোৱাটো কামনা কৰিলে সেয়া চকু মুদা কুলিৰ দৰে ভাও জোৰাৰ লেখীয়া নহ'ব নে ? বাংলাত এষাৰ প্ৰবচন আছে —

'জাগিয়াও যে না দেয় ৰাও,
সে জানে ৰাজ্যেৰ ভাও।'

অৰ্থাৎ চৰকাৰী বিদ্যালয়সমূহত প্ৰাক্‌প্ৰাথমিক পৰ্যায়ৰ পৰাই নিয়ম আৰু কঠোৰ শাসনৰ মাধ্যমেৰে প্ৰতিটো বিষয়তে প্ৰতিজন ছাত্ৰ বা ছাত্ৰীক জ্ঞান আয়ত্ত কৰিব পৰাকৈ গঢ়ি তোলাৰ ক্ষেত্ৰত অনীহাৰ বাবেই চূড়ান্ত পৰ্যায়লৈ গৈ সিংহভাগ ছাত্ৰ-ছাত্ৰী মেধা গুণৰ পৰা আঁতৰি আহে। তাৰ মাজতে যিসকল অভিভাৱক সচেতন আৰু আৰ্থিকভাৱে সক্ষম তেওঁলোকে কেৱল পঢ়াশালিৰ শিক্ষাৰ ওপৰত নিৰ্ভৰ হৈ নাথাকি ঘৰুৱা শিক্ষকৰ ব্যৱস্থা কৰে; ফলত সেইসকল ছাত্ৰ-ছাত্ৰী সময়ত গৈ প্ৰতিটো বিষয় ভাল দৰে আয়ত্ত কৰি মেধা গুণ সম্পন্ন হয়। কিন্তু চৰকাৰী বিদ্যালয়ৰ ক্ষেত্ৰত তেনেকুৱা সচেতন আৰু আৰ্থিকভাৱে টনকিয়াল অভিভাৱকৰ সংখ্যা 'এপাচি শাকত এটা জালুকৰ সমান।'

তদুপৰি বৰ্তমান শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ ওপৰত ভিত্তি কৰি দ্বাদশ শ্ৰেণীত যিসকল ছাত্ৰ-ছাত্ৰীয়ে মেধাৰ পৰিচয় দি উত্তীৰ্ণ হয় সেইসকলে যিকোনো 'লাইন' ধৰি ভৱিষ্যতে অধ্যয়ন কৰিবলৈ NEET, CAT আদি পৰীক্ষাসমূহ অতিক্ৰম কৰিবলৈ ব্যয়বহুল ক'চিং চেন্টাৰবোৰত নামভৰ্তি কৰে। তাতো একেই কথাকে সাৰোগত কৰি যিসকল ছাত্ৰ-ছাত্ৰী মেধাসম্পন্ন সেইসকলে এই ক'চিং প্ৰতিষ্ঠানৰ যোগেদি মেডিকেল অথবা ইঞ্জিনীয়াৰিং পঢ়িবলৈ উত্তীৰ্ণ হৈছে বুলি বৃহৎ বৃহৎ বেনাৰ সাজি বাতৰি কাকত আৰু সামাজিক মাধ্যমৰ দ্বাৰা প্ৰচাৰ চলায়। গতিকে এনেকুৱা প্ৰতিষ্ঠানবোৰে যে সাধাৰণ মানুহক মাধমাৰ শোধাই লাখ লাখ টকা পৰিশোধ কৰিবলৈ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক সকলকো বাধ্য কৰায় তাত কোনো দ্বিমত থাকিব নোৱাৰে। এতিয়া কথা হ'ল যদি ছাত্ৰ বা ছাত্ৰীগৰাকী চূড়ান্ত পৰীক্ষাত মেধাৰ পৰিচয় দিয়েই থৈছে, তেনেহ'লে মেডিকেল অথবা ইঞ্জিনীয়াৰিং পঢ়িবলৈ কিয় এনেকুৱা ব্যয়বহুল ক'চিং চেন্টাৰবোৰৰ অধীনলৈ যাব লগা হয় ? তাৰ উপৰি যিসকল অভিভাৱক আৰ্থিকভাৱে টনকিয়াল নহয় আৰু তেওঁলোকৰো সন্তানে সুখ্যাতিৰে চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ভৱিষ্যতে এজন সু-চিকিৎসক বা অভিযন্তাৰ হোৱাৰ সপোন দেখে, তেনেহ'লে তেনেকুৱা অপাৰগ অভিভাৱকে কেনেকৈ নিজৰ সন্তানক এনে ব্যয়বহুল ক'চিং চেন্টাৰত ভৰ্তি কৰাব? গতিকে বৰ্তমান শিক্ষা ব্যৱস্থাৰ এনে গঢ়-গতিলৈ চাই আমি থিৰাং কৰিব নোৱাৰো যে প্ৰাক-প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানলৈকে শিক্ষকসকলৰ ভূমিকা কি? তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলৰ মেধা-গুণ, দক্ষতা আদিৰ লগতে যে বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই মাধ্যমিক পৰ্যায়লৈ বিষয়বোৰ বুজি উঠিবলৈ সক্ষম নহয়, সেই কথাৰ প্ৰতি সুদৃষ্টি প্ৰদান কৰেনে ? এই ক্ষেত্ৰত অনেকেই মত প্ৰকাশ কৰিব যে চৰকাৰৰ সৰ্বশিক্ষা মিছনেই ইয়াৰ বাবে জগৰীয়া। চৰকাৰৰ সৰ্বশিক্ষা মিছনে সমাজৰ সকলো শিশুকে ১৪ বছৰ পৰ্যন্ত বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰিছে। ভাৰতৰ দৰে এখন বিশাল উন্নয়নশীল ৰাষ্ট্ৰৰ বাবে চৰকাৰৰ সৰ্বশিক্ষা আঁচনিক আমি জগৰীয়া নকৰো; বৰঞ্চ চৰকাৰী হওক অথবা বেচৰকাৰী হওক, যিকোনো বিদ্যালয়তে দক্ষতা-সম্পন্ন শিক্ষকৰ দ্বাৰাইহে ছাত্ৰ-ছাত্ৰীৰ মেধাগুণৰ পৰিচয় পোৱা যায়। প্ৰথম শিক্ষা, তাৰ পাছত শিক্ষক আৰু সৰ্বশেষত শিক্ষাৰ্থী।

গতিকে বিদ্যায়তনিক শিক্ষা মানেই প্ৰাক-প্ৰাথমিকৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে এটা সুদীৰ্ঘ পৰিক্ৰমা। অত এব, ছাত্ৰ-ছাত্ৰীসকলক প্ৰাক-প্ৰাথমিক পৰ্যায়তে ভাষা শিক্ষণ, সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান আৰু সমাজ অধ্যয়নৰ দৰে বিষয়বিলাকৰ প্ৰতি ধাউতি বঢ়াবলৈ মাতৃভাষাৰ লগতে হিন্দী, ইংৰাজী আদি ভাষা শিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কঠোৰ শৃংখলাৱদ্ধতা অৱলম্বন নকৰিলে সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়েই সাধাৰণ মেধাগুণৰ পৰা বঞ্চিত হ'ব লগা হয়। কিন্তু এই ক্ষেত্ৰত চৰকাৰী বিদ্যালয়ৰ তুলনাত বেচৰকাৰী বিদ্যালয়বোৰত বিশেষকৈ ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰত প্ৰাক-প্ৰাথমিক পৰ্যায়ৰে পৰা বিশেষ গুৰুত্ব আৰোপ কৰা হয় বাবে বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী পৰ্যায়ক্ৰমে ওপৰ শ্ৰেণীলৈ গৈ ওপৰত উল্লেখ কৰা বিষয়সমূহ আয়ত্ত কৰিবলৈ বিশেষ অসুবিধাৰ সন্মুখীন নহয়। বৈজ্ঞানিক বিশ্লেষণে যদিওবা কাৰণ দৰ্শায় যে সকলো ছাত্ৰ-ছাত্ৰী বিষয় জ্ঞান আয়ত্ত কৰাৰ ক্ষেত্ৰত সমান মেধাৰ নহয় কিন্তু বিজ্ঞানৰ যুক্তি আমি খণ্ডন কৰিব নোৱাৰিলেও এটা কথা ডাঠি ক'ব পাৰি যে মেধা গুণ কোনো ছাত্ৰ-ছাত্ৰীয়েই জন্মৰ পৰাই নিজৰ লগত লৈ নাহে। বৰঞ্চ ঘৰুৱা পৰিৱেশত লালন-পালন আৰু বিদ্যালয়ত প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত ধাৰ্য কৰা বিষয় সমূহ আয়ত্ত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আছে আৰু সেই ক্ষেত্ৰত দক্ষতা সম্পন্ন শিক্ষকৰ ভূমিকা অনস্বীকাৰ্য।

ব্ৰিটিছসকলে আমাৰ দেশ এৰি গুচি যোৱাৰ পাছত অৰ্থাৎ পঞ্চাছ-ষাঠিৰ দশকত বেচৰকাৰী বিদ্যালয় বুলি কোনো বিদ্যালয় নাছিল বৰঞ্চ বিদ্যালয় বুলিয়েই প্ৰথমে শিক্ষকসকলৰ কঠোৰ নীতি আৰু শৃংখলাৱদ্ধতাৰ উমান পোৱা গৈছিল। সেই কালত তেনে বিদ্যালয়তে পঢ়া-শুনা কৰি লগতে হাল-কোৰ বাই আমাৰ অসমৰ অনেক স্বনামধন্য ব্যক্তিয়ে পাণ্ডিত্যৰ পৰিচয় দাঙি ধৰি থৈ গৈছে। ইয়াতে গোবিন্দ প্ৰসাদ শৰ্মাৰ সদ্য প্ৰকাশিত 'জীৱন নৈৰ জাঁজি' নামৰ আত্মজীৱনীমূলক গ্ৰন্থত উল্লেখ কৰা তেওঁৰ ব্যক্তিগত শিক্ষা জীৱনৰ উদাহৰণ দিয়াৰ লোভ সামৰিব নোৱাৰিলো। লেখকে কেনেকৈ টিহু হাইস্কুলত অসমীয়া মাধ্যমত পঢ়া-শুনা কৰিও অসমীয়া ভাষাৰ সমানে ইংৰাজী সলসলীয়াকৈ ক'বলৈ শিকিছিল আৰু বিজ্ঞান শিক্ষাৰ প্ৰতি ধাউতি বাঢ়ি এসময়ত মেডিকেল কলেজত ছিট পাইছিল যদিও আৰ্থিক অৱস্থাৰ বিধি-পথালিৰ বাবে কলা শাখাতেই অধ্যয়ন কৰি গৱেষণাৰ কামো কৰিছিল। তেওঁ তেওঁৰ এনে কৃতকাৰ্যতাক সম্পূৰ্ণ শিক্ষকসকলৰ অহোপুৰুষাৰ্থ আৰু শৃংখলাৱদ্ধতাৰ ওপৰত অৰ্পণ কৰিছে।

শিক্ষকসকল সমাজৰ মেৰুদণ্ডস্বৰূপ। কুমলীয়া বয়সত সহজেই ভাঁজ ল'ব পৰা দেশৰ ধৰণীস্বৰূপ নতুন প্ৰজন্মক উপযুক্ত ৰূপত গঢ়ি তুলি দেশৰ মংগলৰ কামত নিয়োগ কৰাই শিক্ষকসকলৰ পৱিত্ৰ উদ্দেশ্য। কাৰণ শিক্ষক আৰু অভিভাৱকে কাটি দিয়া বাটেৰেই নতুন প্ৰজন্মস্বৰূপ ছাত্ৰ-ছাত্ৰীসকলে আগবাঢ়ি গৈ দেশৰ উন্নতিত ইন্ধন যোগাব পাৰে। যেনেকৈ মালীয়ে ফুলনিত সকলো ধৰণৰ ফুলৰ পুলি লালন-পালন কৰি এসময়ত প্ৰতিজোপা গছৰ পৰাই নানাৰঙী ফুল ফুলাব পাৰে, ঠিক তেনেকৈ প্ৰতিজন ছাত্ৰও যাতে দক্ষ শিক্ষকৰ হাতত পৰি ভৱিষ্যতে একোজন সুনাগৰিক হিচাপে গঢ় ল'ব পাৰে সেয়াই শিক্ষাৰ মুখ্য উদ্দেশ্য। শিক্ষা-শিক্ষক আৰু শিক্ষাৰ্থী এই তিনিও এখন সাঁকোৰ দৰেই। সাঁকোখন মজবুত, অক্ষত আৰু সদা-অটুট থাকিবলৈ তিনিওটা বিষয় একে পৰস্পৰৰ পৰিপূৰক।

*ফোন ঃ ৭০০২৭ ৩৪৯৬২*

# মহাভৈৰৱ-ভৈৰৱী মন্দিৰৰ তথ্যৰে 'ভৈৰৱ-ভৈৰৱী' গ্ৰন্থ উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ দুখন বহু পুৰণি পীঠ স্থান হৈছে ভৈৰৱ আৰু ভৈৰৱী। বহুতেই মহা ভৈৰৱ আৰু মহা ভৈৰৱী বুলিও কয়। 'মাই থান' নামেও জনাজাত ভৈৰৱী আৰু ভৈৰৱীৰ ভৈৰৱ নামে পৰিচিত মহাভৈৰৱ। এই দুখন থান প্ৰকৃততে কিমান পুৰণি আজিও কোনেও ঠাৰৰ কৰিব পৰা নাই। শিৱ উপাসক শৈৱ আৰু দেৱী উপাসক শাক্ত এই দুয়োটা পন্থাই অনাৰ্য সকলৰ উপাস্য হোৱাত তেজপুৰত এই দুয়োটা মন্দিৰ যে বহু পুৰণি তাত কাৰো দ্বি-মত নাই। উল্লেখ্য যে তেজপুৰলৈ অহা পৰ্যটকৰ মাজৰে ইতিহাস অনুসন্ধিৎসু সকলে যেনেদৰে ঐতিহাসিক সম্পদসমূহৰ সম্পূৰ্ণ ঐতিহাসিক তথ্য জনাৰ আগ্ৰহ প্ৰকাশ কৰে, সেইদৰে ধৰ্মীয় পৰ্যটনৰ ক্ষেত্ৰতো প্ৰাচীন মঠ-মন্দিৰসমূহৰ ঐতিহাসিক ভিত্তিয়ে যথেষ্ট গুৰুত্ব লাভ কৰে। অথচ তেজপুৰৰ বিখ্যাত মহাভৈৰৱৰ মন্দিৰ আৰু ভৈৰৱী মন্দিৰৰ সন্দৰ্ভত সঠিক তথ্য বহু পৰ্যটক বা তীৰ্থযাত্ৰীয়ে বিচাৰে যদিও সেয়া সহজলভ্য নাছিল। তেজপুৰৰ ইতিহাস অনুসন্ধিৎসু লেখক তথা অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ সম্পাদক শান্তনু বৰুৱাই এই বিষয়বস্তুৰে এখন গ্ৰন্থখন লিখাৰ পাছতে ত্ৰিবাহু প্ৰকাশন গোষ্ঠীয়ে প্ৰকাশ কৰিবলৈ আগবাঢ়ি আহে আৰু আজি তেজপুৰস্থিত সদৌ অসম সাংবাদিক সন্থাৰ মুখ্য কাৰ্যালয়ত উন্মোচিত হয়। সদৌ অসম সাংবাদিক সন্থাৰ সভাপতি পংকজ কুমাৰ নাথ, অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ সভাপতি পুলিন ভট্টাচাৰ্য, জ্যেষ্ঠ সাংবাদিক-লেখক অঞ্জন গোস্বামী আদিৰ উপস্থিতিত গ্ৰন্থখন উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক-লেখক নবীন চন্দ্ৰ লহকৰে। গ্ৰন্থখন উন্মোচন কৰি লহকৰে কয় যে তেজপুৰলৈ অহা পৰ্যটকসকলৰ লগতে নতুন প্ৰজন্ম আৰু আগ্ৰহী প্ৰতিজন লোকে থাওকতে তেজপুৰৰ পৌৰাণিক ঠাইখণ্ডৰ সবিশেষ জানিবৰ বাবে এনে গ্ৰন্থৰ খুবেই প্ৰয়োজন আছিল। সেই প্ৰয়োজন পূৰণ কৰাত ত্ৰিবাহু প্ৰকাশন তথা লেখক বৰুৱাই লোৱা এই তৎপৰতা অতি আদৰণীয়। লহকৰে লগতে কয় যে মহাভৈৰৱ-ভৈৰৱী দেৱালয় আজি এই পৌৰাণিক ঠাইসমূহ কেৱল পূজা-অৰ্চনাৰ থলিয়েই নহয়; একোটা একোটা সামাজিক-সংস্কৃতিক কেন্দ্ৰও। সেয়ে ইয়াৰ ইতিহাস জনাটোও খুবেই দৰকাৰ। এই গ্ৰন্থই সেইবিষয়ে জনাৰ আগ্ৰহী পাঠকক প্ৰয়োজনীয় খোৰাক যোগাব বুলি আশা কৰিলো।

# কংগ্ৰেছৰ সভাপতি পদৰ বাবে তিনিজনৰ

*তিনি পৃষ্ঠাৰ পৰা* কৰে। ইয়াৰ ফলত কংগ্ৰেছ সভাপতিৰ নিৰ্বাচন তিনিকোণীয়া হ'ব যদিও আঠ অক্টোবৰৰ পূৰ্বে কোনো প্ৰাৰ্থীয়ে নাম প্ৰত্যাহাৰ কৰাৰো সম্ভাৱনা ৰৈ গ'ল। আজি বিয়লি তিনি বজাত কংগ্ৰেছে সভাপতি পদৰ মনোনয়ন দাখিলৰ পৰ্ব সমাপ্ত কৰে। খাৰ্গেৰ উপৰি সাংসদ শশী থাৰুৰ আৰু আন এজন জ্যেষ্ঠ নেতা কে এন ত্ৰিপাঠীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

উল্লেখ্য যে আজি মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সিঙে মনোনয়ন পত্ৰ দাখিল নকৰে বুলি ঘোষণা কৰে। সিঙে সভাপতি পদৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰাৰ পাছতে গান্ধী পৰিয়ালৰ ঘনিষ্ঠ খাৰ্গেই মনোনয়ন দাখিল কৰে। সিঙৰ পূৰ্বে নিৰ্বাচনৰ পৰা আঁতৰ হৈছিল ৰাজস্থানৰ মুখ্যমন্ত্ৰী গেহলট। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মন্তব্য কৰিছিল যে গেহলটে সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰাৰ পূৰ্বে ৰাজস্থানৰ মুখ্যমন্ত্ৰিত্ব ত্যাগ কৰিব লাগিব। তেনে অৱস্থাত বিৰোধী শিবিৰৰ শচীন পাইলট মুখ্যমন্ত্ৰী হোৱাৰ আশংকা কৰি গেহলটৰ ঘনিষ্ঠ মন্ত্ৰী-বিধায়কসকলে পদত্যাগৰ হুংকাৰ দিছিল। সমগ্ৰ ঘটনাৰ বাবে দায়িত্ব মূৰ পাতি লৈ গেহলটে কংগ্ৰেছৰ অন্তৰ্বৰ্তীকালীন সভাপতি ছোনিয়া গান্ধীক সাক্ষাৎ কৰি ক্ষমা খোজাৰ পাছতে তেওঁ সভাপতি পদত প্ৰতিদ্বন্দ্বিতা নকৰে বুলি ঘোষণা কৰে। ইয়াৰ পাছতে কালি গান্ধী পৰিয়ালৰ আন এক ঘনিষ্ঠ নেতা সিঙে মনোনয়ন পত্ৰ সংগ্ৰহ কৰে। যদিও আজি খাৰ্গেৰ নাম উত্থাপন হোৱাৰ পাছতে প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত সদৰী কৰি সিঙে এই নিৰ্বাচনত খাৰ্গেক সমৰ্থন জনাব। উল্লেখ্য যে কালি গান্ধী পৰিয়ালৰ ঘনিষ্ঠ আন এজন নেতা পৱন কুমাৰ বানছালেও মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছিল। অৱশ্যে তেতিয়াই বানছালে সংবাদ মাধ্যমৰ আগত কয়, 'মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰো। যি নিৰ্বাচন খেলিব, তেওঁৰ নামৰ প্ৰস্তাৱকৰূপেহে মই মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছো।' বানছালে সংগ্ৰহ কৰা মনোনয়ন পত্ৰই খাৰ্গেই দাখিল কৰা বুলি নিখিল ভাৰত কংগ্ৰেছৰ সূত্ৰই জনাইছে।

প্ৰসংগক্ৰমে, ২০২০ৰ আগষ্টত কংগ্ৰেছৰ ভিতৰ চ'ৰাত 'সু-নেতৃত্বৰ অভাৱ তথা সাংগঠনিক সমস্যা'ৰ অভিযোগ তুলি কংগ্ৰেছৰ নবীন-প্ৰবীণ ২৩জন নেতাই অন্তৰ্বৰ্তীকালীন সভাপতি ছোনিয়ালৈ পত্ৰ প্ৰেৰণ কৰিছিল। লগতে তেওঁলোকে স্থায়ী সভাপতি নিৰ্বাচনৰ দাবীও তুলিছিল। অৱশেষত কংগ্ৰেছ সভাপতিৰ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে 'গ্ৰুপ-২৩' বা 'জি-২৩' নামেৰে পৰিচিত বিক্ষুব্ধ গোষ্ঠীটোৰ অন্যতম প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা সাংসদ থাৰুৰে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ঘোষণা কৰে। সেই মৰ্মে তেওঁ ইতিমধ্যে মনোনয়ন দাখিল কৰিছে। লক্ষ্যণীয়ভাৱে 'জি-২৩'ৰ অন্তৰ্গত গুলাম নবি আজাদ, কপিল ছিবাল, জিতিন প্ৰসাদৰ দৰে একাংশই ইতিমধ্যে কংগ্ৰেছ ত্যাগ কৰিছে। ইয়াৰ বিপৰীতে এতিয়াও কংগ্ৰেছত থকা গৰিষ্ঠ সংখ্যক বিক্ষুব্ধ নেতাই আজি প্ৰকাশ্যে খাৰ্গেক সমৰ্থন কৰে। এইসকলৰ ভিতৰত অন্যতম হৈছে মুকুল ৱাছনিক, আনন্দ শৰ্মা, ভূপিন্দাৰ সিং হুডা আৰু মনীষ তিৱাৰী।

আজি মনোনয়ন দাখিলৰ দিন শেষ হ'লেও মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন আঠ অক্টোবৰ। গান্ধী পৰিয়ালৰ এক ঘনিষ্ঠ সূত্ৰই জনাইছে যে আঠ অক্টোবৰ পৰ্যন্ত মনোনয়ন প্ৰত্যাহাৰৰ সুযোগ আছে। তাৰ পূৰ্বেই গান্ধী পৰিয়ালৰ পছন্দৰ প্ৰাৰ্থীৰ বাহিৰে বাকীসকলে নাম প্ৰত্যাহাৰ কৰিব পাৰে। যদিও তিৰুঅনন্তপুৰমৰ সাংসদ থাৰুৰে নাম প্ৰত্যাহাৰৰ কোনো সম্ভাৱনা নাই বুলিয়ে আজি সংবাদ মাধ্যমৰ আগত কয়। সম্ভাব্য প্ৰতিদ্বন্দ্বী খাৰ্গেক শুভেচ্ছা জনায় থাৰুৰে কয়, 'মল্লিকাৰ্জুনজী হৈছে কংগ্ৰেছৰ ভীষ্ম পিতামহ। তেওঁৰ মনোনয়ন দাখিলক স্বাগতম জনাইছো। দলৰ স্বাৰ্থতে একাধিক প্ৰাৰ্থীৰ প্ৰয়োজন। তথাপি মই কংগ্ৰেছ সভাপতি নিৰ্বাচনৰ পৰা আঁতৰি নাযাওঁ, কাৰণ মই কৰ্মীসকলক নিৰুৎসাহ কৰিব নোৱাৰো। এক বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতা হ'বলৈ গৈ আছে। আমি শত্ৰু বা প্ৰতিদ্বন্দ্বী নহয়। তেওঁৰ প্ৰতি মোৰ কোনো অসন্মানবোধ নাই, কিন্তু মই মোৰ আদৰ্শক প্ৰতিনিধিত্ব কৰিছো।' থাৰুৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ লক্ষ্যত অবিচল থাকিলেও অৱশ্যে আজি মনোনয়ন দাখিলৰ সময়ত দেখা দৃশ্যই খাৰ্গেৰ জয়ৰ ইংগিতকে বহন কৰিলে। কিয়নো 'হাইকমাণ্ড'ৰ আশিসপুষ্ট খাৰ্গেই আজি মনোনয়ন দাখিলৰ পৰত তেওঁৰ সমৰ্থকৰূপে ৩০জন নেতাই সংগ দিয়ে। 'জি-২৩'ৰ একাংশ নেতাৰ উপৰি সভাপতিৰ দৌৰৰ পৰা আঁতৰি পৰা সিং, একে এন্টনী, অম্বিকা ছোনি, অভিষেক মনু ছাংভি, দীপেন্দাৰ এছ হুডা, ছলমান খুৰছিদ, ভি নাৰায়ণাস্বামী আৰু ৰাজীৱ শুক্লাও আছিল খাৰ্গেৰ লগত। ইয়াৰ বিপৰীতে থাৰুৰৰ লগত আছিল মাত্ৰ ১০জন সমৰ্থক। নিয়ম অনুসৰি, মনোনয়ন দাখিলৰ বাবে কমেও ১০জন সমৰ্থকৰ প্ৰয়োজন। আনহাতে, থাৰুৰৰ মনোনয়ন পত্ৰত ৫০জন প্ৰস্তাৱকে স্বাক্ষৰ কৰাৰ বিপৰীতে খাৰ্গেৰ মনোনয়নত ১৪০জনে স্বাক্ষৰ কৰে। এনে পৰিস্থিতিতে শেষ মুহূৰ্তত থাৰুৰে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰে বুলি গান্ধী পৰিয়ালৰ ঘনিষ্ঠ সূত্ৰই ধাৰণা কৰিছে।

# তামিলনাডুৰ সামুদ্ৰিক খণ্ডৰ উন্নীতকৰণৰ

*তিনি পৃষ্ঠাৰ পৰা* উন্নত নৰ্দমা ব্যৱস্থা আৰু ১৮.৭৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হোৱা অইল জেটীত স্থায়ী অগ্নিনিৰ্বাপক ব্যৱস্থাৰো তেওঁ উদ্বোধন কৰে। লগতে ১.১৫ কোটি টকা ব্যয়েৰে ২২ কেভি এইছটি বৈদ্যুতিক নেটৱৰ্ক শক্তিশালী কৰি তোলা হয়। 'আত্মনিৰ্ভৰ ভাৰত'ৰ প্ৰসাৰৰ স্বাৰ্থত কেন্দ্ৰীয় মন্ত্ৰীজনে ভাৰতৰ প্ৰথমটো থলুৱাভাৱে বিকশিত জাহাজ যাতায়াত ব্যৱস্থা- স্মাৰ্ট প'ৰ্ট প্ৰজেক্টৰো উদ্বোধন কৰে। মন্ত্ৰীজনে বিভিন্ন সেউজ বন্দৰ প্ৰকল্প যেনে ১০০ শতাংশ এলইডি লাইটলৈ ৰূপান্তৰ, ই-কাৰৰ আৰম্ভণি আৰু ১৪০ কিলোৱাটৰ সৌৰ ছাদৰ বাবে সৌৰ শক্তি কেন্দ্ৰৰ উদ্বোধন কৰে। লগতে ২৬.৯৩ কোটি টকাৰ মুঠ ব্যয় সাপেক্ষে দুই মেগাৱাটৰ উইণ্ড ফাৰ্ম, ৪০০ কিলোৱাট সৌৰ ছাদৰ বাবে সৌৰশক্তি কেন্দ্ৰ আৰু ৰাজহুৱা ইভি চাৰ্জিং ষ্টেছনৰ আধাৰশিলাও স্থাপন কৰে। ইয়াৰ উপৰি তেওঁ ইজ অৱ ডুইং বিজনেছ প্ৰকল্প, ড্ৰাইভ থ্ৰু কণ্টেইনাৰ স্কেনাৰ আৰু ১৪০ মেট্ৰিকটন ওজনৰ ইলেক্ট্ৰনিক ইন-ম'চন ৱেই ব্ৰীজ উদ্বোধন কৰে, যাৰ মুঠ ব্যয় ৪৬.৫১ কোটি টকা। কল্যাণমূলক দিশত কেন্দ্ৰীয় মন্ত্ৰীজনে মেডিকেল অক্সিজেন জেনেৰেটৰ প্লাণ্টটো উদ্বোধন কৰে আৰু মুঠ ১.৭৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ইণ্টিগ্ৰেটিভ মেডিচিন তথা আয়ুস ইউনিট আৰু ভিঅ'চি মেৰিটাইম হেৰিটেজ মিউজিয়ামৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত আমি দেশৰ লজিষ্টিক খণ্ডত দক্ষতা বৃদ্ধিৰ দিশত কাম কৰি আছো। আজি আৰম্ভ কৰা প্ৰকল্পসমূহে কেৱল তামিলনাডুত সামুদ্ৰিক খণ্ডৰ বিকাশত প্ৰভাৱ পেলোৱাই নহয়, লগতে সাগৰমালাৰ অধীনত নিৰ্ধাৰিত দৃষ্টিভংগীৰ উপলব্ধিৰ দিশতো আমাক ওচৰ চাপিবলৈ সহায় কৰিব। এই প্ৰকল্পসমূহে সমগ্ৰ প্ৰক্ৰিয়াটোত দক্ষতা অনাত যথেষ্ট সহায় কৰিব আৰু আমাৰ সমৃদ্ধময় উপকূলীয় অঞ্চলৰ সম্ভাৱনা উন্মুক্তকৰণৰ ব্যয় হ্ৰাস কৰিব।' লগতে তেওঁ কয়, 'প্ৰধানমন্ত্ৰী মোদীৰ এক শক্তিশালী দৃষ্টিভংগী হৈছে 'বন্দৰ নেতৃত্বাধীন উন্নয়ন', যিটো সাগৰমালা কাৰ্যসূচীৰ কেন্দ্ৰবিন্দুস্বৰূপ। প্ৰধানমন্ত্ৰীয়ে নিৰ্ধাৰণ কৰি দিয়া লক্ষ্যত উপনীত হ'বৰ বাবে বন্দৰসমূহৰ আধুনিকীকৰণ, মাল্টি ম'ডেল সংযোগ বিকাশ, বন্দৰত প্ৰযুক্তিগত উদ্ভাৱনৰ জৰিয়তে দক্ষতা উন্নীতকৰণ আৰু বন্দৰসমূহত দক্ষতা বজাই ৰখাৰ বাবে সম্প্ৰসাৰিত বন্দৰ নেতৃত্বাধীন ঔদ্যোগিক বিকাশৰ জৰিয়তে আন্তঃগাঁথনি উন্নত কৰাত বিশেষ গুৰুত্ব দিয়া হৈছে। এই পদক্ষেপসমূহৰ সমন্বিত ৰূপায়ণে আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীক ত্বৰান্বিত কৰাৰ লগতে দেশৰ অৰ্থনীতিক অধিক শক্তিশালী কৰি তুলিব।'

আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে টুটিকোৰিন সমষ্টিৰ সাংসদ ড° কানিমোঝি কৰুণানিধি, তামিলনাডু চৰকাৰৰ সমাজ কল্যাণ আৰু মহিলা সবলীকৰণ মন্ত্ৰী ড° পি গীতা জীৱন, তামিলনাডু চৰকাৰৰ মীন, মীনপালক কল্যাণ আৰু পশুপালন বিভাগৰ মন্ত্ৰী অনিতা আৰ ৰাধাকৃষ্ণন, থুথুকুড়ি নগৰ পৌৰ নিগমৰ মেয়ৰ পি জেগান, ডাঃ কে চেন্থিল ৰাজ, ভিঅ'চি বন্দৰ প্ৰাধিকৰণৰ অধ্যক্ষ আইএএছটিকে ৰামচন্দ্ৰন আৰু থুথুকুড়ি জিলাৰ বিশিষ্ট লোকসকল। কেন্দ্ৰীয় মন্ত্ৰীজনে অধ্যক্ষ টি কে ৰামচন্দ্ৰনৰ লগত বন্দৰৰ কাম-কাজ আৰু ভৱিষ্যতে ইয়াৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ পৰ্যালোচনা কৰে। লগতে বন্দৰৰ বিভিন্ন চলিত প্ৰকল্পৰ সামৰ্থ বৃদ্ধিৰ বাবে ল'বলগীয়া পদক্ষেপ আৰু বন্দৰৰ উৎপাদনশীলতা বৃদ্ধিৰ বাবে অন্যান্য প্ৰস্তাৱৰ মূল্যায়ন কৰে। সোণোৱালে বন্দৰৰ সুবিধাসমূহ পৰিদৰ্শন কৰে আৰু আন্তঃগাঁথনি আৰু আগন্তুক প্ৰকল্পসমূহৰ বুজ লয়। তেওঁ বন্দৰ আৰু জাহাজ পৰিবহণ খণ্ডৰ বিভিন্ন অংশীদাৰৰ স'তেও মত বিনিময় কৰে।

# বৰলুইতৰ বুকুত আজিও সন্ধান নোলাল

*তিনি পৃষ্ঠাৰ পৰা* হয় কে'বাটাও ৰাজনৈতিক দলৰ প্ৰতিনিধিকে ধৰি ধুবুৰীৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, ধুবুৰীৰ সাংসদ বদৰুদ্দিন আজমলো। ইফালে, কালি সংঘটিত দুৰ্ঘটনাটোৰ বাবে নিৰ্মাণকাৰী সংস্থা এলএণ্ডটিৰ দুজনকৈ অভিযুক্তক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে দুয়োজনকে কাৰাগাৰলৈ প্ৰেৰণ কৰে।

### উচ্চ পৰ্যায়ৰ তদন্ত দাবী প্ৰদেশ কংগ্ৰেছৰ

ধুবুৰীত সংঘটিত নাও দুৰ্ঘটনা সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰিছে প্ৰদেশ কংগ্ৰেছে। আজি ধুবুৰীৰ নাও দুৰ্ঘটনাস্থলীত প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীৰ নেতৃত্বত প্ৰদেশ কংগ্ৰেছৰ এটা সঁজাতী দল উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। বিধায়ক ৰাজেদ আলী চৌধুৰী, যাদৱ স্বৰ্গীয়াৰী, আব্দুল বাতিন খন্দকাৰকে ধৰি কে'বাজনো নেতাই ঘটনাস্থলীত উপস্থিত হৈ সন্ধানহীন চক্ৰ বিষয়াজনৰ সন্ধান উলিওৱাৰ বাবে উদ্ধাৰ অভিযান ক্ষিপ্ৰতৰ কৰি তোলাৰ বাবে জিলা প্ৰশাসনক দাবী জনায়। প্ৰদেশ কংগ্ৰেছে অভিযোগ কৰে যে পূৰ্বৰ নাও দুৰ্ঘটনাসমূহৰ পৰা অসম চৰকাৰে মুঠেও শিক্ষা নল'লে বাবে ধুবুৰীত নাও দুৰ্ঘটনাৰ পুনৰাবৃত্তি হ'ল।

### নিকা ভাবমূৰ্তিৰ চক্ৰ বিষয়াজনৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ সন্দেহ আজমলৰ

ধুবুৰী ফুলবাৰী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মাণ দলঙৰ কাষতে সংঘটিত নাও দুৰ্ঘটনাস্থলীত আজি উপস্থিত হৈ এই দুৰ্ঘটনাৰ বাবে গভীৰ দুখ আৰু উদ্বেগ প্ৰকাশ কৰে ধুবুৰীৰ সাংসদ বদৰুদ্দিন আজমলে। এই ঘটনা সন্দৰ্ভত এআইইউডিএফৰ মুৰব্বীজনে কয় যে নাও দুৰ্ঘটনা কেনেকৈ হ'বলৈ পালে সেই সন্দৰ্ভত এক তদন্ত হ'ব লাগে। আজমলে কয় যে চক্ৰ বিষয়াজনে বিগত সময়ছোৱাত ধুবুৰীত দুৰ্নীতিৰ বিৰুদ্ধে তৎপৰ ভূমিকা গ্ৰহণ কৰিছিল। যথেষ্ট নিকা আৰু স্বচ্ছ ভাবমূৰ্তিৰ সঞ্জু দাসে নৈ পাৰ হোৱাৰ সময়তে তেওঁ উঠা নাওখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ঘটনাটো কোনোপক্ষৰ ষড়যন্ত্ৰ হ'ব পাৰে বুলিও সন্দেহ প্ৰকাশ কৰে আজমলে। ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনোৱা আজমলে সন্ধানহীন সঞ্জু দাসৰ পৰিয়ালক কমেও এক কোটি টকাৰ এককালীন সাহায্য প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়। ভৱিষ্যতে যাতে এনে দুৰ্ঘটনাৰ পুনৰাবৃত্তি নঘটে তাৰ বাবে চৰকাৰ-প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈও আজমলে দাবী জনায়।

### এলএণ্ডটিৰ ভুলৰ বাবে সংঘটিত হ'ল নাও দুৰ্ঘটনা ঃ জয়ন্ত মল্ল

ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মাণ দলংখনৰ নিৰ্মাণ কাৰ্য চলোৱা এলএণ্ডটি কোম্পানীৰ ভুলৰ বাবে কালি নাও দুৰ্ঘটনা হ'বলৈ পালে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। আজি দুৰ্ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱা মন্ত্ৰীজনে সাংবাদিকৰ আগত নাও দুৰ্ঘটনাটো দুৰ্ভাগ্যজনক আখ্যা দি সঞ্জু দাস নামৰ বিষয়াজন এতিয়াও সন্ধানহীন হৈ থকাত গভীৰ দুখ প্ৰকাশ কৰে। তেওঁ কয় যে এলএণ্ডটিৰ ভুলৰ বাবে এই দুৰ্ঘটনাটো সংঘটিত হ'বলৈ পালে। নিৰ্মীয়মাণ দলঙৰ অৰ্ধনিৰ্মিত খুঁটাসমূহত কিবা চিহ্ন দি থ'ব লাগিছিল যদিও এলএণ্ডটিয়ে তেনে পদক্ষেপ গ্ৰহণ নকৰাত কালিৰ দুৰ্ঘটনাটো সংঘটিত হ'বলৈ পালে। এনডিআৰএফ আৰু এছডিআৰএফে কালিৰে পৰা সন্ধানহীন হৈ থকা বিষয়াজনৰ সন্ধান উলিয়াবলৈ যথেষ্ট কষ্ট কৰিছে বুলি মন্তব্য কৰি বৰুৱাই কয় যে বিষয়াজন স্বচ্ছ আৰু নিকা ভাবমূৰ্তিৰ আছিল। সঞ্জু দাসৰ সন্ধান বিচাৰি বাংলাদেশৰ লগতো যোগাযোগ কৰা বুলি তেওঁ সদৰী কৰে।

# জিএমচি হাস্পতালত চিকিৎসাধীন প্ৰবীণ সংগঠক কিৰণ চন্দ্ৰ বৰা

## ■ খবৰ ল'বলৈ আহৰি নাই বিজেপি নেতা-কৰ্মীৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনত যিটো সময়ত বিজেপিৰ কাৰ্যকৰ্তাৰ সংখ্যা আঙুলি মূৰত লিখিব পৰা অৱস্থাত আছিল তেনে সময়ত অসমত দলটোক ধৰি ৰখা মুষ্টিমেয় কেইজনমান লোকৰ ভিতৰৰ এজন হ'ল নগাঁও জিলাৰ কামপুৰৰ কিৰণ চন্দ্ৰ বৰা। ষাঠিৰ দশকতে জনসংঘৰ সদস্য হৈ পাছলৈ জনতা দল আৰু শেষত বিজেপিৰ এজন সক্ৰিয় কৰ্মীৰূপে বৰ্তমানলৈকে দলটোৰ স'তে জড়িত হৈ আছে বৰা।



অসমত জনসংঘৰ প্ৰতিষ্ঠাপক, প্ৰাক্তন কেবিনেট মন্ত্ৰী তথা অসম বিজেপিৰ অন্যতম আহ্বায়ক লক্ষেশ্বৰ গোহাঁইৰ লগত বহু ভিতৰুৱা অঞ্চললৈ গৈ সাংগঠনিক কাম-কাজ কৰিছিল বৰাই। বৰা ৬০ দশকত জনসংঘৰ 'আলোক' নামৰ আলোচনীখনৰ সদস্যও আছিল। বৰা এটা সময়ত তেওঁ বৃহৎ কামপুৰ পঞ্চায়তৰ সভাপতি পদ অলংকৃত কৰিছিল। তদুপৰি কামপুৰ চেনিকল স্থাপন কৰাৰ সময়ত এজন আহ্বায়ক সমিতিৰো সদস্য আছিল। আজিৰ সময়ত এইসকল বিজেপিৰ ভেটি প্ৰতিষ্ঠা কৰা লোকৰ বাবেই আজি ৰাজ্যত তথা দেশত শাসনৰ বাঘজৰী হাতত ল'ব পাৰিছে। কিন্তু তাহানিৰ এইসকল নিষ্ঠাৱান কাৰ্যকৰ্তা আজিৰ বিজেপিক মন্ত্ৰী-বিধায়ক, নেতা-কৰ্মীৰ বাবে সম্পূৰ্ণ অপৰিচিত। বিপদৰ সময়তো এইসকল বিজেপিৰ নিষ্ঠাৱান কৰ্মীৰ খবৰ এটাকৈ নলয় আজিৰ বিজেপিৰ বিয়াগোম নেতাসকলে। বিজেপিৰ এইজন প্ৰবীণ কাৰ্যকৰ্তা গুৰুতৰভাৱে অসুস্থ হৈ যোৱা সাত ছেপ্টেম্বৰৰ পৰা গুৱাহাটীৰ জিএনআৰচি হাস্পতালত চিকিৎসাধীন হৈ আছে। সুদীৰ্ঘ ২৪ টা দিন তেওঁ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়খনৰ আইচিইউত চিকিৎসাধীন হৈ মৃত্যুৰে যুঁজি আছে। অথচ বিজেপিৰ এই প্ৰবীণ কাৰ্যকৰ্তাজনক তেওঁৰ জটিল সময়তো চৰকাৰৰ কোনো মন্ত্ৰী-বিধায়ক, বিজেপিৰ বৰমূৰীয়া নেতাসকলৰ কোনেও এবাৰো খবৰ লোৱা নাই বুলি খেদ প্ৰকাশ কৰে। তেওঁৰ পুত্ৰ সমৰেন্দ্ৰ নাৰায়ণ শৰ্মাই। আনকি বঢ়মপুৰ সমষ্টিৰ বিধায়কজনেও এবাৰলৈ খবৰ লোৱা নাই। বৰাৰ পৰিয়ালৰ ক্ষোভে প্ৰমাণ কৰি যে প্ৰবীণ বিজেপিসকল আজিৰ বিজেপি নেতা-কৰ্মীৰ ওচৰত অৱহেলি বুলি। উল্লেখ্য যে কামপুৰৰ সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰাৰ পিতৃ কিৰণ চন্দ্ৰ বৰা তথা কথাছবিৰ প্ৰযোজক, তেওঁৰ খুড়াক কমল বৰাৰ কামপুৰ শান্তিপট্টিৰ পুৰণি বাসগৃহতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আতিথ্য গ্ৰহণেৰে থাকি আশীৰ দশকত 'ককাদেউতা নাতি আৰু হাতী কথাছবিখনত অভিনয় কৰিছিল।

# অচিৰেই ৰঙিয়াত ৰাজধানী এক্সপ্ৰেছ ৰেল ৰখোৱাৰ সিদ্ধান্ত

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ৩০ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ বতৰত ৰেল বিভাগে সমগ্ৰ ৰঙিয়াবাসীসহ নামনি অসম আৰু বিদেশী ৰাষ্ট্ৰ ভূটানলৈ সুখবৰ কঢ়িয়াই আনিছে। অচিৰেই ৰঙিয়াত বহু প্ৰত্যাশিত ১২৪২৩/১২৪২৪ নম্বৰ ৰাজধানী এক্সপ্ৰেছ ৰখোৱাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। অসম ৰেলযাত্ৰী সংস্থাৰ লগতে ৰঙিয়াৰ বিভিন্ন দল-সংগঠনৰ লগতে বিধায়ক তথা সাংসদসকলে ৰঙিয়াত ৰাজধানী এক্সপ্ৰেছ ৰেলখন ৰখোৱাৰ বাবে দীৰ্ঘদিনৰ পৰা দাবী উত্থাপন কৰি আহিছিল। আনকি সাংসদ ভূৱনেশ্বৰ কলিতাইও কেন্দ্ৰীয় ৰেলমন্ত্ৰীক ডিব্ৰুগড় টাউনৰ পৰা নতুন দিল্লীলৈ যোৱা ৰাজধানী এক্সপ্ৰেছ ৰেলখন ৰঙিয়া ষ্টেছনত ৰখোৱাৰ বাবে লিখিতভাৱে অনুৰোধ জনাইছিল। দল-সংগঠন তথা সাংসদ-বিধায়কসকলৰ দাবীৰ প্ৰতি সহাৰি জনাই ৰেলব'ৰ্ডে ৰঙিয়াত ৰাজধানী এক্সপ্ৰেছ ৰেলগাড়ীখন ৰখোৱাৰ ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি সাংসদ ভূৱনেশ্বৰ কলিতাই জানিবলৈ দিছে। ডিব্ৰুগড় টাউনৰ পৰা নতুন দিল্লীলৈ যাত্ৰা কৰা নামনি আৰু উজনিমুৱা ১২৪২৩/১২৪২৪ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছ ৰেলগাড়ীখন ৰঙিয়া ষ্টেছনত ৰখোৱাৰ বাবে ৰেল ব'ৰ্ডে সিদ্ধান্ত গ্ৰহণ কৰাত উৎফুল্লিত হৈ পৰিছে সকলোৰে। ৰেলব'ৰ্ডৰ এই সিদ্ধান্ত গ্ৰহণ কৰাত ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতিই যোৱা ২৩ ছেপ্টেম্বৰত কেন্দ্ৰীয় ৰেলমন্ত্ৰীক ধন্যবাদ জনাৰোৰ উপৰি এই সিদ্ধান্ত অতিশীঘ্ৰে কাৰ্যকৰী কৰীবলৈ অনুৰোধ জনায়।

# ছমাহলৈ বৃদ্ধি ডিএনএলএৰ

*তিনি পৃষ্ঠাৰ পৰা* কৰিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই ডিমা হাছাও আৰু কাৰ্বি আলঙত শান্তি প্ৰতিষ্ঠাৰ স্বাৰ্থত আলোচনাৰ প্ৰস্তাৱ আগবঢ়োৱাত মুখ্যমন্ত্ৰীৰ প্ৰতি সদিচ্ছা প্ৰকাশ কৰি সংগঠনটোৱে যুদ্ধবিৰতি ঘোষণা কৰিছিল। উল্লেখ্য যে ২০১৯ৰ এপ্ৰিলত আত্মপ্ৰকাশ কৰিছিল ডিএনএলএ নামৰ উগ্ৰপন্থী সংগঠনটোৱে।

# ঘাটোৱাৰৰ তনয়ৰ বিজেপি

*তিনি পৃষ্ঠাৰ পৰা* প্ৰকাশ কৰে। ডিব্ৰুগড়ত অসম প্ৰদেশ চাহ মজদুৰ, আদিবাসী কংগ্ৰেছ বিভাগৰ এখন জৰুৰী সভাৰ পাছতেই সাংবাদিকক সম্বোধন কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰাই প্ৰাঞ্জলৰ পিতৃ পৱন সিং ঘাটোৱাৰক কাষত বহুৱাই প্ৰতিক্ৰিয়া ব্যক্ত কৰে। তেওঁ কয় যে কংগ্ৰেছৰ পৰা বিজেপিলৈ যোৱাক লৈ আমি অভ্যস্ত হৈ পৰিছো। এজনেই নহয়, গৰিষ্ঠ সংখ্যক কংগ্ৰেছৰ পৰা যোৱা এমএলএ-সাংসদ বিজেপিত। স্বয়ং মুখ্যমন্ত্ৰীৰ কংগ্ৰেছৰ পৰা যোৱা। আনকি উত্তৰ-পূৰ্বাঞ্চলৰ চাৰিজনকৈ বিজেপি মুখ্যমন্ত্ৰী কংগ্ৰেছৰ পৰা যোৱা। গতিকে কংগ্ৰেছৰ পৰা কোনোবা গ'লেও কংগ্ৰেছ শেষ হৈ নাযায়। এতিয়া কোনোবা গ'লে দলৰ একো ক্ষতি নহয়। তেওঁ কয় যে পৃথিৱী মাঝিৰ পুত্ৰয়ো ইতিমধ্যে বিজেপিলৈ গৈছে কাইলৈ ঘাটোৱাৰৰ পুত্ৰও নিজৰ ভৱিষ্যতৰ কথা চিন্তা কৰি বিজেপিলৈ হয়তো যাব পাৰে। অৱশ্যে দুই পিতৃয়ে কিন্তু কংগ্ৰেছৰ হিতৰ কাৰণে আজিও কাম কৰিব বুলি বৰা আশ্বস্ত। আনহাতে, ৰাজনীতিত যুৱ শক্তিয়েই শ্ৰেষ্ঠ কেতিয়াও নহয় বুলি কৈ কৌৰৱ-পাণ্ডৱৰ তুলনা দিয়ে। কৌৰৱৰ ফালে সকলো আছিল কিন্তু পৰাজয় হ'ব লগা হ'ল। এতিয়াও কংগ্ৰেছৰ পৰা বিজেপিলৈ সকলো গ'লেও কংগ্ৰেছৰ শক্তি শেষ কৰিব নোৱাৰে বুলি তেওঁ কয়। কংগ্ৰেছৰ আদৰ্শ সদায় থাকিব। অৱশ্যে তেওঁ ৰামায়ণ-মহাভাৰতৰ দিনতো একে ঘৰতে দুটা ফৈদ আছিল বুলি কৈ ৰাৱণৰ ভ্ৰাতৃ বিভীষণ ৰামৰ লগ লাগিছিল বুলি উদাহৰণ দি ইপিনে পাণ্ডৱৰ নকুল সহদেৱৰ মোমাইয়েক শৈল্য কৌৰৱৰ লগ লাগিছিল যদিও যুদ্ধৰ ধাৰা পৰিৱৰ্তন হোৱা নাছিল বুলি কয়। উল্লেখ্য যে সংবাদমেলত ঘাটোৱাৰৰ লগতে দলৰ জ্যেষ্ঠ নেতা এটোৱা মুণ্ডা, ৰাজু চাহু, হেমহৰী পেগুসহ অন্যান্যসকল উপস্থিত থাকে।

# অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক মনহৰি বৰ্মাৰ মৃত্যু

**অগ্ৰদুত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৩০ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, বিশিষ্ট অভিনেতা মনহৰি বৰ্মা (৮৪)ৰ আজি আবেলি ৪.২০ মান বজাত মৃত্যু হোৱাত বৃহত্তৰ পুব নলবাৰী তথা ঘগ্ৰাপাৰ অঞ্চলত শোকৰ বন্যা বিয়পি পৰে। উল্লেখ্য যে বিগত কিছুদিন ধৰি কৃতী শিক্ষকজন বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ আছিল। পৰিয়ালে তিনিদিন আগতে ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা কৰাই আছিল যদিও চিকিৎসকৰ পৰামৰ্শ অনুসৰি ঘৰলৈ ওভোতাই অনাৰ সময়তে ঘগ্ৰাপাৰত কৃতী শিক্ষকজনে মৃত্যুক আঁকোৱালি লয়। ১৯৩৮ত পুব নলবাৰী সাহপুৰত জন্মগ্ৰহণ কৰিছিল বৰ্মা। বৰ্মাই সাহপুৰ প্ৰাথমিক বিদ্যালয়ত ১৯৪৫ৰ পৰা ১৯৫০লৈ অধ্যয়ন কৰি দিহজাৰী মজলীয়া বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯৬০ত ঘগ্ৰাপাৰ হাইস্কুলৰ পৰা উৰ্ত্তীৰ্ণ হয়। পৰৱৰ্তী সময়ত নলবাৰী মহাবিদ্যালয়ত বিজ্ঞান শাখাত নামভৰ্তি কৰি ১৯৬২ত আইএছচি পৰীক্ষাত উৰ্ত্তীৰ্ণ হয়। আৰ্থিক অৱস্থা বেয়া বাবে ধাৰাবাহিক শিক্ষা গ্ৰহণ কৰাত ব্যৰ্থ হয়। ১৯৬২ৰ ১৬ আগষ্টত ঘগ্ৰাপাৰ হাইস্কুলত ইন্টাৰ মেডিয়েট পদত যোগদান কৰে। পুনৰ ১৯৭৮ত বিএ পাৰ্ট-২ গণিত বিষয়ত উৰ্ত্তীৰ্ণ হয়। প্ৰখৰ বুদ্ধিমত্তা বৰ্মা ঘগ্ৰাপাৰ হাইস্কুলত বিজ্ঞান আৰু গণিতৰ শিক্ষকৰূপে প্ৰতিস্থা লাভ কৰে। তেনেদৰে ২০০২ৰ ২৮ ফেব্ৰুৱাৰীত সুখ্যাতিৰে অৱসৰ গ্ৰহণ কৰে। মাজতে দুটা বছৰ ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলত গণিত বিষয়ত পাঠদান কৰিছিল। অৱসৰ গ্ৰহণ কৰি তিনি বছৰ ঘগ্ৰাপাৰ শংকৰদেৱ শিশু নিকেতনত শিক্ষকতা কৰিছিল। বিদেশী বহিস্কাৰ আন্দোলনত তেওঁ কাৰাবাস খাটিবলগীয়া হৈছিল। শিক্ষকতাৰ উপৰি অভিনেতাৰূপে বৃহত্তৰ পুব নলবাৰী অঞ্চলত খ্যাতি অৰ্জন কৰিছিল। বিশেষকৈ ঘগ্ৰাপাৰ, দলুৱা, জয়ন্তীপুৰ, দিহজাৰী, নানকাৰভয়ৰা, সাহপুৰ, মাজৰবাৰী, পাইকাৰকুছি, জাজিয়াবাৰী আদি বিভিন্ন অঞ্চলত অপেচাদাৰী নাট্য দল গঠন কৰি অভিনয় কৰিছিল। তেওঁ অভিনয় কৰা নাটকসমূহ ক্ৰমে 'কিয়, চিৰিজ, মচনদ, উৰুখাপজা, চাকনৈয়া, আগমনি, সাঁকো, ইন্টাৰভিউ, ব্যাথাৰ পূজা, ৰক্ষ কুমাৰ, অশ্ৰুজল, কয়েদী, মাতৃ, পবিত্ৰ পাপী, অংগীকাৰ, জয়যাত্ৰা, অগ্ৰগামী, পকেটমাৰ, চত্ৰপতি শিৱাজী, সেই বাটেদি, মৰ্জিয়ানা, মগৰিবৰ আজান, নীলাম্বৰ' আদি কৰি বহুতো পূৰ্ণাংগ আৰু একাংকিকা নাটক আদি। অতি সাহসী, স্পষ্টবাদী আছিল কৃতী শিক্ষক-অভিনেতা বৰ্মা। মৃত্যুৰ আগলৈকে বৃহত্তৰ পুব নলবাৰী অঞ্চলৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানত জড়িত আছিল। তেওঁ বড়িগোগ বনভাগ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উপদেষ্টাৰূপে আগভাগ লৈছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী নৰ্মদা বৰ্মা, তিনি পুত্ৰ-বোৱাৰী, দুগৰাকী জীয়ৰী-জোঁৱাই, নাতি-নাতিনীসহ অনেক গুণমুগ্ধক এৰি যায়।

# নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ

*তিনি পৃষ্ঠাৰ পৰা* সাব্যস্ত কৰি পৰিৱেশ উত্তাল কৰি তোলে। যোৰহাট, নগাঁও, নলবাৰী, লখিমপুৰ, ধেমাজি আদিকে ধৰি প্ৰতিখন জিলাৰ সদৰত আছু কৰ্মীসকলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ প্ৰসংগত আছুৰ সভাপতি দীপাংক কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই এক প্ৰেছ বিজ্ঞপ্তিযোগে কয় যে অসমৰ বিশেষজ্ঞ সমিতি আৰু অসমৰ বিশেষজ্ঞৰ বিজ্ঞানসন্মত পৰামৰ্শ নুশুনি আঁকোৰগোঁজ মনোভাৱেৰে বলপূৰ্বকভাৱে নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম চলাই থকাৰ বাবে শেহতীয়া পৰিস্থিতিৰ সৃষ্টি হ'ল। কৰ্মৰত শ্ৰমিকৰ জীৱন কোনোমতেহে ৰক্ষা পৰাৰ লগতে প্ৰকল্পটোৰ নামনিত বসবাস কৰা জনসাধাৰণৰ নিৰাপত্তাহীনতাৰ কথা পুনৰ প্ৰতিফলন ঘটিল। এনে পৰিস্থিতিৰ পৰা শিক্ষা লৈ কেন্দ্ৰীয় চৰকাৰ আৰু এনএইছপিচিয়ে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য অতি শীঘ্ৰে বন্ধ কৰক বুলি আছুৰ সভাপতি আৰু সম্পাদকে দাবী জনায়। আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই কয় যে ৰঙানদী বান্ধ, কুৰিশ্বু বান্ধ, কপিলী বান্ধৰ পৰা চৰকাৰে শিক্ষা লোৱা উচিত। সদৌ অসম ছাত্ৰ সন্থা উন্নয়ন বিৰোধী নহয়, কিন্তু যি বৃহৎ নদীবান্ধে জনসাধাৰণৰ জীৱন আৰু সম্পত্তি নিঃশেষ কৰিব তেনে নদীবান্ধ আমাক নালাগে। চৰকাৰে বিশেষজ্ঞ সমিতিৰ পৰামৰ্শক সন্মান জনাওক বুলি আহ্বান জনাই আছুৰ সভাপতি নাথে বৃহৎ নদীবান্ধৰ কাম বন্ধ হ'বই লাগিব বুলি দাবী জনায়। উল্লেখ্য যে নামনিত বসবাস কৰা জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নিশ্চিত নোহোৱালৈকে বৃহৎ নদীবান্ধৰ বিৰুদ্ধে আছুৰ প্ৰতিবাদ অব্যাহত থাকিব বুলি সদৌ অসম ছাত্ৰ সন্থাই আজি চৰকাৰক সকীয়াই দিয়ে।

**বৃহৎ নদীবান্ধ বন্ধৰ প্ৰতিবাদত উত্তাল যোৰহাট**

সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে আজি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই বৃহৎ নদীবান্ধৰ বিৰুদ্ধে যোৰহাট উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত এনএইছপিচিৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থকা প্ৰায় শতাধিক ছাত্ৰ কৰ্মীয়ে হাতে হাতে বেনাৰ আৰু প্লে-কাৰ্ড লৈ 'বৃহৎ নদীবান্ধ বন্ধ কৰক, এনএইছপিচি হুচিয়াৰ, কেন্দ্ৰীয় চৰকাৰ হায় হায়, অসম চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী হুচিয়াৰ, ৰাইজৰ জীৱন-সম্পত্তিক লৈ খেলা বন্ধ কৰক' আদি শ্ল'গানেৰে প্ৰতিবাদস্থলীৰ আকাশ-বতাহ কঁপাই তোলে। আজিৰ কাৰ্যসূচীত যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি নীহাৰিকা শইকীয়া, সাধাৰণ সম্পাদক ৰিয়াজ হুছেইন আৰু উপদেষ্টা প্ৰীতমজ্যোতি শইকীয়া প্ৰমুখ্যে শতাধিক ছাত্ৰ কৰ্মী উপস্থিত থাকে।

### নগাঁৱত এনএইছপিচিৰ প্ৰতিকৃতি দাহ

নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নামনি অংশত বসবাস কৰা ৰাইজৰ নিৰাপত্তা নিশ্চিত কৰা আৰু প্ৰকল্পটোৰ কাম বন্ধ কৰাৰ দাবীত আজি সদৌ নগাঁও জিলা ছাত্ৰ সন্থাই প্ৰকল্পটোৰ নিৰ্মাণকাৰী সংস্থা এনএইছপিচিৰ প্ৰতিকৃতি দাহ কৰে। 'সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম বন্ধ কৰক, ৰাইজৰ নিৰাপত্তা নিশ্চিত কৰক, এনএইছপিচি হুচিয়াৰ, বিজেপি চৰকাৰ হায় হায়' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি গৌৰী শংকৰ শইকীয়াই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে যে চৰকাৰে সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নামনি অংশৰ জনসাধাৰণৰ নিৰাপত্তা নিশ্চিত নকৰিলে আৰু প্ৰকল্পৰ কাম বন্ধ নকৰিলে ছাত্ৰ সন্থাই ব্যাপক গণ আন্দোলন গঢ়ি তুলিব।

### ধেমাজিৰ ৰাজপথত দাওদাওকৈ জ্বলিল এনএইছপিচিৰ প্ৰতিকৃতি

এনএইছপিচিৰ বান্ধৰ পৰা ক্ষয়-ক্ষতি হ'লে কেৱল আছুৰ নহয় বা আন্দোলনকাৰী দল-সংগঠনক বাছি বাছি ক্ষতি নকৰে। এয়া সমগ্ৰ জনসাধাৰণৰ ক্ষতি। ৰাজভঁৰালৰ ক্ষতি। ৰাইজৰ কথা চৰকাৰক শুনাবলৈ আৰু ৰাইজৰ বিপদ-বিঘিনি, আপত্তি-বিপত্তি লৈ শুনাবলৈ ৰাইজে জনপ্ৰতিনিধি পঠিয়াইছে। নিজৰ স্বাৰ্থৰ কাৰণে নহয়, কিন্তু যেতিয়া জনপ্ৰতিনিধি নিমাত হয়, ৰাইজৰ অভিযোগ বা বিশেষজ্ঞৰ প্ৰতিবেদন ৰাইজৰ চৰকাৰে নস্যাৎ কৰে তাতকৈ ডাঙৰ বিষয় একো হ'ব নোৱাৰে। জলবোমাসদৃশ এনএইছপিচিৰ নিৰ্মীয়মাণ ২০০০ মেগাৱাট ক্ষমতা সম্পন্ন নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প হ'লে নামনিবাসীৰ বিপদ অনিবাৰ্য। এই কথা ইতিমধ্যে নদীবান্ধ বিশেষজ্ঞ দলে এক প্ৰতিবেদনযোগে জনাইছে চৰকাৰক আৰু এনএইছপিচি কৰ্তৃপক্ষক—এই মন্তব্য ধেমাজি জিলা ছাত্ৰ সন্থাৰ সভাপতি দীপক শৰ্মা আৰু সাধাৰণ সম্পাদক কল্যাণ গগৈৰ। নেতাদ্বয়ে ধেমাজি সদৰত এনএইছপিচিৰ প্ৰতিকৃতি দাহ কৰি এক প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে কয় যে সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিৰোধিতাৰে সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাই বহু বছৰ ধৰি আন্দোলন কৰি আহিছে যদিও চৰকাৰ আৰু বৃহৎ নদীবান্ধ নিৰ্মাণকাৰী সংস্থা এএইছপিচিয়ে দল-সংগঠন আৰু ৰাইজৰ আন্দোলনক ভেঙুচালি কৰি নিৰ্মাণ কাৰ্য চলাই আহিছে। কোনো এখন চৰকাৰে নামনিবাসী ৰাইজৰ জীৱন-সম্পত্তিৰ প্ৰতি অহা ভাবুকিৰ কথা চিন্তা নকৰি কেৱল বৃহৎ পুঁজিপতি গোষ্ঠী আৰু নেতা-মন্ত্ৰীৰ ব্যক্তিগত লাভালাভৰ বাবে বৃহৎ নদীবান্ধ নিৰ্মাণ কৰি জনসাধাৰণক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দিছে। এইক্ষেত্ৰত আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত ধেমাজি জিলা সদৰত এনএইছপিচিৰ প্ৰতিকৃতি দাহ কৰে সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাই। উল্লেখ্য যে বৰষুণ দিলেই প্ৰকল্পস্থলীত কেতিয়াবা গাৰ্ড ৱাল খহাই, কেতিয়াবা টাৰ্নেল ভাঙি লৈ যোৱা আৰু শেহতীয়া বৰষুণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰে প্ৰকৃতিয়েও এনএইছপিচিৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিছে বুলি উল্লেখ কৰি সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ সভাপতি দীপক শৰ্মা আৰু সাধাৰণ সম্পাদক কল্যাণ গগৈয়ে কয় যে বিজ্ঞানে কেতিয়াও মিছা নকয়, বিশেষজ্ঞ সমিতিয়ে নামনি সোৱণশিৰিত বৃহৎ নদীবান্ধ সম্ভৱ নহয় বুলি কোৱাৰ পাছতো নিৰ্মাণ কাৰ্য অব্যাহত ৰখাটো জনসাধাৰণৰ প্ৰতি চৰকাৰৰ ঘোৰ অন্যায়। চৰকাৰে ভয়-ভাবুকি, দমন, প্ৰলোভন নীতিৰে জনসাধাৰণক মৃত্যু মুখলৈ ঠেলি দিলেও প্ৰকৃতিয়ে এই অন্যায়ৰ বিৰুদ্ধে ৰুদ্ৰৰূপ ধাৰণ কৰিছে। এটা সময়ত বৃহৎ নদীবান্ধৰ বিৰুদ্ধে আন্দোলন কৰা বিজেপি আৰু নিজে মৰি গ'লেও বৃহৎ নদীবান্ধ হ'বলৈ নিদিওঁ বুলি কোৱা বৰ্তমানৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিধায়ক ভুৱন পেগু এনএইছপিচিৰ ওচৰত বিক্ৰী গ'ল বুলি কটাক্ষ কৰাৰ উপৰি যদি সৎ সাহস আছে ৰণোজ পেগু আৰু ভুৱন পেগুৱে এনএইছপিচিৰ বিৰুদ্ধে পুনৰ মাত মাতি দেখাওক বুলি প্ৰত্যাহ্বান জনায়। শেহতীয়া পৰিস্থিতিৰ পৰা চৰকাৰে শিক্ষা লওক আৰু বৃহৎ নদীবান্ধ বন্ধ কৰক বুলি দাবী উত্থাপন কৰে। লগতে চৰকাৰক বান্ধৰ নামনিত বাস কৰা জনসাধাৰণৰ জীৱন-সম্পত্তিৰ সুৰক্ষাৰ স্বাৰ্থত অসমৰ বিশেষজ্ঞৰ প্ৰতিবেদন কাৰ্যকৰী কৰাৰ আহ্বান জনায়। অহা ১৫ অক্টোবৰত পুনৰ নামনিবাসী ৰাইজক একত্ৰিত কৰি চৰকাৰ আৰু এনএইছপিচিৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিব বুলি ব্যক্ত কৰে সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাই।

### এনএইছপিচিৰ প্ৰতিকৃতি দাহ সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ

নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত শেহতীয়াকৈ সৃষ্টি হোৱা অভাৱনীয় পৰিস্থিতিৰ বাবে শীঘ্ৰে প্ৰকল্পটোৰ কাম বন্ধ কৰাৰ প্ৰতিবাদত ৰাজ্যজুৰি আছুৱে গ্ৰহণ কৰা কাৰ্যসূচীৰ অংশ হিচাপে সদৌ লখিমপুৰ ছাত্ৰ সন্থাই আজি লখিমপুৰ নগৰৰ মালপানী চাৰিআলিত এনএইছপিচিৰ প্ৰতিকৃতি দাহ কৰে। উল্লেখ্য যে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ ২০০০ মেগাৱাট ক্ষমতা সম্পন্ন এই বৃহৎ নদীবান্ধে নামনি অসম বিশেষকৈ লখিমপুৰ, ধেমাজি, ঢকুৱাখনা সোৱণশিৰিপৰীয়া ৰাইজৰ জীৱন, সম্পত্তি নিঃসন্দেহে অনিশ্চয়তাৰ ভয়াবহ দিশলৈ ঠেলি দিব বুলি অভিযোগ কৰে সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক স্বৰাজ শংকৰ গগৈয়ে। তেওঁ কয় যে এনএইছপিচিৰ নিৰ্মাণ কোনো কাৰণতে গ্ৰহণ কৰা নহ'ব। এই নিৰ্মাণ কাৰ্যই লখিমপুৰ, ধেমাজি আৰু ঢকুৱাখনাৰ অস্তিত্ব নিঃশেষ কৰিব। পূৰ্বৰে পৰা কৰি অহা ধাৰণাক প্ৰতীয়মান কৰি এনএইছপিচিৰ শেহতীয়া ধাৰাবাহিক ঘটনাই স্পষ্টকৈ প্ৰমাণ কৰি দেখুৱাইছে। সোৱণশিৰিপৰীয়াৰ জীৱন-সম্পত্তি নিৰাপত্তাৰ অতি স্পৰ্শকাতৰ বিষয়টো আৰু পানৈ-জংকি স্মৃতি বিজড়িত সোৱণশিৰি নদীৰ প্ৰতি থকা সোৱণশিৰি পৰীয়া ৰাইজৰ মৰম, আবেগক নস্যাৎ কৰি বিজেপি নেতৃত্বাধীন চৰকাৰে সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰা কাৰ্যত ছাত্ৰ নেতাই ক্ষোভ, অসন্তুষ্টি প্ৰকাশ কৰি এনএইছপিচিৰ কৰ্তৃপক্ষ আৰু বিজেপি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। তদুপৰি দেশ-বিদেশৰ বিশেষজ্ঞ কমিটীয়ে সোৱণশিৰিৰ ভৌগোলিক পৰিৱেশ তথা ভূকম্পনৰ অৱস্থিতিৰ পৰিমাণ নিৰীক্ষণ কৰি নদীবান্ধৰ ক্ষেত্ৰত মুঠেই গ্ৰহণযোগ্য নহয় বুলি কোৱাৰ পাছতো নিৰ্মাণ কাৰ্য চলি থকাৰ আঁৰত চৰকাৰৰ বৃহৎ স্বাৰ্থ নিহিত আছে বুলি আছুৱে উল্লেখ কৰে। প্ৰতিবাদী কাৰ্যসূচীত এই সম্পৰ্কে এনএইছপিচিৰ কৰ্তৃপক্ষক কটাক্ষ কৰি সদৌ আছুৰ কাৰ্যনিৰ্বাহক সদস্য ধনমণি দত্তই উল্লেখ কৰে যে এনএইছপিচিত কৰ্মৰত উচ্চ পদস্থ বিষয়া-কৰ্মচাৰীয়ে নিজৰ মুনাফা আদায়ৰ স্বাৰ্থতে কাম কৰি আছে। ৰাইজৰ জীৱন-সম্পত্তি সুনিশ্চিত হ'ব লাগিব বুলিও দাবী জনায়। আজি এই প্ৰতিকৃতি দাহ কাৰ্যসূচীত আছুৰ কাৰ্যনিৰ্বাহক সদস্য ধনমণি দত্ত, সাধাৰণ সম্পাদক স্বৰাজ শংকৰ গগৈ, লখিমপুৰ আঞ্চলিক সমিতিৰ সভাপতি পিংকু বৰদলৈ প্ৰমুখ্যে বহুকেইজন ছাত্ৰ নেতাই অংশগ্ৰহণ কৰে।

### সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প বন্ধৰ দাবীত নলবাৰীত আছুৰ প্ৰতি বাদ

সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে আজি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাই নলবাৰী চহৰৰ এমএনচি ৰোডত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প বন্ধ কৰাৰ দাবীত এনএইছপিচিৰ প্ৰতিকৃতি দাহ কৰে। আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰিয়াজউদ্দিন আহমেদ, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, সাধাৰণ সম্পাদক অক্ষয় ডেকাৰ নেতৃত্বত শতাধিক প্ৰতিবাদকাৰীয়ে 'বৃহৎ নদীবান্ধ বন্ধ কৰক, কেন্দ্ৰীয় চৰকাৰ হায়, হায়, বান্ধ লবী হুচিয়াৰ, এনএইছপিচি হুচিয়াৰ, অসম চৰকাৰ হায় হায়, সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ' ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। কাৰ্যসূচীত আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আহমেদে অংশগ্ৰহণ কৰি কয় যে অসম চৰকাৰে বৃহৎ নদীবান্ধৰ ক্ষেত্ৰত বিশেষজ্ঞ সমিতিয়ে দিয়া পৰামৰ্শক আওকাণ কৰি প্ৰদৰ্শন কৰা আঁকোৰগোঁজ মনোভাব পৰিত্যাগ কৰাৰ সময় সমাগত। নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পই অসমৰ জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ প্ৰতি যে ভাবুকি আনিব সেয়া নিশ্চিত। ইতিমধ্যে ডাইভাৰছনেল টাৰ্নেলৰ লগতে গাৰ্ডৱালৰ কে'বাঠাইতো ফাট মেলি খহিবলৈ লোৱা বান্ধটো বন্ধ কৰাৰ বাদে কোনো বিকল্প নাই। জিলা ছাত্ৰ সন্থাৰ সভাপতি পাঠক আৰু সাধাৰণ সম্পাদক ডেকাই কেন্দ্ৰীয় চৰকাৰ আৰু এনএইছপিচি কৰ্তৃপক্ষক অতিশীঘ্ৰে সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম বন্ধ কৰিবলৈ দাবী জনায়। তদুপৰি এই ক্ষেত্ৰত চৰকাৰৰ বান্ধ নিৰ্মাণৰ পক্ষত কৰা লবীকেন্দ্ৰিক ৰাজনীতিক কঠোৰ ভাষাৰে সমালোচনা কৰে। কাৰ্যসূচীত জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ফণীধৰ বৰুৱা, উৎপল কলিতা, সহকাৰী সম্পাদক নিৰজউদ্দিন আহমেদ, গৌতম বেজবৰুৱাকে ধৰি কে'বাজনো বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

## মুম্বাইৰ হোটেলত চিপ লোৱা অৱস্থাত উদ্ধাৰ যুৱতী মডেলৰ মৃতদেহ



**নিউজ ব্যুৰ', মুম্বাই, ৩০ ছেপ্টেম্বৰ** ঃ ৩০ বছৰ বয়সীয়া এগৰাকী মডেলৰ চিপ লোৱা মৃতদেহ উদ্ধাৰ হ'ল মুম্বাইৰ এখন হোটেলত। হোটেল গৃহৰ চিলিং ফেনত চিপ লৈ আত্মহত্যা কৰা মডেলগৰাকীৰ নাম আকাংক্ষা মোহন। আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি, বুধবাৰে নিশা আঠ বজাত মুম্বাইৰ আন্ধেৰী অঞ্চলৰ এখন হোটেলত আকাংক্ষাই বাহৰ পাতিছিল আৰু বৃহস্পতিবাৰে পুৱাতে হোটেলৰ কৰ্মীয়ে কোঠাৰ দুৱাৰ বন্ধ থকা দেখি সন্দেহবশতঃ আৰক্ষীক খবৰ দিছিল। কোঠাৰ দুৱাৰ ভিতৰৰ পৰা বন্ধ আছিল আৰু আৰক্ষীয়ে নকল চাবিৰ সহায়ত দুৱাৰ খুলি আকাংক্ষাক ফেনত চিপ লোৱা অৱস্থাত উদ্ধাৰ কৰে। আৰক্ষীয়ে কোঠাটোত এখন কাগজত এইদৰে লিখা প্ৰত্যক্ষ কৰে, 'মই দুখিত। এই পৰিণতিৰ বাবে কোনো জগৰীয়া নহয়। মই ভাল নহয়। মোক কেৱল শান্তিৰ প্ৰয়োজন।' আৰক্ষীয়ে আকাংক্ষাৰ মৃত্যুৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

## গুজৰাটত নিজৰ কনভয় ৰখাই এম্বুলেন্সক পথ দিলে মোদীয়ে



নিউজ ব্যুৰ', আহমেদাবাদ, ৩০ ছেপ্টেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গৃহ ৰাজ্য গুজৰাটত এখন এম্বুলেন্সক পথ এৰি দিয়াৰ বাবে নিজৰ কনভয় ৰখালে। মোদীয়ে আজি আহমেদাবাদৰ পৰা গান্ধীনগৰ অভিমুখে যাত্ৰা কৰাৰ সময়ত পথত এখন এম্বুলেন্স ৰখি থকা প্ৰত্যক্ষ কৰিছিল আৰু লগে লগে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ নিৰাপত্তাৰক্ষীক কনভয় ৰখাই এম্বুলেন্সক পথ এৰি দিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ বাবে প্ৰধানমন্ত্ৰীৰ কনভয় কিছু সময় পথত ৰখাই থোৱা হয়। এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে এম্বুলেন্সক এইদৰে নিজৰ কনভয় ৰখাই পথ এৰি দিয়াৰ বাবে প্ৰধানমন্ত্ৰীক প্ৰশংসা কৰিছে।

## অমিতাভৰ ৮০ সংখ্যক জন্মদিনত অনুষ্ঠিত কৰা হ'ব চলচ্চিত্ৰ মহোৎসৱৰ



**নিউজ ব্যুৰ', মুম্বাই, ৩০ ছেপ্টেম্বৰ** ঃ অহা ১১ অক্টোবৰত বলিউডৰ মহাতাৰকা অভিনেতা অমিতাভ বচ্চনে ৮০ সংখ্যক জন্মদিন পালন কৰিব। বলিউডৰ বৰ্ষীয়ান অভিনেতাজনৰ সন্মানাৰ্থে তেওঁৰ জন্মদিনত বিশেষ অনুষ্ঠান আয়োজনৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি অমিতাভৰ ৮০ সংখ্যক জন্মদিনত অনুষ্ঠিত কৰা হ'ব চলচ্চিত্ৰ মহোৎসৱৰ। হেৰিটেজ ফাউণ্ডেচনে অহা আঠ অক্টোবৰৰ পৰা ১১ অক্টোবৰলৈকে চাৰিদিনীয়া কাৰ্যসূচীৰে অমিতাভ চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত কৰিব। অমিতাভৰ জন্মদিন উপলক্ষে আয়োজন কৰা এই মহোৎসৱৰ জৰিয়তে অমিতাভ অভিনীত ১১ খন চলচ্চিত্ৰ ভাৰতৰ ১৭খন চহৰত প্ৰদৰ্শন কৰা হ'ব।

## ৰিলায়েন্সৰ মুৰব্বী মুকেশ আম্বানীক 'জেড প্লাছ' নিৰাপত্তা প্ৰদান কেন্দ্ৰৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ** ঃ ৰিলায়েন্সৰ মুৰব্বী তথা ভাৰতৰ দ্বিতীয়জন ধণাঢ্য ব্যক্তি মুকেশ আম্বানীৰ নিৰাপত্তা বৃদ্ধিৰ সিদ্ধান্ত ল'লে কেন্দ্ৰৰ চৰকাৰে। প্ৰকাশিত বাতৰি অনুসৰি, আম্বানীক আক্ৰমণৰ সম্ভাৱনা আছে আৰু সেয়েহে এতিয়াৰে পৰা ৰিলায়েন্সৰ মুৰব্বীয়ে 'জেড' শ্ৰেণীৰ পৰিৱৰ্তে 'জেড প্লাছ' শ্ৰেণীৰ নিৰাপত্তা লাভ কৰিব। ৬৫ বছৰীয়া আম্বানীয়ে ২০১৩ বৰ্ষৰ পৰাই 'জেড' শ্ৰেণীৰ নিৰাপত্তা লাভ কৰি আহিছে। আম্বানীৰ পত্নী নীতা আম্বানীয়েও 'ৱাই' শ্ৰেণীৰ নিৰাপত্তা লাভ কৰিছে। এতিয়াৰে পৰা আম্বানীৰ নিৰাপত্তাত থাকিব ৪০-৫০ জন কমাণ্ডো। আম্বানীৰ বাসগৃহৰ লগতে কাৰ্যালয়তো নিৰাপত্তা বৃদ্ধি কৰা হৈছে।

## পুনৰ ভাৰতত ৬৩ পৰ্ণ'গ্ৰাফী ৱেবছাইট নিষিদ্ধ ঘোষণা কেন্দ্ৰৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ** ঃ পৰ্ণ'গ্ৰাফী প্ৰতিৰোধৰ বাবে আকৌ এবাৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলে ভাৰত চৰকাৰে। এইবাৰ কেন্দ্ৰই দেশত নিষিদ্ধ কৰিলে ৬৩টা পৰ্ণ' ৱেবছাইট। ২০২১ বৰ্ষৰ তথ্য প্ৰযুক্তি আইনৰ অধীনত চৰকাৰে এই ৬৩ পৰ্ণ'ছাইট অচিৰে ব্লক কৰিবলৈ নিৰ্দেশ দিলে ইণ্টাৰনেট সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানক। উল্লেখ্য যে পূৰ্বে উত্তৰাখণ্ড উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত ২০১৮ বৰ্ষত কেন্দ্ৰৰ চৰকাৰে দেশত ৮০০ ৰো অধিক পৰ্ণ'ছাইট নিষিদ্ধ ঘোষণা কৰিছিল।

### নৱৰাত্ৰিৰ সময়তে আমিষ আহাৰৰ পৰা দেশবাসীক বিৰত থাকিবলৈ আহ্বান আৰএছএছৰ মুৰব্বীৰ

# আমিষ আহাৰে মানুহক ভুল পথৰে পৰিচালিত কৰে ঃ ভাগৱত



**নিউজ ব্যুৰ' নাগপুৰ, ৩০ ছেপ্টেম্বৰ** ঃ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰএছএছ)ৰ মুৰব্বী মোহন ভাগৱতে আমিষভোজীক খাদ্যাভ্যাসৰ সন্দৰ্ভত পৰামৰ্শ দি ক'লে, 'ভুল আহাৰ গ্ৰহণৰ ফলত মানুহ ভুল পথৰে পৰিচালিত হয়। এই কথা প্ৰায়ে কোৱা হয়। সেয়েহে তামসিক আহাৰ গ্ৰহণ কৰা উচিত নহয়। যিসকলে মাংস ভক্ষণ কৰে, তেওঁলোকে কিছুমান শৃংখলা মানি চলা উচিত। যাতে তেওঁলোকৰ একাগ্ৰতা নষ্ট নহয়।' দেশত বিগত দিনত আমিষ খাদ্যগ্ৰহণৰ সন্দৰ্ভত যথেষ্ট বিতৰ্ক হৈ আহিছে। বিজেপি শাসিত বহু ৰাজ্যত বিভিন্ন সময়ত মাংস বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞাও আৰোপ কৰা হৈছে। এনে পৰিস্থিতিতে নৱৰাত্ৰিৰ সময়তে আমিষ আহাৰ গ্ৰহণৰ পৰা দেশবাসীক বিৰত থাকিবলৈ আহ্বান জনালে আৰএছএছৰ মুৰব্বীয়ে। নাগপুৰত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত আৰএছএছ প্ৰধান ভাগৱতে কয়, 'পশ্চিম বিশ্বত মানুহে সদায় মাছ-মাংস খায়। ইফালে, ভাৰতত আমিষভোজীয়েও শাওণত নিৰামিষ আহাৰ গ্ৰহণ কৰে। বহু লোকে আকৌ সপ্তাহৰ নিৰ্দিষ্ট দিনত মাছ-মাংস নাখায়। ভুল আহাৰ গ্ৰহণে মানুহক ভুল পথৰে পৰিচালিত কৰে বুলি কোৱা হয়। সেয়েহে তামসিক খাদ্য খাব নালাগে।'

## অৱশেষত জামিন লাভ চিএএ-এনআৰচি বিৰোধী আন্দোলনৰ নেতা শ্বাৰ্জিল ইমামৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ** ঃ নাগৰিকত্ব সংশোধনী আইন (চিএএ) আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি) বিৰোধী আন্দোলনৰ অন্যতম নেতা শ্বাৰ্জিল ইমামে অৱশেষত জামিন লাভ কৰিলে। আজি আদালতে ৩০ হেজাৰ টকাৰ আমানতত শ্বাৰ্জিলৰ জামিনৰ আবেদন মঞ্জুৰ কৰে। অৱশ্যে শুকুৰবাৰে দিল্লীৰ আদালতে শ্বাৰ্জিলক জামিন দিলেও সম্প্ৰতি তেওঁ কাৰাগাৰতে থাকিব লাগিব। কিয়নো শ্বাৰ্জিলৰ বিৰুদ্ধে একাধিক গোচৰ আছে। উক্ত গোচৰসমূহৰ জামিন মঞ্জুৰ নোহোৱালৈকে তেওঁ কাৰাগাৰতে থাকিব লাগিব। শ্বাৰ্জিলৰ বিৰুদ্ধে চিএএ আৰু এনআৰচি বিৰোধী প্ৰতিবাদৰ সময়ত চৰকাৰৰ বিৰুদ্ধে উচটনিমূলক ভাষণ দিয়াৰ অভিযোগ উত্থাপিত হৈছিল। ২০২০ৰ জানুৱাৰীৰ পৰা তেওঁ ন্যায়িক জিম্মাত আছে। শ্বাৰ্জিলৰ বিৰুদ্ধে দেশদ্ৰোহৰো অভিযোগ উত্থাপিত হৈছিল।



## কাশ্মীৰত পুনৰ সেনাৰে সংঘৰ্ষত জইচৰ দুই সদস্যৰ মৃত্যু

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৩০ ছেপ্টেম্বৰ** ঃ জম্মু-কাশ্মীৰৰ বাৰামুলা জিলাত আজি নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা এক সংঘৰ্ষৰ ঘটনাত ধৰাশায়ী হ'ল দুজন সন্ত্ৰাসবাদী। সেনাৰ সূত্ৰই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, সংঘৰ্ষত নিহত দুই সন্ত্ৰাসবাদী জইচ এ মহম্মদৰ সদস্য আছিল। ৰাজ্যখনৰ ছ'পিয়ান আৰু বাৰামুলাত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি গোপন সূত্ৰৰ জৰিয়তে লাভ কৰাৰ পাছতে শুকুৰবাৰে আৰক্ষী আৰু সেনাই অঞ্চলটোত সন্ত্ৰাসবাদীৰ সন্ধানত অভিযান চলাইছিল। সেই সময়তে আত্মগোপনকাৰী সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত সেনায়ো গুলিৰে প্ৰত্যুত্তৰ দিছিল। দীৰ্ঘ সময় ধৰি হোৱা উভয় পক্ষৰ গুলীয়াগুলিৰ পাছত অঞ্চলটোৰ পৰা নিৰাপত্তা বাহিনীয়ে দুজন সন্ত্ৰাসবাদীৰ মৃতদেহ উদ্ধাৰ কৰে।

## হলিউড-টিভি অনুষ্ঠানত মুছলমানৰ প্ৰতিনিধিত্বক লৈ ক্ষোভ মালালাৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ৩০ ছেপ্টেম্বৰ** ঃ সামাজিক কৰ্মী তথা শান্তিৰ ন'বেলজয়ী যুৱতী মালালা ইউছুফজায়ে সাম্প্ৰতিক সময়ত হলিউডত মুছলমানৰ প্ৰতিনিধিত্বক লৈ প্ৰশ্ন উত্থাপন কৰিলে। মালালাই কয় যে বিশ্বৰ মুঠ জনসংখ্যাৰ ২৫ শতাংশ মুছলমান হোৱাৰ পাছতো টেলিভিছনৰ জনপ্ৰিয় অনুষ্ঠানসমূহত মুছলমান অভিনেতা-অভিনেত্ৰীৰ মাত্ৰ এক শতাংশইহে মুখ্য চৰিত্ৰত অভিনয়ৰ সুযোগ লাভ কৰিছে। ভেৰাইটিজ পাৱাৰ অৱ অ'মেন অনুষ্ঠানত অংশ লৈ মালালাই কয়, 'মই প্ৰত্যক্ষ কৰিছো যে হলিউডৰ ছবিত মোৰ দৰে এছিয়াৰ লোকৰ প্ৰতিনিধিত্ব চাৰি শতাংশতকৈও কম। বিশ্বত মুছলমানৰ জনসংখ্যা হৈছে ২৫ শতাংশ, কিন্তু জনপ্ৰিয় টিভি অনুষ্ঠানত মই কেৱল এক শতাংশ মুছলমান লোকৰ প্ৰতিনিধিত্ব প্ৰত্যক্ষ কৰিছো। মই হলিউডত পৰিৱৰ্তন ঘটিব বুলি আশা কৰা নাই।'



## ইউক্ৰেইনৰ জাপ'ৰিজিয়াত ১৬ ক্ষেপণাস্ত্ৰৰে আক্ৰমণ ৰাছিয়াৰ, মৃত্যু কমেও ২৩ জন লোকৰ

**নিউজ ব্যুৰ', জাপ'ৰিজিয়া, ৩০ ছেপ্টেম্বৰ** ঃ ইউক্ৰেইনৰ জাপ'ৰিজিয়াত স্থানীয় বাসিন্দাক সহায় কৰিবলৈ যোৱা এদল লোকক লক্ষ্য হিচাপে লৈ ৰাছিয়াই আজি ক্ষেপণাস্ত্ৰৰে আক্ৰমণ সংঘটিত কৰিলে। ইউক্ৰেইনৰ সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ৰাছিয়াৰ ক্ষেপণাস্ত্ৰ আক্ৰমণৰ ঘটনাত জাপ'ৰিজিয়াত কমেও ২৩ জন লোকৰ মৃত্যু হ'ল আৰু ২৮ জন লোক আহত হ'ল। ৰাছিয়াই জাপ'ৰিজিয়াত শুকুৰবাৰে মুঠ ১৬টা ক্ষেপণাস্ত্ৰৰে আঘাত হানে। অঞ্চলটোৰ আত্মীয়ক সহায় কৰিবলৈ এটি সাহায্যকাৰীৰ দল জাপ'ৰিজিয়াত উপস্থিত হোৱাৰ সময়তে ৰুছ ক্ষেপণাস্ত্ৰই এটাৰ পাছত আন এটা স্থানত আঘাত হানিছিল।

## ইউক্ৰেইনৰ ১৫ শতাংশ দখলৰ বাবে ৰুছ গণভোটৰ তীব্ৰ বিৰোধিতা আমেৰিকাৰ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ ছেপ্টেম্বৰ** ঃ ইউক্ৰেইনৰ চাৰিটা অঞ্চলক আনুষ্ঠানিকভাৱে ৰাছিয়াত সংযুক্ত কৰাৰ উদ্যোগৰ তীব্ৰ বিৰোধিতা কৰিলে আমেৰিকাই। ৰাষ্ট্ৰপতি জ' বাইডেন চৰকাৰৰ বৈদেশিক সচিব এণ্টনী ব্লিংকনে ৰাছিয়াৰ পদক্ষেপৰ বিৰোধিতা কৰি কয়, 'ভুৱা গণভোটৰ অচিলাৰে ইউক্ৰেইনৰ ভূমি দখলৰ এই অপচেষ্টা সমগ্ৰ বিশ্বই বুজিব পাৰিছে। ৰাছিয়াৰ মুখা খোল খালে। ইউক্ৰেইনত ৰাছিয়াৰ অবৈধ দখলে কেতিয়াও আন্তৰ্জাতিক বৈধতা লাভ নকৰে।' উল্লেখ্য যে যোৱা সপ্তাহত ডনেৎস্ক, লোহানস্ক, জাপ'ৰিজিয়া আৰু খেৰছনসহ ইউক্ৰেইনৰ প্ৰায় ১৫ শতাংশ অঞ্চলত ৰাছিয়াই গণভোট অনুষ্ঠিত কৰি উক্ত অঞ্চলক ৰাছিয়াৰে সংলগ্ন কৰাৰ কথা ইতিমধ্যে ঘোষণা কৰিছে। ইউক্ৰেইনৰ ভূমি দখলৰ বাবে ৰাছিয়াই চলোৱা অপচেষ্টাৰ পুনৰ তীব্ৰ বিৰোধিতা কৰিলে আমেৰিকাই। উল্লেখ্য যে ইতিমধ্যে ৰাষ্ট্ৰসংঘয়ো স্পষ্টভাৱে কৈছে যে বিশ্ব মানচিত্ৰ এইদৰে সলনি কৰিবলৈ অনুমতি দিয়া নহ'ব। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেন'স্কিয়েও কালি বিশ্বৰ ৰাষ্ট্ৰনেতাক অনুৰোধ জনাই কৈছিল যে তেওঁলোকে যাতে ৰাছিয়াৰ এই গণভোটক স্বীকৃতি নিদিয়ে।



## কেজৰিৱালক আহাৰ গ্ৰহণৰ বাবে নিমন্ত্ৰণ জনোৱা অট'ৱালাৰ দাবী ঃ মই মোদীৰ ভক্ত



নিউজ ব্যুৰ', আহমেদাবাদ, ৩০ ছেপ্টেম্বৰ ঃ গুজৰাট বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে অতি আক্ৰমণাত্মক পদ্ধতিৰে প্ৰচাৰ চলাই অহা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে অলপতে আহমেদাবাদত এজন অট'চালকৰ ঘৰত আহাৰ গ্ৰহণ কৰি চমক দিছিল। উক্ত অট'চালকে কেজৰিৱালক তেওঁৰ ঘৰত আহাৰ গ্ৰহণৰ বাবে নিমন্ত্ৰণ দিছিল। কিন্তু হঠাতে উক্ত অট'চালকে নিজকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমৰ্থক বুলি দাবী কৰিলে। অট'চালক বিক্ৰম দন্তানীয়ে আহমেদাবাদত প্ৰধানমন্ত্ৰী মোদীৰ এখন জনসভাত বিজেপিৰ টুপি পৰিধান কৰি উপস্থিত হ'ল। সংবাদ মাধ্যমৰে হোৱা বাৰ্তালাপত দন্তানীয়ে কয় যে তেওঁ পূৰ্বৰে পৰা প্ৰধানমন্ত্ৰী মোদীৰ ভক্ত আছিল আৰু ইমানদিনে বিজেপিক ভোট দি আহিছে। আপৰ মুৰব্বী কেজৰিৱালক নিজৰ ঘৰত আহাৰ গ্ৰহণৰ বাবে নিমন্ত্ৰণ জনোৱাৰ প্ৰসংগত দন্তানীয়ে কয়, 'মোক আমাৰ ইউনিয়নে কৈছিল যে কেজৰিৱালক আমন্ত্ৰণ জনাব লাগে আৰু সেয়েহে মই তেওঁক মোৰ ঘৰত আহাৰ গ্ৰহণৰ বাবে মাতিছিলো। যেতিয়া তেওঁ নিমন্ত্ৰণ স্বীকাৰ কৰিলে, তেতিয়া তেওঁক আতিথ্য প্ৰদান কৰাটো মোৰ কৰ্তব্য আছিল। মই পূৰ্বৰে পৰা প্ৰধানমন্ত্ৰী মোদীৰ ভক্ত আৰু তেওঁৰ দ্বাৰা প্ৰভাৱিত। মই আপৰ সদস্য নহয়।'

## কাবুলত শিক্ষানুষ্ঠানত আত্মঘাতী বিস্ফোৰণত শতাধিক শিক্ষাৰ্থী হতাহত

**নিউজ ব্যুৰ', কাবুল, ৩০ ছেপ্টেম্বৰ** ঃ তালিবান শাসিত আফগানিস্তানৰ ৰাজধানী কাবুলত শিক্ষানুষ্ঠানত ভয়াৱহ আত্মঘাতী আক্ৰমণ সংঘটিত কৰিলে সন্ত্ৰাসবাদীয়ে। প্ৰকাশিত বাতৰি অনুসৰি, আত্মঘাতী বিস্ফোৰণৰ ঘটনাত শতাধিক লোক হতাহত হৈছে। শুকুৰবাৰে স্থানীয় সময় অনুসৰি পুৱা ৭-৩০ বজাত এই বিস্ফোৰণ সংঘটিত হৈছিল। কাবুলৰ পশ্চিম দিশত থকা কাজ এডুকেচন চেণ্টাৰত আত্মঘাতী বোমাৰুৱে বিস্ফোৰণ সংঘটিত কৰে। বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকা পৰীক্ষাৰ বাবে প্ৰস্তুতিমূলক পৰীক্ষা শিক্ষানুষ্ঠানখনত আজি পুৱাতে অনুষ্ঠিত হৈছিল আৰু শিক্ষাৰ্থীৰ এই ভিৰক লক্ষ্য হিচাপে লৈ সন্ত্ৰাসবাদীয়ে নৃশংস আক্ৰমণ চলালে। যি অঞ্চলত এই ঘটনা সংঘটিত হ'ল, উক্ত অঞ্চলত সংখ্যালঘু হাজাৰা সম্প্ৰদায়ৰ লোকে বাস কৰে। বিস্ফোৰণৰ পাছতে শিক্ষানুষ্ঠানখনৰ পৰা ৩৩ টা মৃতদেহ উদ্ধাৰ কৰা হৈছিল। ভয়াৱহ বিস্ফোৰণত অসংখ্য লোকৰ দেহ ছিন্ন-বিদিৰ্ণ হোৱাৰ ফলত মৃতকৰ সংখ্যা নিৰূপণ কৰাটো কঠিন হৈছে। এই বিস্ফোৰণৰ দায়িত্ব বাতৰি প্ৰস্তুত কৰা সময়লৈকে কোনো ব্যক্তি-সংগঠনে স্বীকাৰ কৰা নাই। পূৰ্বে তালিবান বিৰোধী ইছলামিক ষ্টেট (আইছিছ)-এ এনে ধৰণৰ আত্মঘাতী আক্ৰমণ একাধিকবাৰ সংঘটিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি এই বিস্ফোৰণত আইছিছ জড়িত থকা বুলি সন্দেহ কৰা হৈছে।





## দেশত ২৪ ঘণ্টাত ৩৯৪৭ জন লোক হ'ল ক'ভিড আক্ৰান্ত, মৃত্যু ১৮

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ** ঃ ভাৰতত যোৱা ২৪ ঘণ্টাত পুনৰ ক'ভিডত সংক্ৰমিত হ'ল ৩৯৪৭ জন লোক। বৰ্তমানলৈকে দেশত ৪,৪৫,৮৭,৩০৭ জন লোক ক'ভিড সংক্ৰমিত হ'ল। বৰ্তমানে ভাৰতত ৩৯,৫৮৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত ভাৰতৰ বিভিন্ন ৰাজ্যত ১৮ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে। বৰ্তমানলৈকে ভাৰতত এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হৈ ৫,২৮,৬২৯ জন লোকে প্ৰাণ হেৰুৱালে।

## এদিনতে মাস্কৰ ১,০৮,৫৮৭ কোটি টকাৰ সম্পত্তি হ্ৰাস, চতুৰ্থ স্থানলৈ অৱনমিত হ'ল আদানী

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ** ঃ আমেৰিকাৰ পুঁজি বজাৰত দেখা দিয়া আকস্মিক মন্দাৱস্থাত সবাতোকৈ ক্ষতিগ্ৰস্ত হ'ল বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্ক। হঠাতে দেখা দিয়া শ্বেয়াৰ বজাৰৰ পতনৰ ফলত স্পেচ এক্স আৰু টেছলাৰ মুৰব্বী এলন মাস্কৰ সম্পত্তি প্ৰায় ১৩.৩ বিলিয়ন ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ১,০৮,৫৮৭ কোটি টকা হ্ৰাস পালে। কালি শ্বেয়াৰ বজাৰত টেছলা, গুগল, ফে'চবুক, এমেজনৰ দৰে বহু কোম্পানীৰ শ্বেয়াৰ মূল্য যথেষ্ট হ্ৰাস পালে। ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হ'ল বিশ্বৰ কে'বাজনো শীৰ্ষ অৰ্বুদপতি। টেছলাৰ শ্বেয়াৰ মূল্য বৃহস্পতিবাৰে ৬.৮১ শতাংশ হ্ৰাস পালে। জেফ বেজ'ছ মালিকানাধীন এমেজনৰ শ্বেয়াৰ মূল্যও বৃহস্পতিবাৰে ২.৭২ শতাংশ হ্ৰাস পাইছিল। ফলত বেজ'ছৰ মুঠ সম্পত্তিৰ মূল্য ৩.২২ বিলিয়ন ডলাৰ হ্ৰাস পালে। ফে'চবুকৰ শ্বেয়াৰ মূল্য ৩.৬৭ শতাংশ হ্ৰাস পোৱাত প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপক মাৰ্ক জুকাৰবাৰ্গৰ সম্পত্তিৰ পৰিমাণ ১.৮২ বিলিয়ন ডলাৰ হ্ৰাস পালে। ইফালে, ভাৰতৰ সবাতোকৈ ধনাঢ্য ব্যক্তি আদানী গোষ্ঠীৰ মুৰব্বী গৌতম আদানীৰ কালি সম্পত্তিৰ পৰিমাণ ৩.৫১ শতাংশ হ্ৰাস পালে। সম্প্ৰতি বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয়ৰ পৰা চতুৰ্থ স্থানলৈ অৱনমিত হ'ল আদানী। শুকুৰবাৰে আদানীৰ সম্পত্তিৰ পৰিমাণ ১২৮ বিলিয়ন ডলাৰলৈ হ্ৰাস পায়।



## ৰাজনীতিত প্ৰৱেশৰ বাবে সাজু, মুখ্যমন্ত্ৰী শিণ্ডেক সাক্ষাৎ কৰিব কংগনাই



**নিউজ ব্যুৰ', মুম্বাই, ৩০ ছেপ্টেম্বৰ** ঃ বলিউডৰ সদা বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌটে অচিৰে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ শিণ্ডেক সাক্ষাৎ কৰিব। বিগত কিছুদিন ধৰি একাংশ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি, কংগনাই ৰাজনীতিত প্ৰৱেশ কৰাৰ বাবে সাজু হৈছে। শেহতীয়াভাৱে প্ৰচাৰিত বাতৰিত দাবী কৰা মতে, কংগনাই পহিলা অক্টোবৰত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী সাক্ষাৎ কৰিব। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী নিযুক্ত হোৱাৰ পাছত কংগনাই প্ৰথমবাৰৰ বাবে শিণ্ডেক সাক্ষাৎ কৰিব। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ চৰকাৰ সলনি হোৱাত অভিনেত্ৰীগৰাকীয়ে যথেষ্ট আনন্দ প্ৰকাশ কৰিছিল। বলিউডৰ চৰ্চিত খবৰ অনুসৰি, শেহতীয়াভাৱে একাধিক ছবি বক্স অফিচত ব্যৰ্থ হোৱাৰ পাছত কংগনাই ৰাজনীতিত প্ৰৱেশৰ পৰিকল্পনা গ্ৰহণ কৰিছে। কংগনাই মথুৰা সমষ্টিৰ পৰা লোকসভাৰ আগন্তুক নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে বুলি জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে অভিনেত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী শিণ্ডেক সাক্ষাৎ কৰিবলৈ সাজু হোৱাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে।

## এয়া কেনে বন্ধুত্ব? ভাৰতক ৮৩৩ দিনৰ কৰাইছে অপেক্ষা, চীনক দুদিনতে ভিছা আমেৰিকাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ** ঃ ভাৰতৰ পৰা আমেৰিকালৈ যোৱা লোকসকলে মাৰ্কিন ভিছা লাভৰ বাবে প্ৰায় দুবছৰ অপেক্ষা কৰিব লগা হৈছে। মাৰ্কিন ভিছা বিচাৰি আবেদন জনোৱা ভাৰতীয়সকলৰ অনেকে সম্প্ৰতি সামাজিক মাধ্যমৰ জৰিয়তে ভিছা প্ৰদানত বিলম্বৰ প্ৰসংগত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। টুইটাৰত একাংশ ভাৰতীয়ই এই সন্দৰ্ভত অভিযোগ কৰি কয় যে আমেৰিকাই ভাৰতীয়ক ভিছা প্ৰদানত বিলম্ব কৰাৰ ফলত ভাৰতীয় শিক্ষাৰ্থী আৰু পেছাদাৰীসকল যথেষ্ট ক্ষতিগ্ৰস্ত আৰু সমস্যাৰ সন্মুখীন হৈছে। একাংশ আবেদনকাৰীৰ ক্ষেত্ৰত মাৰ্কিন ভিছা লাভৰ বাবে ৮৩৩ দিনলৈকে অপেক্ষা কৰিব লগা হৈছে। আমেৰিকাত অধ্যয়নৰ বাবে ভিৰ কৰা বিদেশী শিক্ষাৰ্থীসকলৰ ২০ শতাংশ হৈছে ভাৰতীয়। শেহতীয়াভাৱে মাৰ্কিন দূতাবাসে শিক্ষাৰ্থীক ভিছা প্ৰদানৰ বাবে ৪৩০ দিনৰ অপেক্ষাৰ সময় বান্ধি দিছে। ইফালে, ভাৰতীয় মূলৰ লোকৰ ক্ষেত্ৰত মাৰ্কিন ভিছাৰ বাবে অপেক্ষাৰ সময় ৮৩৩ দিন নিৰ্ধাৰণ কৰা হৈছে। আনহাতে, আমেৰিকাই চীনৰ লোকক মাত্ৰ দুদিনৰ ভিতৰতে ভিছা প্ৰদান কৰিছে। পাকিস্তানৰ ক্ষেত্ৰত মাৰ্কিন ভিছাৰ বাবে অপেক্ষাৰ সময় হৈছে ৪৫০ দিন। আমেৰিকাই ভাৰতক বন্ধু ৰাষ্ট্ৰৰ স্বীকৃতি দি আহিছে। কিন্তু ভিছা প্ৰদানৰ ক্ষেত্ৰত বন্ধু ৰাষ্ট্ৰখনক আমেৰিকাই অৱহেলা কৰাৰ অভিযোগ উত্থাপিত হৈছে।

# লাচিত বৰফুকনৰ জন্মজয়ন্তী উপলক্ষে নাজিৰা মহকুমা প্ৰশাসনৰ লেখা আহ্বান

**অগ্ৰদূত বাৰ্তা**

**নামতি, ৩০ ছেপ্টেম্বৰ ঃ** বীৰ লাচিত বৰফুকনৰ আগন্তুক ৪০০ সংখ্যক জন্মজয়ন্তী উপলক্ষে অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ নিৰ্দেশ মৰ্মে নাজিৰা মহকুমা প্ৰশাসনে মহকুমাটোৰ লেখক, নাগৰিক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মহান বীৰগৰাকীৰ জীৱন আৰু বীৰত্বৰ আধাৰত যুগুত কৰা অথবা তেওঁৰ স'তে জড়িত যিকোনো বিষয়ৰ লেখা আহ্বান কৰিছে। লেখাসমূহ ১০০ৰ পৰা এহেজাৰ শব্দৰ ভিতৰত হ'ব লগিব। তাৰে কিছু লেখা প্ৰশাসনৰ চৰকাৰী ৱেবছাইট আৰু ফেচবুক পেজত আপলোড কৰা হ'ব। নাগৰিকসকলৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লেখা প্ৰেৰণ কৰিবলৈ মহকুমা প্ৰশাসনে বিশেষভাৱে আহ্বান জনাইছে। উল্লেখ্য যে অহা ২০ অক্টোবৰ, ২০২২ৰ ভিতৰত লেখাসমূহ মহকুমা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ত জমা দিব লাগিব। লেখা প্ৰেৰণ কৰা খামৰ ওপৰত লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তী উপলক্ষে' বুলি লিখি দিব লাগিব।

# চাপৰ পৌৰসভাৰ কাৰ্যালয়ত অপ্ৰীতিকৰ পৰিস্থিতি

■ আৰক্ষীৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণ

**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ৩০ ছেপ্টেম্বৰ ঃ** চাপৰ চহৰৰ সমস্যা সমাধানৰ হেতুকে চাপৰবাসী ৰাইজে নিৰ্বাচনৰ জৰিয়তে জনপ্ৰতিনিধি কৰি পঠিওৱা ৱাৰ্ড কমিছনাৰবৃন্দই সমস্যা সমাধানৰ পৰিৱৰ্তে ক্ষমতাৰ ৰাগিত বলীয়ান হৈ নিজৰ মাজতে কাজিয়াৰ সূত্ৰপাত কৰি আজি পুৱা প্ৰায় ১১ বজাত চাপৰ পৌৰসভাৰ কাৰ্যালয়ত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পৰৱৰ্তী সময়ত পৌৰসভাৰ কাৰ্যালয়ত চাপৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। তথ্য মতে, চাপৰ পৌৰসভাৰ সভানেত্ৰী বিউটি ৰায়ে হোৱাটছএপযোগে চাপৰ পৌৰসভাৰ ৱাৰ্ড কমিছনাৰসকলক আজি পুৱা ১১ বজাত পৌৰসভাৰ কাৰ্যালয়ত উপস্থিত হ'বলৈ জৰুৰীভাৱে আহ্বান জনায়। সেই মৰ্মে ৱাৰ্ড কমিছনাৰসকল কাৰ্যালয়ত উপস্থিত হয়। সেই সময়তে পৌৰসভাৰ সভানেত্ৰী বিউটি ৰায়ে তৎকালীনভাৱে ব'ৰ্ডৰ সভা অনুষ্ঠিত কৰাৰ কথা কোৱাত একাংশ ৱাৰ্ড কমিছনাৰে ইয়াৰ বিৰোধিতা কৰে আৰু নিয়ম অনুযায়ী ব'ৰ্ডৰ সভা আহ্বান কৰিবলৈ পৰামৰ্শ দিয়ে। ইপিনে, এই পৰামৰ্শৰ বিপৰীতে পৌৰসভাখনৰ উপ-সভাপতিজন জাঙুৰ খাই উঠি তৰ্কত লিপ্ত হোৱাত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হয়। পৌৰসভাৰ সভানেত্ৰী বিউটি ৰায়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ অক্ষম হৈ চাপৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জিত কাকতিক ঘটনা সম্পৰ্কে অৱগত কৰে। পাছত ভাৰপ্ৰাপ্ত বিষয়া কাকতিয়ে চাপৰ আৰক্ষীৰ দল এটাক পৌৰসভাৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰে। আৰক্ষীৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণ হোৱাত চাপৰবাসী ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ লগতে আমোদৰো সৃষ্টি কৰিছে।

# দুৰ্গোৎসৱৰ বতৰত মঞ্চত গীত গাবলৈ সাজু কণমানি শিল্পী

**অগ্ৰদূত বাৰ্তা**

**ৰাজগড় ৩০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেখা পোৱা দুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতিৰ মাজতে শাৰদীয় উৎসৱৰ বতৰত সাংস্কৃতিক মঞ্চত গীত পৰিৱেশন কৰিবলৈ সাজু হৈছে এগৰাকী কণমানি কণ্ঠশিল্পী। নিজৰ একক প্ৰতিভাৰে ইতিমধ্যে বোকাৰ পদুম হৈ জিলিকি উঠিবলৈ সক্ষম হৈছে উদীয়মান শিল্পীগৰাকী। ডিব্ৰুগড় জিলাৰ ৰাজগড়ৰ শলগুৰি টিপমীয়া গাঁৱৰ গুঞ্জন কোঁৱৰ আৰু মমী কোঁৱৰৰ কন্যা দিব্যাংগনাৰ সৰুৰে পৰাই আছে সংগীতৰ প্ৰতি দুৰ্বাৰ হেঁপাহ। প্ৰায় চাৰি বছৰ বয়সৰ পৰাই গান গাবলৈ শিকা দিব্যাংগনাৰ আছে এক সুমধুৰ কণ্ঠ। যি কণ্ঠৰ আভাগ পাই এদিন স্বচ্ছাই দিব্যাংগনাক সংগীতৰ শিক্ষা দিবলৈ আগবাঢ়ি আহিছিল এগৰাকী সংগীতৰ শিক্ষক। সেই গুৰুৰ তত্ত্বাৱধানত দিব্যাংগনাই অতি কম সময়তে সংগীতৰ ক্ষেত্ৰখনত এক বলিষ্ঠ খোজ আগবঢ়াবলৈ সক্ষম হৈছে। বিহুগীতৰ পৰা লোকগীতলৈ, ভূপেন হাজৰিকা, জুবিন গাৰ্গৰ পৰা কুসুম কৈলাশ, ৰিদিপ ৰংকিটলৈ প্ৰায় সকলোৰে গীত গাব পাৰে তাই। স্থানীয় শলগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী দিব্যাংগনাই বিভিন্ন সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কৃত হোৱাৰ লগতে উজনি অসমৰ বহু ঠাইত মঞ্চত গীত পৰিৱেশন কৰি যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। দিব্যাংগনাই কণ্ঠদান কৰা 'তুমি চাগে আহিবা' নামৰ এলবামৰ 'নীবিড় জোনাক' শীৰ্ষক গীতটোৱে সংগীত প্ৰেমীসকলৰ মন জয় কৰিবলৈ সক্ষম হৈছে। আনহাতে, শাৰদীয় দুৰ্গোৎসৱত ৰাইজৰ বাবে 'তুমি চাগে আহিবা' এলবামৰ দ্বিতীয়টো গীত উপহাৰ হিচাপে আগবঢ়াব দিব্যাংগনাই।

# ধনশিৰি মহকুমা আদিবাসী ছাত্ৰ সন্থাৰ উদ্যোগত মাৰাথন দৌৰ প্ৰতিযোগিতা



**সৰুপথাৰ, ৩০ ছেপ্টেম্বৰ ঃ** দুৰ্গাপূজাৰ প্ৰাকমুহূৰ্তত ধনশিৰি মহকুমা আদিবাসী ছাত্ৰ সন্থাই দুদিনীয়া কাৰ্যসূচীৰে অতি উলহ-মালহেৰে নলনীপথাৰ ৰাজহুৱা খেলপথাৰ প্ৰাংগণত আয়োজন কৰিছে কৰম পূজাৰ। কৰম পূজাৰ লগত সংগতি ৰাখি শুক্ৰবাৰে পুৱা ছয় বজাত প্ৰথম কাৰ্যসূচী হিচাপে ধনশিৰি মহকুমা আৰক্ষী প্ৰশাসনৰ সহযোগত এক মাৰাথন দৌৰ প্ৰতিযোগিতা আৰম্ভ কৰে। উৰিয়ামঘাট ৰাজহুৱা খেলপথাৰৰ পৰা সৰুপথাৰ নলনীপথাৰ কৰম পূজাৰ বাকৰিলৈকে আয়োজন কৰা এই মাৰাথন দৌৰ প্ৰতিযোগিতাখনৰ আৰম্ভ কৰে ধনশিৰি মহকুমাৰ মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞাই আৰু বন্তি প্ৰজ্বলন কৰে সৰুপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জিতুমণি ডেকাই। শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই মাৰাথন দৌৰ প্ৰতিযোগিতাত উৰিয়ামঘাট অঞ্চলৰ পৰা প্ৰায় ১৬/১৭ কিলোমিটাৰ বাট অতিক্ৰম কৰি সকলো প্ৰতিযোগীয়েই সুন্দৰভাৱে নলনীপথাৰ কৰম পূজাৰ থলীত দৌৰৰ অন্ত পেলায়। এই দৌৰ প্ৰতিযোগিতাত ধনশিৰি মহকুমাৰ মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞাই প্ৰতিযোগীসকলৰ লগত সমানে দৌৰি সকলোকে উৎসাহিত কৰে। শেষত এই প্ৰতিযোগিতাত শ্ৰেষ্ঠ হিচাপে প্ৰথম, দ্বিতীয়, তৃতীয়ৰ লগতে সৰ্বমুঠ ১৫ জন প্ৰতিযোগীক নিৰ্বাচন কৰে। এই মাৰাথন দৌৰ প্ৰতিযোগিতাতে তিনিটামান কণমানি প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি শেষলৈকে দৌৰ মৰা দৃশ্যই সকলো ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। উদ্‌যাপন সমিতিৰ সভাপতি সুজিত তাঁতীয়ে জনোৱা মতে, এই প্ৰতিযোগিতাৰ প্ৰথম স্থানপ্ৰাপ্ত প্ৰতিযোগীক নগদ আঠহেজাৰ টকা, দ্বিতীয় স্থান প্ৰাপ্তক পাঁচহেজাৰ টকা আৰু তৃতীয় স্থান প্ৰাপ্তক নগদ তিনিহেজাৰ টকা লগতে ১৫ নম্বৰ স্থানলৈকে অন্যান্য পুৰস্কাৰ আগবঢ়াব। প্ৰতিযোগিতাখন সুচাৰুৰূপে সম্পন্ন কৰাত ধনশিৰি মহকুমা আৰক্ষী প্ৰশাসন, স্বাস্থ্যকৰ্মী, ধনশিৰিবাসী ৰাইজৰ লগতে শাৰীৰিক নিৰ্দেশক লুলু শইকীয়াই আগবঢ়োৱা সহযোগিতাৰ বাবে ধনশিৰি আদিবাসী ছাত্ৰ সন্থাই সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনায়।

# মাটি-বাৰী সংক্ৰান্তীয় অভিযোগ-প্ৰতিঅভিযোগত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি পশ্চিম মাটিয়াত

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩০ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম মাটিয়াৰ ইমপুৰত বিগত কিছুদিন ধৰি মাটি-বাৰী সংক্ৰান্তীয় অভিযোগ-প্ৰতি অভিযোগে অঞ্চলটোত এক উত্তেজনাপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰিছে। শেহতীয়াকৈ কালি অঞ্চলটোৰ ৯৪২ নম্বৰ দাগৰ দুই বিঘা ৰাজহুৱা চৰকাৰী ভূমি স্থানীয় মফিদুল ইছলাম আৰু মজিৰউদ্দিন আলী আহমেদে জোৰ-জুলুমকৈ বেদখল কৰাৰ চেষ্টা চলোৱা বুলি জিলা উপায়ুক্তক এখন ৰাজহুৱা অভিযোগ দাখিল কৰে। আছাদুৰ ৰহমান, ৰফিকুল ইছলাম, আকবৰ আলী আৰু মনোৱাৰ আলীকে ধৰি মুঠ ৪৫ গৰাকী লোকে স্বাক্ষৰিত অভিযোগ পত্ৰৰ প্ৰতিলিপি মাটিয়া ৰাজহ চক্ৰৰ বিষয়া আৰু মাটিয়া আৰক্ষী থানাৰ বিষয়াকো প্ৰেৰণ কৰি চক্ৰটোৰ পৰা ৰাজহুৱা মাটিখিনি মুক্ত কৰাৰ দাবী জনাইছে। উল্লেখ্য যে ৰাজহ চক্ৰৰ চিটা কপিৰ তথ্য মতে, পশ্চিম মাটিয়াৰ ৯৪২ নম্বৰ উক্ত ৩১ লোকৰ ভিতৰত মফিদুল ইছলাম আৰু মজিৰ উদ্দিন আলী আহমেদৰ নাম উল্লেখ নাই। তেনে ক্ষেত্ৰত দুয়োগৰাকী লোকে ৰাজহুৱা ভূমি বেদখলৰ চেষ্টা চলোৱাটো ভিত্তিহীন বুলি অভিযোগ উত্থাপন কৰিছে একাংশ স্থানীয় ৰাইজে। ইপিনে, নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মজিৰ উদ্দিন আলী আহমেদে কয় যে উল্লিখিত ভূমিৰ স'তে তেওঁ কোনো ধৰণেই জড়িত নহয়। স্থানীয় চক্ৰ এটাই ব্যক্তিগত আক্ৰোশ পূৰণৰ বাবেই ষড়যন্ত্ৰমূলকভাৱে তেওঁৰ নাম উক্ত ভূমি বেদখলৰ স'তে জড়িত কৰি জনমানসত সেই প্ৰতিপন্ন কৰাৰ অপচেষ্টা চলাইছে। আগন্তুক সময়ত ভিত্তিহীন ষড়যন্ত্ৰ বন্ধ নকৰিলে আইনৰ কাষ চাপিবলৈ বাধ্য হ'ব বুলিও মন্তব্য কৰে আহমেদে। ইপিনে, একেই ধৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মফিদুল ইছলামে। এইদৰে পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে অভিযোগ প্ৰতিঅভিযোগ উত্থাপন কৰি অঞ্চলটোত এক উত্তেজনাপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্ত কৰি প্ৰকৃত দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন মহলে।

# বৰমাত ৰেডক্ৰছৰ সাহায্য বিতৰণ

**বৰমা, ৩০ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ বৰমাত আজি ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ উদ্যোগত আৰু বাগ্‌সা জিলা ৰেডক্ৰছ ছ'চাইটিয়ে ৩৫০টা বান বিধ্বস্ত পৰিয়ালৰ মাজত কিছু সামগ্ৰী বিতৰণ কৰে। যোৱা বাৰিষাত বাগ্‌সা জিলাৰ বৰমা অঞ্চলৰ বিভিন্ন ঠাইত বানে ক্ষতিগ্ৰস্ত কৰা প্ৰায় ৩৫০টা পৰিয়ালক তিৰপালৰ লগতে চাবোন, পাকঘৰৰ সামগ্ৰীকে ধৰি অন্যান্য বয়বস্তু বিতৰণ কৰা হয়। বৰমা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হোৱা সামগ্ৰী বিতৰণ অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকে গুৱাহাটী ৰেডক্ৰছ ছ'চাইটিৰ উপ-প্ৰবন্ধক লৱ শৰ্মা, বাগ্‌সা জিলাৰ ৰেডক্ৰছ ছ'চাইটিৰ সম্পাদক ৰাজীৱ দাস, সহকাৰী সম্পাদক আলকাছ আলী, সমাজকৰ্মী হুছেইন আলী, শিক্ষাবিদ ড° ফণীধৰ তালুকদাৰ, বিপিন চন্দ্ৰ কলিতা, স্বপন শৰ্মা, সাংবাদিক দিলীপ কুমাৰ হালৈ আদি। গুৱাহাটী ৰেডক্ৰছ ছ'চাইটিৰ উপ-প্ৰৱন্ধক লৱ শৰ্মাই জানিবলৈ দিয়া মতে, গুৱাহাটী ৰেডক্ৰছ ছ'চাইটিয়ে অসমৰ কে'বাখনো জিলাত জিলা সমিতিসমূহৰ সহযোগত প্ৰায় সাত হেজাৰ পৰিয়ালক এনে সামগ্ৰী বিতৰণ কৰিছে। আগলৈকো ক্ষতিগ্ৰস্ত পৰিয়ালক ৰেডক্ৰছ ছ'চাইটিয়ে এনে ধৰণৰ সামগ্ৰী বিতৰণ কৰি যাব বুলি জানিবলৈ দিয়ে।

# চাবুৱাত জ্যেষ্ঠ সাংবাদিক গণেশ মহন্তৰ মৃত্যু বাৰ্ষিকী পালন

**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ৩০ ছেপ্টেম্বৰ ঃ** চাবুৱা তথা ডিব্ৰুগড় জিলাৰ এজন জ্যেষ্ঠ সাংবাদিক প্ৰয়াত গণেশ মহন্তৰ মৃত্যু বাৰ্ষিকী কালি পালন কৰা হয় চাবুৱাস্থিত এনইআইত। ২০২০ৰ আজিৰ দিনটোতে চাবুৱা সমাজকৰ্মী তথা সাংবাদিকজনৰ মৃত্যু হৈছিল। অসম সাহিত্য সভা, জ্যেষ্ঠ নাগৰিক সন্থাৰ অন্যতম প্ৰতিষ্ঠাপক, চাবুৱা কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ অন্যতম প্ৰতিষ্ঠাপক, চাবুৱা স্মৃতি সুৰক্ষা সমিতি আদিৰ গুৰি ধৰোঁতা আছিল সাংবাদিকগৰাকী। কালি কাৰিকৰী প্ৰতিষ্ঠানখনতে আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সাংবাদিকজনৰ পত্নী স্মৃতিৰেখা মহন্তই বন্তি প্ৰজ্বলন কৰাৰ পাছত সাংবাদিক পেঞ্চনাৰ প্ৰফুল্ল শৰ্মা, সাংবাদিক ক্ৰমে অৰুণ বৰপাত্ৰগোহাঁই, দিব্যজ্যোতি লাহন, নিতুল গোহাঁইয়ে শ্ৰদ্ধাঞ্জলি জনায়। চাবুৱা এনইআইত কালি অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো বিগত দহ বছৰৰ পূৰ্বৰ পৰা অনুষ্ঠিত হৈ আহিছে আৰু আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে অধ্যক্ষ প্ৰশান্ত নেওগে।





*পলাশবাৰীত বিজেপিৰ প্ৰবুদ্ধ ব্যক্তি সন্মিলনত ৰাজ্যিক সভাপতি ভবেশ কলিতাসহ আন বিশিষ্ট ব্যক্তিসকল।*

# বিশ্বনাথ কৃষি মহাবিদ্যালয়ত অনুষ্ঠিত জিলাভিত্তিক প্ৰকল্প প্ৰস্তুতৰ শিক্ষক প্ৰশিক্ষণ কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩০ ছেপ্টেম্বৰ ঃ** ৩০ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ বিশ্বনাথ জিলা সাংগঠনিক সমিতিয়ে জিলাভিত্তিক শিক্ষক প্ৰশিক্ষণ কৰ্মশালা বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। বিশ্বনাথ জিলা শিশু বিজ্ঞান সমাৰোহৰ সমন্বয়ক ৰিপুঞ্জয় বৰদলৈয়ে আঁত ধৰা কৰ্মশালাখনত সঞ্চালক হিচাপে কাৰ্যকৰী সভাপতি ৰাণা প্ৰসাদ হাজৰিকাই দায়িত্ব পালন কৰে। বিশ্বনাথ জিলা শিশু বিজ্ঞান সমাৰোহৰ শৈক্ষিক সমন্বয়ক ড° দেৱাশিষ শৰ্মাই কৰ্মশালাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে আদৰণি ভাষণ প্ৰদান কৰে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ সহযোগী দীক্ষাগুৰু ড° ৰণেন্দ্ৰ নাথ বৰ্মনে। বিশ্বনাথ জিলাৰ অতিৰিক্ত উপায়ুক্ত ড° সূৰ্যকমল বৰাই কৰ্মশালা উদ্বোধন কৰি শিক্ষক সমাজে শিশুৰ বৌদ্ধিক আৰু মানসিক বিকাশত প্ৰকল্পৰ জৰিয়তে কেনেদৰে উত্তৰণ কৰাব পাৰে তাৰ ওপৰ তত্ত্বগধুৰ বক্তৃতা প্ৰদান কৰে। উল্লেখযোগ্য যে বিশ্বনাথ জিলাৰ উপায়ুক্তই প্ৰত্যেক বিদ্যালয়ৰ পৰা দুটাকৈ প্ৰকল্প জিলা সমাৰোহত অংশগ্ৰহণ কৰাটো বাধ্যতামূলক কৰিছে। উক্ত কৰ্মশালাতে ২০২১ৰ ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহলৈ নিৰ্বাচিত হোৱা নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হিৰক বৰা আৰু পশ্চিম কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰক্তোতপল হাজৰিকাক সম্বৰ্ধনা জনোৱা হয়। বিশ্বনাথ নগৰৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰে শিক্ষকসকলক প্ৰকল্প প্ৰস্তুতৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিবলৈ অনুৰোধ জনাই বক্তব্য ৰাখে। শিশু বিজ্ঞানী ভাস্কৰজ্যোতি শইকীয়া, হিৰক বৰা আৰু ৰক্তোতপল হাজৰিকাই প্ৰকল্প উপস্থাপনৰ কৌশল অৱগত কৰে। 'স্বাস্থ্য আৰু সৰ্বাংগীণ কুশলতাৰ বাবে পৰিস্থিতিতন্ত্ৰক বুজো আহা' মূল বিষয়ৰ ওপৰত বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ড° ৰাহুল শৰ্মা, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° ৰত্ন কিংকৰ গোস্বামী, ড° প্ৰশান্ত নেওগ আৰু চেঙামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ৰিপুঞ্জয় বৰদলৈয়ে শিক্ষকসকলক প্ৰকল্প প্ৰস্তুতৰ প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাত বিশ্বনাথ জিলা শিশু বিজ্ঞান সমাৰোহৰ শৈক্ষিক সমিতিৰ সভাপতি ড° হেমেন্দ্ৰ চৌধুৰী, উপদেষ্টা ড° ভক্ত প্ৰসাদ গৌতম, সহকাৰী সমন্বয়ক সঞ্জীৱ গগৈয়ে পৰিচালনা কৰা প্ৰশিক্ষণত ১৫৫ খন বিদ্যালয়ৰ দুই শতাধিক শিক্ষকে অংশগ্ৰহণ কৰে।

# তাল সাংস্কৃতিক গোষ্ঠীৰ সৌজন্যত মহেন্দ্ৰ হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা

**বিশেষ সংবাদদাতা**

**গোলঘাট, ৩০ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱ বতৰত পহিলা অক্টোবৰত গোলাঘাটৰ অগ্ৰণী অনুষ্ঠান সুৰ-তাল সাংস্কৃতিক গোষ্ঠীয়ে গণশিল্পী মহেন্দ্ৰ হাজৰিকাৰ সদৌ অসমভিত্তিত এখন বাছনিমূলক গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে। মূল দুটা শাখাত অনুষ্ঠিত হ'ব লগা এই প্ৰতিযোগিতা গোলাঘাটৰ সতী সাধনী কলাক্ষেত্ৰ প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব। মুঠ ১৬ টা নিৰ্বাচিত গীতেৰে এই প্ৰতিযোগিতাৰ পৰা প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত বিজয়ীসকলক মানপত্ৰ, বঁটা আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। ইতিমধ্যে এই প্ৰতিযোগিতালৈ অসমৰ বিভিন্ন ঠাইৰ প্ৰতিযোগীয়ে অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিছে। শ্ৰদ্ধাৰ হাজৰিকাৰ গীতৰ এই অনুষ্ঠানৰ জৰিয়তে তেওঁৰ সৃষ্টিৰাজি প্ৰচাৰ তথা প্ৰসাৰ কৰি নৱপ্ৰজন্মৰ মাজত ধৰি ৰখাৰ উদ্দেশ্যে এই প্ৰতিযোগিতা আয়োজন কৰা হৈছে বুলি সাংস্কৃতিক গোষ্ঠীটোক বিষয়ববীয়াসকলে মত ব্যক্ত কৰে।

# ধৰ্মপ্ৰাণা অনিমা ফুকনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ৩০ ছেপ্টেম্বৰ ঃ** ডিমৌ কুশল পথ নিবাসী তথা ডিমৌ অঞ্চলৰ এগৰাকী সমাজসেৱিকা, ধৰ্মপ্ৰাণা মহিলা, খেলুৱৈ, নামাচাৰ্যা, দিহানামৰ শিল্পী অনিমা ফুকন (৮৪)ৰ যোৱা নিশা বৈকুণ্ঠগামী হয়। তেওঁ অগপৰ প্ৰতিষ্ঠাকালৰ সক্ৰিয় সদস্যাৰ লগতে ডিমৌ ৰাসত আৰম্ভণিৰ পৰা জড়িত আছিল। কে'বাবাৰো তেওঁ গোৱালী ভাওত অভিনয় কৰিছিল। ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুত ডিমৌৰ বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

# গোসাঁইগাঁৱৰ গুৰুফেলাত চুৰি চাইকেল উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**

**দোতমা, ৩০ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ গুৰুফেলাত উদ্ধাৰ হৈছে চুৰি চাইকেল। যোৱা ২৬ ছেপ্টেম্বৰত গুৰুফেলা হাইস্কুলৰ পৰা আলিনগৰৰ বাসিন্দা পৰেশ মজুমদাৰৰ পুত্ৰ তপন মজুমদাৰৰ হিৰো চাইকেল চুৰি হয়। পাছত তপনৰ দেউতাকে চাইকেলখন বিচাৰি বিচাৰি গুৰুফেলা বজাৰৰ মাণিক দাসৰ ঘৰত উপস্থিত হৈ চাইকেলখন দেখা পাই আৰক্ষীক অৱগত কৰে। বিদ্যালয়ৰ পৰাও ঘটনা সন্দৰ্ভত আজি গুৰুফেলা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। পাছত আৰক্ষীয়ে মাণিক দাসৰ গৃহৰ পৰা চুৰি হোৱা চাইকেলখনৰ লগতে আন ভালেকেইখন চাইকেল উদ্ধাৰ কৰি আৰক্ষী চকীলৈ আনে আৰু মানিক দাসক আটক কৰি সোধাপোছা অব্যাহত ৰাখিছে।

# তেজপুৰৰ মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত 'হিন্দী পষেক'ৰ সামৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** তেজপুৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত 'হিন্দী পষেক'ৰ আজি সামৰণি অনুষ্ঠান সম্পন্ন হৈ যায়। হিন্দী ভাষাৰ প্ৰসাৰৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় স্তৰত উদ্‌যাপিত এই কাৰ্যসূচীৰ অংশ হিচাপে মানসিক চিকিৎসালয় প্ৰতিষ্ঠানত আজি পুৱা ১০ বজাত প্ৰতিষ্ঠানৰ উপ-অধীক্ষক ডাঃ কুশল তামুলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ আগবঢ়ায় ডাঃ

■ বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰদান

ইন্দ্ৰজিত বেনাৰ্জীয়ে। ভাষণ প্ৰসংগত অধীক্ষকজনে মাতৃভাষাৰ উপৰি প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে বাহিৰৰ জগতখনৰ লগত সমানে ফেৰ মাৰিবলৈ হিন্দী নাইবা ইংৰাজীৰ জ্ঞান অত্যন্ত প্ৰয়োজনীয় বুলি উল্লেখ কৰে। বেলেগ ভাষা এটা আয়ত্ত কৰা মানে মাতৃভাষাক বাদ দিয়া নুবুজায়। আজি কালি কেন্দ্ৰীয় চৰকাৰে ভাষা শিকাৰ নামত যথেষ্ট সুবিধা প্ৰদান কৰিছে। চৰকাৰী কাম-কাজত হিন্দী বা ইংৰাজী লাগিবই। গতিকে সচেষ্টভাৱে সকলোৱে মাতৃভাষাক লগত লৈ আগুৱাব লাগিব। হিন্দী পষেক উপলক্ষে প্ৰতিষ্ঠানৰ কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহো বিতৰণ কৰা হয়। অনুষ্ঠানত ৰাষ্ট্ৰপতিৰ পুৰস্কাৰপ্ৰাপ্ত অধ্যাপিকা ড° অৰুণজ্যোতি বৰুৱাই এটা ভাষাৰ মহত্ত্বৰ লগতে শিকাৰ আগ্ৰহৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। প্ৰতিষ্ঠানৰ আন এগৰাকী জ্যেষ্ঠ আধাপিকা ড° চনিয়া পি দেউৰীয়ে নিজা অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে সকলোকে হিন্দী ভাষাৰ জ্ঞান আহৰণত গুৰুত্ব দিবলৈ আহ্বান জনায়। প্ৰতিষ্ঠানৰ হিন্দী বিভাগৰ অনুবাদক সৌৰভ কুমাৰে শলাগ জ্ঞাপন কৰাৰ লগতে সহায় আগবঢ়াই বিভাগৰ কৰ্মচাৰী দীপক তিমচিনাই। সামৰণি অনুষ্ঠানত প্ৰতিষ্ঠানৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকাৰ লগতে কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# সুৰক্ষিত পথৰ ডিজাইন প্ৰতিযোগিতাৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৩০ ছেপ্টেম্বৰ ঃ** চেণ্টাৰ অফ এনভাইৰনমেণ্ট এডুকেছন (চিইই)ৰ উদ্যোগত যোৰহাটত অৱস্থিত কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানসমূহৰ শিক্ষাৰ্থীসকলৰ বাবে এক আন্তৰ্জাতিক পৰ্যায়ত যোৰহাট চহৰৰ সুৰক্ষিত পথৰ আৰ্হিৰ (ডিজাইন) এক প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। উল্লেখ্য যে চিইই-এ ২০১৭ৰ পৰা যোৰহাট চহৰত এটা শিশু পথ সুৰক্ষা প্ৰকল্প ৰূপায়ণ কৰি আহিছে আৰু ইয়াৰ জৰিয়তে শিক্ষাৰ্থীক সামৰি ক্ষেত্ৰভিত্তিক কৰ্মশালা আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিছে। চিইই-এ যোৰহাট নগৰত ছাত্ৰ-ছাত্ৰী আৰু পথচাৰীৰ বাবে অনুকূল পথৰ আন্তঃগাঁথনি উন্নয়ন আৰু সজাগতা বৃদ্ধিৰ বাবে কাম কৰি আহিছে। একে লক্ষ্যৰে চিইই-এ এইবাৰ কাৰিকৰী শিক্ষাৰ্থীসকলৰ মাজত সুৰক্ষিত পথ ব্যৱস্থা বিষয়ক আৰ্হি (ডিজাইন) প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিক্ষাৰ্থীসকলে ceenortheast@ceeindia.org লিংক ceeindia.org বা ই-মেইলৰ জৰিয়তে প্ৰতিযোগিতাৰ বাবে অনলাইন আবেদন কৰিবলৈ পঞ্জীয়ন কৰিব পাৰে। বিজয়ী প্ৰতিযোগীক পথ সুৰক্ষা ডিজাইন চেম্পিয়ন হিচাপে পুৰস্কৃত কৰা হ'ব আৰু বিভিন্ন প্ৰতিনিধি যেনে আইআইটি গুৱাহাটী, ৱৰ্ল্ড ৰিচৰ্চ ইনষ্টিটিউট আৰু গোলকীয় পথ সুৰক্ষা অংশীদাৰিত্ব আৰু বহুতো প্ৰতিনিধিৰ সন্মুখত তেওঁলোকৰ ডিজাইন আৰু ধাৰণা উপস্থাপন কৰাৰ সুযোগ পাব।

# সুৰেণ দাস মহাবিদ্যালয়ৰ বাৰ্ষিক কলা-ক্ৰীড়া মহোৎসৱ মুকলি সভা-বঁটা বিতৰণী সভা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩০ ছেপ্টেম্বৰ ঃ** তীৰ্থনগৰী হাজোৰ অগ্ৰণী শিক্ষানুষ্ঠান সুৰেণ দাস মহাবিদ্যালয়ৰ বাৰ্ষিক কলা, ক্ৰীড়া মহোৎসৱৰ মুকলি সভা আৰু বঁটা বিতৰণী সভাখন আজি অনুষ্ঠিত হৈ যায়। সেই অনুসৰি মহাবিদ্যালয়খনৰ মাধৱদেৱ ৰংগমঞ্চৰ সভাকক্ষত আয়োজন কৰা মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত সভাপতিত্ব কৰে সুৰেণ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাই। এই মুকলি সভাত অংশগ্ৰহণ কৰি শিক্ষাবিদ কিশোৰ ভট্টাচাৰ্যই কয়, 'সফলতাৰ বাবে অধ্যয়ন একেবাৰে অপৰিহাৰ্য। ছাত্ৰ- ছাত্ৰীসকলে সফল জীৱনৰ বাবে অধ্যয়নৰ সমান্তৰালভাৱে আনুষংগিক সকলো বিষয়ত সম্যক জ্ঞানৰ পৰিসৰ লাগিব। সমাজ জীৱনৰ বাবে মহান মনীষীসকলে কৰি যোৱা কৰ্মৰ বাটেৰে আগবাঢ়ি যাবলৈ হ'লে তেনে বৰেণ্য লোকসকলৰ জীৱন পৰিক্ৰমা সাৰোগত কৰা খুবেই প্ৰয়োজন।' এই সভাত অংশগ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰফুল্ল ডেকাই কয় যে শিক্ষা গ্ৰহণৰ পৰিধি নাই। শিক্ষা ল'বলৈ শিক্ষানুষ্ঠানৰ চাৰিসীমাত আবদ্ধ থাকিলেই নহ'ব সমাজৰ প্ৰতিটো বিষয়ৰ পৰা জ্ঞান আৰু শিক্ষা ছাত্ৰ-ছাত্ৰীসকলে ল'ব লাগিব। এই সভাত ভাগ লৈ সুৰেণ দাস মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা ড° বিনীতা দাসে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতাৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ পাঠ্যপুথি অধ্যয়নৰ সমান্তৰালভাৱে আনুষংগিক সকলো বিষয় আয়ত্ত কৰাটো খুবেই প্ৰয়োজন বুলি উল্লেখ কৰি এনে ক্ষেত্ৰত আজিৰ বিশ্বৰ প্ৰতিযোগিতামূলক বিষয়ত সফলতাৰ বাবে প্ৰচেষ্টা সদায়েই অব্যাহত ৰাখিব লাগিব । সভাত সুৰেণ দাস মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আলী আকবৰ হুছেইনে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি গঠনমূলক বক্তব্য দাঙি ধৰে। এই মুকলি সভাত বাৰ্ষিক কলা, ক্ৰীড়াৰ বিভিন্ন বিষয়ত সফলতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত আৰু নৃত্য পৰিৱেশন কৰে। এই সভাত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাৰ উপৰি কে'বাশতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে বিশিষ্ট লোক উপস্থিত থাকে।

# ঘগ্ৰাপাৰতো ১৭ খনকৈ পূজা মণ্ডপত দুৰ্গা দেৱীক আদৰাৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ অঞ্চলৰ ১৭ খনকৈ পূজা মণ্ডপত দুৰ্গা দেৱী আদৰাৰ প্ৰস্তুতি তুংগত উঠিছে। ইতিমধ্যে পূজা উদ্‌যাপন সমিতিসমূহে দুৰ্গা দেৱীক আদৰাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ লগতে চৰকাৰে বান্ধি দিয়া নিয়মসমূহ পালনৰ ব্যৱস্থা হাতত লৈছে। লগতে আৰক্ষী-প্ৰশাসন আৰু গাঁওৰক্ষী বাহিনীসমূহে নিজ নিজ অঞ্চলত দুৰ্গা পূজাত কৰ্তব্য পালনৰ বাবে সাজু হৈছে বুলি জানিব পৰা গৈছে। ঘগ্ৰাপাৰৰ গ্ৰাম্য চহৰ ঘগ্ৰাপাৰ হৰিমন্দিৰত এইবেলিও ৬৮ সংখ্যক দুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি ইতিমধ্যে সম্পন্ন হৈছে। উল্লেখ্য যে বিগত কিছু বছৰ ধৰি দেৱীৰ মাৰ্বলৰ স্থায়ী প্ৰতিমাৰে পূজা চলি অহাৰ উপৰি এইখন পূজা মণ্ডপত প্ৰতিবছৰে প্ৰতিদিনে হেজাৰ হেজাৰ ভক্তৰ ভিৰ কৰা পৰিলক্ষিত হয়। আনহাতে, পূৰ-নলবাৰী সাৰ্বজনীন দুৰ্গা (ঘগ্ৰাপাৰ বহুমুখী), নাৰপাৰ, দতৰা, পদুম কুঁৱৰী, দেহাকুছি, বৰখালা, বাহাৰঘাট, বৰাজোল, সাগৰকুছি, নিপুখুৰী, আল্লিয়া, ধমধমা, নাহেৰবাৰী, বালিতৰা, চটাইবাৰী ৰঙাফালি(১), ৰঙাফালি(২) আদিতো আয়োজন কৰা হৈছে দুৰ্গা পূজা। দুৰ্গোৎসৱৰ লগত সংগতি ৰাখি ওজাপালি, ধুলীয়া, নাগাৰা নাম, নাটক, যাত্ৰাভিনয়ৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বৃহত্তম ঘগ্ৰাপাৰৰ ১৭ পূজা মণ্ডপত শান্তিপূৰ্ণভাৱে পূজা-পাতল, সাংস্কৃতিক অনুষ্ঠানকে ধৰি ভক্তসকলে যাতে নিৰাপত্তাহীনতাত ভুগিব নালাগে তাৰ বাবে স্থানীয় ৰাজহ চক্ৰ বিষয়া মণিষা কলিতা আৰু আৰক্ষী বিষয়া চন্দন ডেকাই পূজা সমিতিৰে আলোচনাত মিলিত হৈ প্ৰশাসনৰ সকলো নীতি-নিয়ম ব্যাখ্যা কৰিছে।

# সুৱৰ্ণপ্ৰভা বিদ্যালয়ত শিশু বিজ্ঞান সমাৰোহৰ কৰ্মশালা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩০ ছেপ্টেম্বৰ ঃ** ঢেকিয়াজুলি সুৱৰ্ণপ্ৰভা বৰদলৈ উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত ৩০সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ যোৰহাট জিলা সমাৰোহৰ সৌজন্যত কালি এক কৰ্মশালা বিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হয়। সমাৰোহত বালিকা বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শইকীয়া, অধ্যক্ষা ধৰিত্ৰী হাজৰিকা, শিক্ষয়িত্ৰী তুলসী বৰদলৈ, ফাৰহানা জেছমিন হাজৰিকা, শিক্ষক বিজিত বৰা, মৃণাল শইকীয়াৰ উপস্থিতিত অধ্যক্ষা হাজৰিকাৰ আদৰণি ভাষণেৰে আৰম্ভ কৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি উদগনি ভাষণ প্ৰদান কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাজেন্দ্ৰ নাথ শইকীয়াই। ইয়াৰ পাছতেই 'বৈদ্যুতিন মাধ্যম যোগে প্ৰকল্প কিয় কৰিব লাগে আৰু শিক্ষক উপদেষ্টাৰ ভুমিকা' শীৰ্ষক বিষয়ত বক্তব্য আগবঢ়ায় শ্ৰেষ্ঠ ৰাজ্যিক গাইড শিক্ষকৰ পুৰস্কাৰ প্ৰাপক ভূপেন কুমাৰ বৰুৱাই। জিলা সমাৰোহৰ শৈক্ষিক সমিতিৰ সভাপতি ড° দণ্ডেশ্বৰ দত্তই 'সুস্বাস্থ্য আৰু সৰ্বাংগীঁ কুশলতাৰ বাবে পৰিস্থিতিতন্ত্ৰক বুজো আহা' মূল শাখা বিষয় সম্পৰ্কত বিতং আলোকপাত কৰে। অনুষ্ঠানৰ শলাগ জ্ঞাপন কৰে শিক্ষক মৃণাল শইকীয়াই।

# ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকৰ দুৰ্দশা

## অৰ্থৰ অভাৱত পূজাত নতুন কাপোৰ দিবলৈও সক্ষম নহ'ল বাণিজ্য শাখাৰ শিক্ষক-কৰ্মচাৰীয়ে



*কমলাবাৰীত এনএইছপিচিৰ প্ৰতিকৃতি দাহ আছুৰ, শুকুৰবাৰে।*

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৩০ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত এখন শিক্ষানুষ্ঠান হ'ল পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়। বৰখালাত অৱস্থিত উক্ত শিক্ষানুষ্ঠান ১৯১১তে স্থাপিত হৈছিল। প্ৰথমতে মজলীয়াৰ পৰা উচ্চ মাধ্যমিক আৰু পৰৱৰ্তী সময়ত উচ্চতৰ মাধ্যমিকলৈ উন্নত হয় বিদ্যালয়খন। প্ৰথমতে বিদ্যালয়খনে বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিকলৈ উন্নীত হৈছিল যদিও পৰৱৰ্তী সময়ত ৰাইজৰ প্ৰবল ইচ্ছাত ক্ৰমে কলা আৰু বাণিজ্য শাখা সংযোগ কৰে। কিন্তু দুৰ্ভাগ্যজনক কথা যে ১৯৯৮তে প্ৰতিষ্ঠা কৰা বাণিজ্য শাখাৰ এজনো শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ নোহোৱাত শিক্ষক-কৰ্মচাৰীসকলৰ মাজত চূড়ান্ত হতাশাই বিৰাজ কৰিছে। উল্লেখ্য যে বাণিজ্য শাখাটোলৈ বিগত ২০০৩ত অসম চৰকাৰৰ শিক্ষা বিভাগে উপযুক্ততাৰ প্ৰমাণপত্ৰ দিছিল আৰু ২০০৫ত পাইছিল চৰকাৰী অনুমতি। ইয়াৰ উপৰি বিগত ২০১০ৰ ১২ নৱেম্বৰলৈ তিনিবছৰ এইসকল শিক্ষকে পাইছিল চৰকাৰী সাহায্য। তাৰ পাছৰে পৰা আজি পৰ্যন্ত ফুটা কড়ি এটাও পোৱা নাই দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীসকলে। দুৰ্গা পূজাৰ সময়ত সকলোৱে নতুন কাপোৰ ল'ব, ল'ৰা-ছোৱালীক পছন্দৰ কাপোৰ দিব; কিন্তু এইসকল দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীয়ে অৰ্থৰ অভাৱত সন্তানক এযোৰ কাপোৰ দিবলৈ অপাৰগ হোৱা দেখা গৈছে। মন কৰিবলগীয়া বিষয় যে ২০১৫ত চৰকাৰী বাছনি সমিতিত উপযুক্ত বুলি নিৰ্বাচিত হৈছিল বিদ্যালয়খন। আনহাতে, চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াত উক্ত বিদ্যালয়ৰ নাম অন্তৰ্ভুক্তও আছিল কিন্তু দুৰ্ভাগ্যজনকভাৱে দুই ফেব্ৰুৱাৰীত নিযুক্তি দিয়া সময়ত উক্ত বিদ্যালয় বাদ পৰাত হতাশাত ভুগিছে শিক্ষকসকল। সেই সন্দৰ্ভত বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন বৰাই কয় যে ইউজাৰ ডাইজ ক'ডত নাম অন্তৰ্ভুক্ত থকাৰ পাছতো ডাইজ ক'ডত নাম নোহোৱাৰ অভিযোগত বাদ পৰিল বিদ্যালয়খনৰ দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীসকল। উল্লেখ্য যে বিদ্যালয়খন বাণিজ্য শাখাটো প্ৰতিষ্ঠা কালৰ পৰা দীপক কুমাৰ দাস আৰু দেবেন্দ্ৰ কলিতা, ২০০৭ৰ পৰা অপূৰ্ব কুমাৰ শৰ্মা, ২০১০ৰ পৰা ডলি ডেকা, জয়মতী কলিতা আৰু নিজৰা ডেকাৰ লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী দীপাংকৰ বৈশ্য কৰ্মৰত হৈ আছে। পৰিয়ালৰ চৰম আৰ্থিক দৈন্যকো মূৰপাতি লৈ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়াত নিজক নিয়োজিত কৰিও চৰকাৰী স্বীকৃতি নোপোৱাত হতাশ হৈ পৰিছে এওঁলোক। তদুপৰি অন্য কৰ্ম-সংস্থাপনৰ ১৩ পৃষ্ঠাত চাওক

**বিশ্বনাথত সংঘটিত ছাইবাৰ ক্ৰাইম**

# যুৱকৰ লগত মিলি বনকৰা যুৱতীয়ে সৰকালে ৩০ লাখ টকা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩০ ছেপ্টেম্বৰ ঃ** বিশ্বনাথত সংঘটিত হ'ল জিলাখনৰ ভিতৰতে এক ছাইবাৰ ক্ৰাইম। প্ৰাপ্ত তথ্য মতে, সম্পৰ্কীয় এজন যুৱক আৰু এগৰাকী ঘৰত বনকৰা যুৱতীয়ে সহজ-সৰল এগৰাকী বিধৱা মহিলাৰ পৰা অনলাইনযোগে অতি কৌশলেৰে সৰকাই নিয়ে ৩০ লাখতকৈ অধিক টকা। উল্লেখ্য যে বিশ্বনাথৰ কোচগাঁও নিবাসী জয়ন্তী শইকীয়াৰ ঘৰত পাঁচ বছৰ বয়সৰ পৰাই নিজৰ কন্যাৰ দৰে আছিল দীপালী তাঁতী নামৰ এগৰাকী যুৱতী। কিন্তু যিগৰাকী বনকৰা ছোৱালীক নিজৰ ছোৱালীৰ দৰে ৰাখি ২০ বছৰীয়া কৰিলে সেই ছোৱালীজনীয়েই জয়ন্তী শইকীয়াৰ সম্বন্ধীয় এজন যুৱক সমীৰ ওজাৰ লগত যুটি বান্ধি অতি কৌশলেৰে একাউণ্টৰ পৰা ৩০ লক্ষাধিক টকা লুট কৰি বিধৱাগৰাকীৰ সম্পূৰ্ণ সাঁচতীয়া ধন নাইকিয়া কৰি পেলালে। মহিলাগৰাকীৰ স্বামীয়ে আৰক্ষী বিভাগত চাকৰি কৰিছিল; কিন্তু স্বামীৰ মৃত্যুৰ পাছত লাভ কৰা সম্পূৰ্ণ টকা বনকৰা ছোৱালী দীপালীয়ে আত্মসাৎ কৰে সমীৰৰ লগত মিলি। নিজৰ ছোৱালীৰ দৰে ৰখা দীপালীক অগাধ বিশ্বাস কৰিছিল জয়ন্তী শইকীয়াই আৰু তাৰেই পৰিণতিত জয়ন্তীৰ ম'বাইলৰে দীপালী আৰু সমীৰ নামৰ যুৱকজনে প্ৰায় দুবছৰ ধৰি জয়ন্তীৰ একাউণ্টৰ পৰা কৰি আহিছিল ধন ট্ৰেন্সফাৰ। লগতে কৰি আছিল অনলাইন শ্ব'পিং। কিন্তু যেতিয়া বিধৱাগৰাকীয়ে নিজৰ বেংকৰ একাউণ্টৰ তালিকা উলিয়াই তেতিয়াই যেন মূৰৰ ওপৰত সৰগ ভাগি পৰে ১৩ পৃষ্ঠাত চাওক

# পুৱতি সাহিত্য সভাৰ আৱাসিক চ'ৰা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ৩০ ছেপ্টেম্বৰ ঃ** বোকাখাতৰ পুৱতি সাহিত্য সভাৰ আজি এখন সাহিত্য চৰা সভাপতি অপূৰ্ব বৰদলৈৰ আবাসত অনুষ্ঠিত হয়। সম্পাদক গীতাঞ্জলি কলিতাই আঁতধৰা সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য দিগন্ত কুমাৰ ভূঞা, গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি পবিত্ৰ বৰবৰা, প্ৰাক্তন সভাপতি ৰিপুঞ্জয় গোস্বামী, গুণধৰ বৰা, আপকুৰ প্ৰাক্তন সভাপতি ভবেশ শইকীয়া, সন্ধানীৰ সভানেত্ৰী পুতলী খাওণ্ড, অৱসৰপ্ৰাপ্ত অধ্যক্ষা ড° বিভা বৰা, ড° বাবুলাল মোৰ, জ্যেষ্ঠ নাগৰিক ৰাজু নিমোদীয়া, মনোৰঞ্জন সেন, পোনা গগৈ আদি উপস্থিত থাকে। দিলীপ কুমাৰ শৰ্মাই সঞ্চালনা কৰা চৰাত নপুৰণি সাহিত্যিকসকল গল্প-কবিতা আদি পাঠ কৰে। পুৱতি সাহিত্য সভাৰ সভাপতি অপূৰ্ব বৰদলৈৰ ওপজা দিন উপলক্ষে তেওঁক ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়।

# ডিগবৈত শংকৰ জন্মোৎসৱ

### প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**ডিগবৈ, ৩০ ছেপ্টেম্বৰ ঃ** ডিগবৈৰ ১৯টা নামঘৰৰ একত্ৰিত উদ্যোগত দুই নম্বৰ গোলাই নামঘৰত আয়োজন কৰা শংকৰ জন্মোৎসৱৰ অসম ভিত্তিত প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰিছে। প্ৰতিযোগিতাত প্ৰথম স্থান বিবেচিত নহ'ল। দ্বিতীয় স্থান লাভ কৰিছে শুৱালকুছিৰ জিতামণি দাসে। তৃতীয় স্থান ডিগবৈৰ পলাশজ্যোতি বৰুৱা আৰু উদগনিমূলক বঁটা লাভ কৰিছে মৌলতা বৰাই। প্ৰতিযোগিতাৰ বঁটাসমূহ জন্মোৎসৱৰ অহা আঠ অক্টোবৰৰ চাৰি বজাৰ মুকলি অধিবেশনত প্ৰদান কৰা হ'ব বুলি প্ৰতিযোগিতা বিভাগৰ সভাপতি দিপেন কুমাৰ বড়াই জানিবলৈ দিয়ে।

# যোৰহাটৰ জিলা কৃষি বিভাগৰ উদ্যোগত ৰংদৈৰ কৃষকক বীজ, সাৰ-কৃষি সামগ্ৰী বিতৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৩০ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে দেশৰ কৃষকসকলক কৃষি কাৰ্যত অধিক উৎপাদনশীল কৰিবলৈ বিভিন্ন প্ৰচেষ্টা হাতত লৈ আহিছে। এই আঁচনিসমূহৰ জৰিয়তে কৃষকসকল অধিক লাভান্বিত হৈছে আৰু দেশৰ কৃষিখণ্ডলৈ আমূল পৰিৱৰ্তন আহিছে। চৰকাৰৰ মহৎ উদ্দেশ্য আগত ৰাইজ যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত যোৱা ২৫ ছেপ্টেম্বৰত বাহনা কৃষি উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰংদৈত এখন কৃষক সভা অনুষ্ঠিত হয়। কৃষক সভাত ৰংদৈ আৰু দাঁতি-কাষৰীয়া অঞ্চলৰ শতাধিক নিৰ্বাচিত কৃষকক কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ৰাষ্ট্ৰীয় কৃষি বিকাশ ১৩ পৃষ্ঠাত চাওক

# সৈনিক স্কুলৰ সন্মুখত বৰ্খাস্ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩০ ছেপ্টেম্বৰ ঃ** বিগত ১৫-২০ বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰি থকা ৪৫ গৰাকীকৈ চতুৰ্থ বৰ্গৰ অস্থায়ী কৰ্মচাৰীক বৰ্খাস্ত কৰাৰ প্ৰতিবাদত আজি গোৱালপাৰা জিলাৰ মৰনৈস্থিত সৈনিক স্কুলৰ গেটৰ সন্মুখত অৱস্থান ধৰ্মঘট পালন কৰে। উল্লেখ্য যে গোৱালপাৰা সৈনিক স্কুলৰ অধ্যক্ষ ৱাই এছ পৰমাৰে ১৫-২০ বছৰ ধৰি কাম কৰি থকা ৪৫ গৰাকী চতুৰ্থ বৰ্গৰ অস্থায়ী কৰ্মচাৰীক কামৰ পৰা অব্যাহতি দি ঠিকাদাৰৰ জৰিয়তে নতুনকৈ অস্থায়ী কৰ্মচাৰী লৈ আছে। ফলত অব্যাহতি দিয়া চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পৰিয়াললৈ অমানিশা নামি আহিছে। সেয়ে কেইদিনমান পূৰ্বে গোৱালপাৰা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী পালন কৰি অধ্যক্ষৰ এই হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চাৰিদফীয়া দাবীৰে জিলা উপায়ুক্তৰ জৰিয়তে প্ৰতিৰক্ষা মন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল। ইফালে, আজি বৰ্খাস্ত হোৱা কৰ্মচাৰীসকলে বেনাৰৰ লগতে হাতে হাতে প্লে কাৰ্ড লৈ মৰনৈ সৈনিক স্কুলৰ গেটৰ সন্মুখত অৱস্থান ধৰ্মঘট পালন কৰি 'সৈনিক স্কুলৰ শ্ৰমিক কৰ্মচাৰীসকলক হাৰাশাস্তি কৰা বন্ধ কৰক, ঠিকাদাৰৰ জৰিয়তে সৈনিক স্কুলত শ্ৰমিক কৰ্মচাৰী নিয়োগ বন্ধ কৰক, বৰ্খাস্ত কৰা কৰ্মচাৰীসকলক অনতি পলমে পুনৰ ১৩ পৃষ্ঠাত চাওক

# চিএমআইপিপিৰ অধীনত নলবাৰী কৃষি বিভাগৰ উদ্যোগত বৃক্ষৰোপণ



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ অধীনত নলবাৰী জিলা কৃষি বিভাগৰ উদ্যোগত ৪০ হেজাৰ গছপুলি ৰোপণ কাৰ্যসূচী অব্যাহত ৰখা হৈছে। তাৰে অংশ হিচাপে আজি নলবাৰী জিলা কৃষি বিভাগৰ উদ্যোগত চামতা কৃষি চক্ৰৰ অন্তৰ্গত বিহামপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত চিএমআইপিপি কাৰ্যসূচীৰ অধীনত গছপুলি ৰোপণ কৰা হয়। জিলা কৃষি বিষয়া হবিবুল হক, সহকাৰী কৃষি সঞ্চালক যোগেশ্বৰ ৰাজমেধি, মহকুমা উদ্যান শস্য বিষয়া কুমুদ হালৈ, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰমেন ডেকা আৰু পূজা কমিটীৰ লোকসকলৰ উপস্থিতিত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে বহুবছৰ ধৰি নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই অহা নলবাৰী জিলা কৃষি বিষয়া হবিবুল হকৰ আজি অৱসৰ দিন। চাকৰি জীৱনৰ শেষৰ দিনটোত তেওঁ ভৱিষ্যৎ জীৱনলৈ পূজা কমিটীয়ে শুভকামনা জনায়। নলবাৰী জিলা উপায়ুক্ত গীতিমণি ফুকনেও জিলা কৃষি বিষয়া হবিবুল হকক গামোচা পিন্ধাই শুভেচ্ছা জ্ঞাপন কৰে।

# নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আইটিবিপিৰ কেৰিয়াৰ সজাগতা

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ৩০ ছেপ্টেম্বৰ ঃ** নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি 'ইণ্ডো-টিপেট্ৰান ব'ৰ্ডাৰ পুলিচ' চমুকৈ আইটিবিপিৰ ৩৩ বেটেলিয়ন(গুৱাহাটী)ৰ উদ্যোগত আজি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক কেৰিয়াৰ সজাগতা অনুষ্ঠান সম্পন্ন হয়। নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হিন্দী শিক্ষয়িত্ৰী লক্ষীদেৱী গগৈয়ে আঁতধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহেন শইকীয়াই। আইটিবিপি ৩৩ বেটেলিয়নৰ এছিচটেন্ট কমাণ্ডেন্ট জনাৰ্দন কালু আৰু পৰিদৰ্শক প্ৰাণটুছ দত্তই ছাত্ৰ-ছাত্ৰীক কেৰিয়াৰ সম্পৰ্কে বিশদভাৱে আলোকপাত কৰে। বিশেষকৈ সেনাৰ লগতে আইটিবিপিৰ জোৱান হিচাপে কেনেদৰে নিজৰ কেৰিয়াৰ গঢ়িব পৰা যায়; সেই সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। তদুপৰি, নিৰাপত্তা বাহিনীৰ বিষয়া দুগৰাকীয়ে আজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ স'তে মত-বিনিময়ো কৰে।

# হালোগাঁৱত কামৰূপ জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী অধিৱেশন

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩০ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা এখন আজি কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দগাঁৱৰ পদুম কুঁৱৰী হাইস্কুলত অনুষ্ঠিত হয়। কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত সভাত হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত হালোগাঁৱত অনুষ্ঠিত হ'বলগীয়া কামৰূপ জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী অধিৱেশন সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। উক্ত অধিৱেশনতে কামৰূপ জিলা সাহিত্য সভাৰ বাৰ্ষিক মুখপত্ৰ 'কামৰূপা'ৰ লগতে 'কামৰূপৰ বুৰঞ্জী' নামৰ গ্ৰন্থখন প্ৰকাশ পাব বুলি সভাপতিজনে জানিবলৈ দিয়ে। তদুপৰি অহা ডিচেম্বৰত কাৰ্যকাল অন্ত পৰিবলগীয়া বৰ্তমানৰ সমিতিখনে আগন্তুক কাৰ্যকালৰ বাবে অহা ডিচেম্বৰত সাংগঠনিক নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ সভাপতি-উপ-সভাপতি আৰু সম্পাদক পদৰ বাবে হ'বলগীয়া নিৰ্বাচন সন্দৰ্ভত আজিৰ সভাই আলোচনা কৰি তনুৰাম কলিতাক মুখ্য নিৰ্বাচনী বিষয়া, ৰমেশ চন্দ্ৰ মেধি আৰু হেমন্ত কলিতাক নিৰ্বাচনী বিষয়াৰ লগতে কামৰূপ জিলা সাহিত্য সভাৰ আইন উপদেষ্টা বিৰূপাক্ষ মজুমদাৰ আৰু যোগেন তালুকদাৰক নিৰ্বাচনী পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়ে। সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতীয়ে সভাত জনোৱা মতে, কামৰূপ জিলা সাহিত্য সভাৰ অধীনৰ শতদল আৰু স্বৰ্ণ শাখাসহ মুঠ ৫১ টা শাখা সাহিত্য সভাই নিৰ্বাচনত ভোটদান কৰাৰ সুযোগ পাব। উক্ত সভাতে পূব কামৰূপ শাখা সাহিত্য সভা আৰু উত্তৰ গুৱাহাটী শাখা সাহিত্য সভাক সক্ৰিয় শাখাৰ প্ৰমাণপত্ৰ ১৩ পৃষ্ঠাত চাওক

### ■ অধিৱেশনত প্ৰকাশ পাব কামৰূপৰ বুৰঞ্জী

# পুতলা পিষ্টলৰ সলনি শিশুক গ্ৰন্থ উপহাৰ দিয়ক

### ■ দুই অক্টোবৰৰ পৰা পুৰণিগুদাম প্ৰেছ ক্লাবৰ শিশু গ্ৰন্থমেলা
### ■ চিত্ৰাংকন প্ৰতিযোগিতাত সকলোৱে পাব পুৰস্কাৰ

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ৩০ ছেপ্টেম্বৰ ঃ** 'পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক' শীৰ্ষক বাণীৰে ১৯৯৬ৰ পৰা অনুষ্ঠিত হৈ অহা শাৰদীয় পুৰণিগুদাম শিশু গ্ৰন্থমেলাখন বিগত বছৰৰ দৰে এই বছৰো অহা দুই অক্টোবৰৰ পৰা পাঁচ অক্টোবৰলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজনৰ প্ৰস্তুতি চলিছে। নগাঁও জিলাৰ পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া শিশু গ্ৰন্থমেলাৰ কাৰ্যসূচী অনুসৰি দুই অক্টোবৰৰ পুৱা ন বজাত পুৰণিগুদাম প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰিব পুৰণিগুদাম প্ৰেছ ক্লাবৰ সভাপতি তপন কটকীয়ে আৰু পুৰণিগুদাম শিশু গ্ৰন্থমেলা উদ্‌যাপন সমিতিৰ পতাকা উত্তোলন কৰিব গ্ৰন্থমেলা উদ্‌যাপন সমিতিৰ সভাপতি মণিমাধৱ মহন্তই। পুৱা ৯.৩০ বজাত মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। পুৱা ১০ বজাত গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃণ্ময় দাসে। পুৱা ১০-৩০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি ছয় বজাত লেখক-পাঠকৰ আড্ডা পৰিচালনা কৰিব চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পাৰুল গায়নে। তিনি অক্টোবৰৰ বিয়লি চাৰি বজাত লেখক জিতু হাজৰিকা আৰু বিপুল মজিন্দাৰৰ দুখনকৈ গ্ৰন্থ উন্মোচন কৰিব মণিমাধৱ মহন্তই। ইয়াৰ পাছতে মননশীল বাৰ্তালাপ অনুষ্ঠান বিষয় 'প্ৰজ্ঞাৰ সাধনাত বৌদ্ধিক কচৰৎ' অনুষ্ঠানত চামগুৰিৰ ৰাজহ চক্ৰ বিষয়া ৰিপণজ্যোতি নাথ, চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱা আৰু ড° বিকেবি মহাবিদ্যালয়ৰ অধ্যক্ষ নৃপেন চন্দ্ৰ দাসৰ স'তে বাৰ্তালাপ কৰিব আগ্ৰহী ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকসকলে। অনুষ্ঠানটো পৰিচালনা কৰিব কুলপ্ৰদীপ দাসে। সন্ধিয়া ছয় বজাত সাংস্কৃতিক অনুষ্ঠান। পৰিচালনা কৰিব বনশ্ৰী শৰ্মা কলিতাই। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। চাৰি অক্টোবৰৰ বিয়লি ৪.৩০ বজাত মুকলি কুইজ সঞ্চালনা কৰিব ৰাজীৱ গোস্বামীয়ে, অনুষ্ঠানৰ আঁত ধৰিব কাবুল কলিতাই। সন্ধিয়া ছয় বজাত লেখক-পাঠকৰ অন্তৰংগ অনুষ্ঠান সঞ্চালনা কৰিব পুৰণিগুদাম প্ৰেছ ক্লাবৰ উপদেষ্টা তথা এনকে টিভিৰ জ্যেষ্ঠ সাংবাদিক পৰাগমণি আদিত্যই। সন্ধিয়া ছয় বজাৰ পৰা নটৰাজ নৃত্য সাধনা কেন্দ্ৰৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠান পৰিচালনা কৰিব কংকণা শৰ্মাই। অনুষ্ঠান উদ্বোধন কৰিব প্ৰেছ ক্লাবৰ উপদেষ্টা হেমন্ত শইকীয়াই। পাঁচ অক্টোবৰৰ বিয়লি পাঁচ বজাত লেখক-পাঠকৰ অন্তৰংগ আলাপ অনুষ্ঠান সঞ্চালনা কৰিব দ্বীজেন্দ্ৰ মোহন ১৩ পৃষ্ঠাত চাওক

# বাগ্‌সা জিলা ৰেছম বিভাগৰ দুই সদ্য অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক বিদায় সম্বৰ্ধনা জ্ঞাপন



**অগ্ৰদূত বাৰ্তা**

**টিহু, ৩০ ছেপ্টেম্বৰ ঃ** ৰেচম বিভাগৰ বাথৌপুৰীস্থিত বাগ্‌সা জিলা সহকাৰী সঞ্চালকৰ কাৰ্যালয়ত আজি বিভাগটোৰ দুগৰাকী সদ্য অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিভাগটোৰ বাজেগাঁও পথাৰ এৰী ফাৰ্মৰ নুৰজামাল আলী আৰু সুৱণখাটা এৰী ফাৰ্মৰ কৰ্মচাৰী লিফুৰু ৰাভাক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে ৰেচম বিভাগৰ বাগ্‌সা জিলাৰ সহকাৰী সঞ্চালক ৰত্নেশ্বৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত আৰু কাৰিকৰী প্ৰদৰ্শক জ্ঞানদীপ শৰ্মাই আঁতধৰা বিদায় সভাত নুৰজামাল আলী আৰু লিফুৰু ৰাভাক ফুলাম গামোচা, শৰাই, মানপত্ৰ আদিৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। বিভাগটোত কৰ্মৰত মনোৰঞ্জন ডেকা, হোমেশ্বৰ দাস, জিতেন স্বৰ্গীয়াৰী, ৰমেন দাস, প্ৰদীপ বসুমতাৰী, মধুৰাম দাস আদিয়ে বক্তব্য দিয়া সভাখনত জিলাখনৰ ভিন্ন প্ৰান্তৰ কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

# ব্যৱহাৰিক শিক্ষাইহে শিক্ষাৰ্থীৰ জীৱন গঢ়ি তুলিব পাৰে ঃ ড° গগৈ

### ■ 'দক্ষিণ আফ্ৰিকা-ডেনমাৰ্কৰ উচ্চ শিক্ষা' সম্পৰ্কে আন্তঃৰাষ্ট্ৰীয় বক্তৃতা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড় ৩০ ছেপ্টেম্বৰ ঃ** 'দক্ষিণ আফ্ৰিকাৰ শিক্ষা ব্যৱস্থা প্ৰকল্প ভিত্তিক। প্ৰকল্প ভিত্তিক শিক্ষা ব্যৱস্থা সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ পৰিছে। ব্যৱহাৰিক শিক্ষাইহে শিক্ষাৰ্থীৰ জীৱন গঢ়ি তুলিব পাৰে।' দক্ষিণ আফ্ৰিকাৰ কেপটাউন বিশ্ববিদ্যালয়ৰ গৱেষক, অসম সন্তান ড° চিৰঞ্জীৱ গগৈয়ে এইদৰে কয়। স্নেহবন্ধন, ডিব্ৰুগড় সাহিত্য সভা, ডিএইছএছ কানৈ মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগ, শদিয়া মহাবিদ্যালয় আৰু ডিগবৈ মহলা মহাবিদ্যালয়ৰ উদ্যোগত ২৮ ছেপ্টেম্বৰত অনলাইন মাধ্যমত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত ড° গগৈয়ে কয় যে দক্ষিণ আফ্ৰিকাৰ কলেজ, বিশ্ববিদ্যালয়সমূহত ব্যৱহাৰিক শিক্ষাক অধিক গুৰুত্ব দিয়াৰ বাবে শিক্ষাৰ্থীসকলে অধ্যয়নৰ আজৰি সময়খিনি হোটেল, ক্লাব বা অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানত কাম কৰিবলৈ সুবিধা লাভ কৰে। নম্বৰতকৈ বিষয়বস্তুৰ জ্ঞান আৰু শিক্ষা আহৰণৰ ওপৰত অধিক গুৰুত্ব দিয়ে। দক্ষিণ আফ্ৰিকাৰ বিভিন্ন বিশ্ববিদ্যালয়সমূহৰ শিক্ষা ব্যৱস্থাৰ বিশ্লেষণ কৰি ড° গগৈয়ে কয় যে তেওঁ অসমীয়া মাধ্যমত পঢ়ি গুৱাহাটী আইআইটিকে ধৰি দেশৰ বহুকেইটা উন্নতমানৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰি দক্ষিণ আফ্ৰিকাৰ কেপটাউন বিশ্ববিদ্যালয় পায়গৈ। ইচ্ছা কৰিলে মানুহে সকলো কাম কৰিব পাৰে বুলি উল্লেখ কৰি তেওঁ কয় যে দক্ষিণ আফ্ৰিকাৰ ছাত্ৰ-ছাত্ৰীসকলে গ্ৰীষ্মকালীন 'ইন্টাৰ্ণশ্বীপ'ৰ যোগেদি বহু ধন উপাৰ্জন কৰাৰ লগতে অধ্যাপক-অধ্যাপিকাসকলৰ পৰাও যথেষ্ট জ্ঞান আহৰণ কৰিব পাৰে। অসমৰ বিশ্ববিদ্যালয়সমূহত বৃত্তি প্ৰদান কৰি কিছু আসন বৃদ্ধি কৰাৰ পোষকতা কৰে তেওঁ। আনহাতে, ডেনমাৰ্কৰ আৰ্লবাৰ্গ বিশ্ববিদ্যালয়ৰ গৱেষক ড° অভিজিৎ মজুমদাৰেও কয় যে তেওঁ বিজয় নগৰ ওপৰশালি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক সম্পূৰ্ণ কৰি, অসম অভিযান্ত্ৰিক কলেজৰ পৰা স্নাতক ডিগ্ৰী, আইআইটি গুৱাহাটীৰ পৰা পিএইছডি ডিগ্ৰী লৈ বহু সংগ্ৰামৰ অন্তত ডেনমাৰ্কত গৱেষণা কৰিবলৈ সুযোগ লাভ কৰে। ডেনমাৰ্কত শিক্ষাগত বৃত্তি, বৃত্তিগত স্নাতক, বিশ্ববিদ্যালয়ৰ শিক্ষা আৰু অন্যান্য শিক্ষাৰ পাঠ্যক্ৰম ভিত্তিক শিক্ষা ব্যৱস্থাক সজাই তোলা হয় বুলি উল্লেখ কৰি কয় যে সাধাৰণতে ডেনমাৰ্কৰ শিক্ষা ব্যৱস্থা ডেনিছ বা ইউৰোপিয়ান দেশৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিনামূলীয়া। ডেনমাৰ্কত যুৱ প্ৰজন্মই কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেওঁলোকে সকলো কামেই কৰে। ডেনমাৰ্কৰ শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰম প্ৰায়ে উদ্যোগসমূহে নিৰ্ধাৰণ কৰে বুলি উল্লেখ কৰি কয় যে ১৩ পৃষ্ঠাত চাওক

# কাউলী উচ্চ মাধ্যমিক বিদ্যালয়ত এছএছবিৰ সজাগতা শিবিৰ

### ■ নিৰাপত্তা বাহিনীত মহিলাৰ যোগদান



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰতিৰক্ষা ক্ষেত্ৰত মহিলা যুৱতিৰ যোগদান কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে ৰঙিয়াস্থিত এছএছবিৰ ২৪ বাহনীৰ বিহংগপুৰ এক'য়ৰ উদ্যোগত আজি তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ কাউলী উচ্চমাধ্যমিক বিদ্যালয়ত এক সজাগতা সভাৰ আয়োজন কৰা হয়। মহিলা সবলিকৰণ আৰু দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণত যুৱতিসকলক আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যেৰে আয়োজন কৰা সজাগতা সভাত এছএছবিৰ ২৪ বাহিনীৰ সহকাৰী কমাণ্ডেন্ট নৱনীত কুমাৰ যাদৱে ছাত্ৰীসকলক সামৰীক অৰ্ধ সামৰিক বাহিনীত যোগদান কৰিবলৈ হ'লে শাৰীৰিক, মানসিকভাৱে কেনেদৰে প্ৰস্তুত ১৩ পৃষ্ঠাত চাওক

# চাৰিশ বছৰীয়া ৰজাঘৰীয়া ৰীতি-নীতি পৰম্পৰাৰে মহামায়া দেৱালয়ত শাৰদীয় দুৰ্গোৎসৱ

## ■ মহানৱমীত হ'ব মহ বলি

**অগ্ৰদূত বাৰ্তা**

**বগৰীবাৰী, ৩০ ছেপ্টেম্বৰ ঃ** দেশৰ ৫১ সংখ্যক শক্তিপীঠ নামনি অসমৰ কোকৰাঝাৰ জিলাৰ বগৰীবাৰী মা-মহামায়া দেৱালয়ত ৪০০ বছৰীয়া ব্যতিক্ৰমী শাৰদীয় দুৰ্গোৎসৱ কাইলৈৰ পৰা উদ্‌যাপন কৰা হ'ব। পৌৰাণিক ব্যতিক্ৰমী প্ৰথাৰে ৰজাঘৰীয়া নিয়মৰে বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয় এই দুৰ্গা পূজা। মহালয়াৰ পৰা আৰম্ভ হোৱা এই পূজা মাটিৰ মূৰ্তিৰ পৰিৱৰ্তে বৈদিক নিয়মেৰে ঘট স্থাপন কৰি আৰম্ভ কৰা হয় অগতানুগতিক পূজা।



পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি চণ্ডিপূজা, সন্ধিপূজা, মাৰৈ পূজা আৰু পদ্ম পূজা কৰি পুৰাণৰ গীতেৰে দেৱালয় মুখৰিত কৰি তোলে। আনুমানিক ৪০০শ বছৰ পূৰ্বে পৰ্বঝোৰা ষ্টেটৰ জমিদাৰ হাতীবৰ চৌধুৰীৰ দিনত প্ৰথমবাৰ পূজা অনুষ্ঠিত হৈছিল। য'ত মাটিৰ মূৰ্তিৰ পৰিৱৰ্তে ঘট স্থাপন কৰি নলবাৰীৰ নৈষ্ঠিক ব্ৰাহ্মণ কন্দৰ্প নাৰায়ণ চৌধুৰী আৰু তেওঁৰ শিষ্য নাৰায়ণ ব্ৰহ্মচাৰীয়ে মা-মহামায়া দেৱালয়ৰ সন্মুখত পুৰণি নীতি-নিয়মৰে পূজা আৰাধনা কৰিছিল। পৰম্পৰাগতভাৱে আৰম্ভ হোৱা পূজাত মহালয়াৰ দিনৰ পৰা দশমীৰ দিনলৈকে চণ্ডিপূজা আৰু প্ৰতিদিনেই এক লাখকৈ বেলপাতেৰে দেৱীৰ আগত আৰাধনা কৰা হয়। সপ্তমীৰ দিনা বলি-বিধান আছে যদিও মহানৱমীৰ দিনা মা দেৱীৰ সন্মুখত এক লাখ প্ৰাণীৰ বলি দি উৰ্ছগা কৰাৰ নিয়ম আজিও বিদ্যমান। তদুপৰি মাগুৰ মাছ, পাৰ চৰাই, কাছ আদিকে ধৰি অনেক প্ৰাণীৰ বলি হয়। দশমীৰ দিনা ঘট বিসৰ্জন দিয়ে যদিও নলবাৰী বিল্বেশ্বৰ দেৱালয়ৰ দৰে ইয়াতো কে'বাটাও ম'হ বলি দিয়াৰ সম্ভাৱনা আছে। দশমীত মনসা আৰু পঞ্চদেৱতা পূজা কৰাটো ইয়াত বাধ্যতামূলক। তথ্যবিজ্ঞ মহলৰ মতে দেশৰ দেৱালয়সমূহৰ ভিতৰত মা-মহামায়া দেৱালয়ৰ দুৰ্গা পূজা সম্পূৰ্ণ পৃথক আৰু ব্যতিক্ৰমী। ইয়াত প্ৰতিদিনে দুই কুইণ্টল চাউল ভোগ দিয়া হয়। এই নিয়ম-নীতি পৃথিৱীৰ দেৱালয়সমূহৰ ভিতৰত সুকীয়া। ঐতিহ্যমণ্ডিত দেৱালয়ৰ পূজা-পাৰ্বণত দেশ-বিদেশৰ পৰ্যটকৰ আগমন ঘটে। ইপিনে, ৰজাঘৰীয়া নীতিৰে বগৰীবাৰী আৰ্ট অৱ লিভিঙৰ পাঁচদিনীয়া কাৰ্যসূচীৰে শাৰদীয় দুৰ্গোৎসৱ পালন কৰা হ'ব বুলি গুৰুজী ব্ৰহ্মচাৰী অচ্যুতে আজি সাংবাদিকক জনায়।

# কাউলী উচ্চ মাধ্যমিক বিদ্যালয়ত

১২ পৃষ্ঠাৰ পৰা হ'ব লাগে সেই সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা দাঙি ধৰে। কাউলী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নাৰদ ভট্টৰায়েও ছাত্ৰীসকলক ভালদৰে পঢ়াশুনা কৰি বিভিন্ন ক্ষেত্ৰত প্ৰস্তুত কপাৰ লগতে দেশ সেৱাৰ বাবে প্ৰস্তুত হ'বলৈ আহ্বান জনায়। আজিৰ সজাগতা সভাত এছএছবিৰ ২৪ বাহিনীৰ এক'য়ৰ হেড কনিষ্টবলজনক দেউৰী, পুলন কুমাৰ, কুলদীপ সিং ৰাজেন্দ্ৰ কুমাৰ লগতে কাউলী উচ্চমাধ্যমিক বিদ্যালয় প্ৰায় ৭০ গৰাকী ছাত্ৰী উপস্থিত থাকে।

# যুৱকৰ লগত মিলি বনকৰা যুৱতীয়ে

১২ পৃষ্ঠাৰ পৰা মহিলাগৰাকীৰ। কাৰণ সাঁচতীয়া ধন হিচাপে জমা ৰখা সমস্ত ধন হৰলুকি কৰিলে সমীৰ আৰু বনকৰা ছোৱালী দীপালীয়ে। সম্প্ৰতি বিশ্বনাথ আৰক্ষীয়ে সমীৰ আৰু দীপালীক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে। ইফালে, মহিলাগৰাকীৰ একমাত্ৰ কন্যা সন্তানগৰাকীও বিশেষভাৱে সক্ষম। তেনেস্থলত সাঁচতীয়া সকলো ধন হৰলুকি হোৱাত এতিয়া ভৱিষ্যতৰ কথা চিন্তা কৰি শংকিত হৈ পৰিছে বিধৱাগৰাকী।

# পুতলা পিষ্টলৰ সলনি শিশুক গ্ৰন্থ

১২ পৃষ্ঠাৰ পৰা শইকীয়াই সন্ধিয়া সাত বজাত সাংস্কৃতিক অনুষ্ঠান পৰিচালনা কৰিব শিল্পী ৰাজু শইকীয়াই। অনুষ্ঠান উদ্বোধন কৰিব পুৰণিগুদাম প্ৰেছ ক্লাবৰ উপদেষ্টা তপন কুমাৰ বৰাই। শিশু গ্ৰন্থমেলাখন পৰিচালনা কৰিবলৈ মণিমাধৱ মহন্তক সভাপতি, দীপক ডেকা আৰু অভিজিত বৰাক সম্পাদক হিচাপে লৈ এখন গ্ৰন্থমেলা উদ্‌যাপন সমিতি গঠন কৰা হৈছে বুলি প্ৰেছ ক্লাবৰ সভাপতি তপন কটকীয়ে জানিবলৈ দিছে।

# হালোগাঁৱত কামৰূপ জিলা সাহিত্য

১২ পৃষ্ঠাৰ পৰা প্ৰদান কৰা হয়। কমলপুৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই অনুষ্ঠানত অংশগ্ৰহণ কৰি সাহিত্য সভাক শক্তিশালী কৰি অসমীয়া ভাষা-সংস্কৃতিক সঠিক দিশত আগুৱাই নিয়াৰ আহ্বান জনায়। কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰাজেন মহন্তই আঁতধৰা সভাত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক প্ৰভাত বণিয়া, কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° নৃপেন্দ্ৰ নাথ তালুকদাৰ আৰু প্ৰাক্তন সভাপতি ড° ভুৱনেশ্বৰ ডেকাৰ লগতে জিলাখনৰ বিভিন্ন শাখা সাহিত্য সভা আৰু কাৰ্যনিৰ্বাহক সদস্যসকলে সাহিত্য সভাৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়ায়।

# ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত

১২ পৃষ্ঠাৰ পৰা চিন্তা কৰিব পৰাকৈ বয়সেও সহায় নকৰে এইকেইগৰাকী শিক্ষক-কৰ্মচাৰীক। মন কৰিবলগীয়া যে ২০০০ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ধাৰাবাহিকভাৱে এশ শতাংশই উত্তীৰ্ণ হৈ অঞ্চলত গৌৰৱ কঢ়িয়াই আনিছিল বিদ্যালয়খনে। যাৰ বাবে এতিয়া ৰাজ্যখনৰ বাণিজ্য শাখাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবে আগ্ৰহ বাঢ়িছে। এইবেলিও উক্ত শাখাত ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। শতবৰ্ষ অতিক্ৰম কৰা বিদ্যালয়খনত সাংসদ দিলীপ শইকীয়া আৰু মুখ্যমন্ত্ৰীৰ মাতৃ মৃণালিনী দেৱীয়ে অধ্যয়ন কৰিছিল। তদুপৰি দুয়োগৰাকীৰ পিতৃ উক্ত বিদ্যালয়ত শিক্ষকতা কৰি অৱসৰ লৈছিল। বিদ্যালয়ৰ অধ্যক্ষ তথা এগৰাকী শিক্ষকৰ পৰা জানিব পৰা মতে, নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই পদ কেইটা প্ৰাদেশিকীকৃত কৰাৰ বাবে আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে। তদুপৰি সাংসদ দিলীপ শইকীয়াও চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰা বুলি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে। বিদ্যালয়খনৰ বঞ্চিত শিক্ষকসকলৰ চৰকাৰলৈ কাতৰ আহ্বান জনাই কয় যে, চৰকাৰে আমাৰ চাকৰি শীঘ্ৰে প্ৰাদেশিকীকৃত কৰক। আমাৰ পৰিয়ালকেইটা বচাওক। নহ'লে আমি নিগমে মৰিম।

# যোৰহাটৰ জিলা কৃষি বিভাগৰ উদ্যোগত

১২ পৃষ্ঠাৰ পৰা যোজনা, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ লগতে কে'বাখনো আঁচনিৰ অধীনত উন্নত মানৰ বীজ, সাৰ, গছপুলি প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ছয় কুইণ্টল চূণ, পাঁচ কুইণ্টল কেঁচুসাৰ, চাৰি কুইণ্টল বাদামৰ বীজ, দুই কুইণ্টল গোমধান, এক কুইণ্টল নহৰু বীজ, ৪০ কেজি পিঁয়াজৰ বীজ, ২০ কেজি মটৰৰ বীজ অন্যতম। অনুষ্ঠান আয়োজনত বাহনা কৃষি উন্নয়ন চক্ৰৰ কৃষি উন্নয়ন বিষয়া নিৰেন বৰা, কনিষ্ঠ বৈজ্ঞানিক সহায়ক (মাটি) মুকুল ভূঞা প্ৰমুখ্যে কে'বাজনো কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে বিশেষ সহযোগিতা আগবঢ়ায়। অনুষ্ঠানত কৃষি উন্নয়ন বিষয়া নিৰেন বৰাই উপস্থিত কৃষকসকলক বীজসমূহৰ পদ্ধতিগত ৰোপণৰ বিষয়ে সজাগ কৰাৰ লগতে কৃষি বিভাগৰ অন্যান্য আঁচনিসমূহৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত যোৰহাট জিলা বিজেপিৰ কৃষক মৰ্চাৰ যোৰহাট জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাতুল বৰা, যোৰহাট গ্ৰাম্য মণ্ডলৰ সভাপতি চিদানন্দ ভূঞা, উদ্যোগী মহিলা টুটুমণি হাজৰিকা, উদ্যোগী যুৱক গণতন্ত্ৰ বৰা, ৰংদৈৰ কে'বাটাও উদ্যোগী কৃষক গোট আৰু পথাৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে।

# সৈনিক স্কুলৰ সন্মুখত বৰ্খাস্ত চতুৰ্থ বৰ্গৰ

১২ পৃষ্ঠাৰ পৰা নিযুক্তি প্ৰদান কৰক, আমাৰ দাবী ন্যায্য দাবী, আমাৰ দাবী মানি লওক, অন্যায়ভাৱে শ্ৰমিক-কৰ্মচাৰীসকলক চাটাই বন্ধ কৰক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়া বামপন্থী নেতা ননী দাসে কয় যে যদি শ্ৰমিকসকলে উত্থাপন কৰা দাবীসমূহ মানি লোৱা নহয়, তেন্তে পৰৱৰ্তী সময়ত গণতান্ত্ৰিকভাৱে তীব্ৰ প্ৰতিবাদী আন্দোলন কৰিবলৈ বাধ্য হ'ব বুলি হুংকাৰ দিয়ে। তেওঁ আৰু কয় যে পূৰ্বৰে পৰা সৈনিক স্কুলৰ লগত স্থানীয় ৰাইজৰ এটা সু-সম্পৰ্ক আছিল। সৈনিক স্কুলৰ অধ্যক্ষ তথা শিক্ষকসকলেও স্থানীয় ৰাইজৰ সহায়-সহযোগিতা বিচাৰিছিল। হাতীৰ আক্ৰমণৰ সময়তো ৰাইজে সহায়-সহযোগিতা কৰিছিল। কিন্তু এই গৰাকী অধ্যক্ষই যোগদান কৰাৰ পাছৰে পৰা স্থানীয় লোকৰ লগত কোনো সম্পৰ্ক ৰখা নাই বৰঞ্চ স্থানীয় কৰ্মচাৰীসকলক কামৰ পৰা অব্যাহতি দি বহিঃৰাজ্যৰ পৰা শ্ৰমিক আইনি নিযুক্তি প্ৰদান কৰাৰ প্ৰচেষ্টা চলাইছে বুলি উল্লেখ কৰে।

# ব্যৱহাৰিক শিক্ষাইহে শিক্ষাৰ্থীৰ জীৱন

১২ পৃষ্ঠাৰ পৰা ডেনমাৰ্কৰ ভাষা ডেনিছ। শিক্ষানুষ্ঠানসমূহৰ পৰা ইংৰাজীক আঁতৰাবলৈ চেষ্টা কৰি থকা বুলিও তেওঁ কয়। ডেনমাৰ্কত অতিৰিক্ত সময় কাম কৰা লোকক এলেহুৱা বুলি আখ্যা দিয়া হয় বুলি উল্লেখ কৰি কয়— সেই দেশৰ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম তিনি বা পাঁচ বছৰৰ মূৰে মূৰে সলনি কৰা হয়। ডেনমাৰ্কত দুৰ্নীতি অতি কম বুলি উল্লেখ কৰি তেওঁ কয় যে সময়ৰ লগে লগে ডেনমাৰ্কৰ শিক্ষা ব্যৱস্থাও সঘনে সলনি কৰে। ডিএইছএছ কানৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা আৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে পৰিচালনা কৰা বক্তৃতানুষ্ঠানত শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে গ্ৰেট ব্ৰিটেইন নিবাসী স্নেহবন্ধনৰ সভানেত্ৰী মঞ্জিৰা চৌধুৰীয়ে। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকন আৰু সমাজশাস্ত্ৰ বিভাগৰ মুৰব্বী অধ্যাপিকা মনচুমী ভূঞাই মুখ্য আৰু বিশিষ্ট ব্যক্তিৰ পৰিচয় দাঙি ধৰা বক্তৃতানুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, স্নেহবন্ধনৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট লেখক, সাহিত্যিক কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতাই উদ্বোধন কৰা বক্তৃতানুষ্ঠানত স্কটলেণ্ডৰ নিবাসী, স্নেহবন্ধনৰ উপ-সভানেত্ৰী নিৰলা বৰুৱা, দক্ষিণ আফ্ৰিকাৰ নিবাসী বিশিষ্ট বিজ্ঞানী, স্নেহবন্ধনৰ সহকাৰী সম্পাদক ড° মুকুট গোহাঁই, ডিগবৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জিতা চেতিয়া, কানৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা স্নেহবন্ধনৰ উপ-সভানেত্ৰী ড° চুলতানা হাজৰিকা, কানৈ মহাবিদ্যালয়ৰ উদ্যোগ আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰক্ষী ভাৰপ্ৰাপ্ত অধ্যাপিকা ড° সুনন্দা চাহু, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, ডন বস্ক' বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বুলজিৎ বুঢ়াগোহাঁইকে ধৰি দেশ-বিদেশৰ ভালেসংখ্যক গণ্যমান্য লোক, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ নৱাগত আদৰণি সভা

## ■ বিশ্ববিদ্যালয়খনলৈ সাংসদ পুঁজিৰ প্ৰথমটো বৃহৎ পুঁজি আগবঢ়াব সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটাই

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ৰূপনগৰস্থিত গুৱাহাটী ইউনিটত আয়োজিত নৱাগত আদৰণি অনুষ্ঠান আজি সামৰণি পৰে। বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহত দিনজোৰাকৈ গীত-মাত-কথাৰে এই অনুষ্ঠান সম্পন্ন হয়। পুৱা ন বজাৰ পৰা ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ চিনাকি পৰ্বৰ পাছতে দিনৰ ১১ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ সংগীতৰে আৰম্ভ হোৱা অনুষ্ঠানলৈ সকলোকে আদৰণি জনাই বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বিষয়ে অৱগত কৰি নতুন শিক্ষাৰ্থীক শপতবাক্য পাঠ কৰোৱাই বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক অধ্যাপক মৃণাল কুমাৰ বৰাই। ইয়াৰ পাছতে ভাষণ প্ৰদান কৰি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই নিজৰ জীৱনৰ অভিজ্ঞতাৰ বিশ্লেষণ কৰি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰে। তদুপৰি তেওঁ শিক্ষাৰ্থীসকলক জীৱনত লক্ষ্য নিৰ্ধাৰণ আৰু সেই লক্ষ্যত উপনীত হ'বলৈ গ্ৰহণ কৰিবলগা বিভিন্ন কৌশলৰ সম্পৰ্কতো আলোকপাত কৰে। অনুষ্ঠানত সন্মানীয় অতিথিৰূপে অংশ লৈ বিশ্ববিদ্যালয়ৰ সঞ্চালক (বিত্ত আৰু পৰিকল্পনা), মুখ্য সমন্বয়ক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই কয়, 'সমাজত প্ৰকৃত মানুহ হিচাপে জীয়াই থাকিবলৈ ডিগ্ৰীতকৈ মানৱীয় গুণ, মূল্যবোধৰ বিশেষ প্ৰয়োজন। নেৰানেপেৰা প্ৰচেষ্টা, আগ্ৰহ, ইচ্ছা থাকিলেহে এজন শিক্ষাৰ্থীয়ে নিজৰ পৰম লক্ষ্যত উপনীত হ'ব পাৰে।' বহিৰ্মুখী চিন্তাতকৈ অন্তঃমুখী চিন্তাই নৱপ্ৰজন্মক শক্তিশালী কৰিব বুলিও বৰাই উল্লেখ কৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশ লৈ ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটাই কয়, 'শংকৰদেৱ গুৰুজনাৰ নামত প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়খনলৈ প্ৰথমবাৰৰ বাবে আহি অভিভূত হৈছো। সাংসদ হোৱাৰ পাছত প্ৰথমবাৰৰ বাবে বিশ্ববিদ্যালয়খনলৈ আহি মোৰ অতীজৰ দিনবোৰ মনলৈ আহিছে। বিশ্ববিদ্যালয়খনৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিৰ বাবে মই মোৰ সাংসদ পুঁজিৰ ৫০ লাখ টকা আগবঢ়াম।' বিশ্ববিদ্যালয়খনৰ সঞ্চালক (বিত্ত আৰু পৰিকল্পনা), মুখ্য সমন্বয়ক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাৰে সকলো আলাপ-আলোচনা কৰি ব্যক্তিগত চিন্তা-চৰ্চাৰে এক প্ৰকল্প তৈয়াৰ কৰাৰ কথাও তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানতে ইংৰাজী বিভাগৰ দীপকজ্যোতি বৰা, যোগ বিজ্ঞান আৰু প্ৰাকৃতিক চিকিৎসা বিভাগৰ মাধন বৰা শিক্ষাৰ্থীসকলক উদ্দেশি পৰামৰ্শ আগবঢ়ায়। ছাত্ৰী নিকিতা ফুকনে আঁত ধৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় ছাত্ৰী অনামিকা চহৰীয়াই। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক (প্ৰশাসনিক) ড° শেখৰকান্তি সৰকাৰ, সহকাৰী পঞ্জীয়ক (শৈক্ষিক) বিচিত্ৰ বিকাশৰ লগতে অধ্যাপক-অধ্যাপিকা, বিষয়া-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে বুলি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সহকাৰী জনসংযোগ বিষয়া গৌৰী শংকৰ শৰ্মাই জনাইছে।



# দুলীয়াজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জ্যোতিপ্ৰসাদ চেতিয়াৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ৩০ ছেপ্টেম্বৰ ঃ** দুলীয়াজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জ্যোতিপ্ৰসাদ চেতিয়া (৭০)ৰ আজি দুপৰীয়া ডিব্ৰুগড়ৰ ব্যক্তিগত চিকিৎসালয় শংকৰদেৱ হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে। বিশিষ্ট শিক্ষাবিদজনৰ মৃত্যুত দুলীয়াজানত শোকৰ ছাঁ পৰে। কুমুদ নগৰৰ বাসগৃহত যোৱা ২৮ ছেপ্টেম্বৰত হঠাতে ৰক্তচাপত আক্ৰান্ত হৈ শিক্ষাবিদজন অচেতন হৈ পৰে। পৰিয়ালৰ লোকে ততাতৈয়াকৈ চেতিয়াক অইল চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ নিবলৈ পৰামৰ্শ দিয়ে। সিদিনা পৰিয়ালৰ লোকে ডিব্ৰুগড়ৰ নাৰ্ছিংহোম শংকৰদেৱ চিকিৎসালয়ত তেওঁক ভৰ্তি কৰায়। তেতিয়াৰ শিৱসাগৰ আৰু বৰ্তমানৰ চৰাইদেউ জিলাৰ অন্তৰ্গত মাউত গাঁৱত ১৯৫২ৰ ১৯ আগষ্টত বিশিষ্ট শিক্ষাবিদজনৰ জন্ম হৈছিল। স্কুলীয়া শিক্ষা নিজ গাঁৱৰ শিক্ষানুষ্ঠানতে সমাপ্ত কৰি শ্বিলঙৰ 'নেহু'ৰ পৰা ৰসায়ন বিভাগত প্ৰথম শ্ৰেণীত স্নাতকোত্তৰ শিক্ষা সমাপ্ত কৰি দুলীয়াজান মহাবিদ্যালয়ত ১৯৮৭ত প্ৰবক্তাৰূপে চাকৰিত যোগদান কৰিছিল। পৰৱৰ্তী সময়ত চেতিয়াই মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ মুৰব্বী আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে দায়িত্বভাৰ লৈ ২০২০ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। কৰ্মৰত অৱস্থা আৰু চাকৰিৰ অৱসৰৰ পাছতো অধ্যাপকজনে দুলীয়াজানৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত থাকি বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াইছিল। তেওঁৰ শৰদেহ ডিব্ৰুগড়ৰ পৰা পোনে পানে নিজে শিক্ষাদান দিয়া শিক্ষানুষ্ঠানখনলৈ আনে আৰু তাতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোকবিকাশ গগৈ, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, প্ৰাক্তন আছু কৰ্মী আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিশিষ্ট ব্যক্তিসকলে শ্ৰদ্ধা জনায়। তেওঁৰ অন্তিম যাত্ৰাত অগণন সাহিত্য প্ৰেমী, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, শুভাকাংক্ষী, বিভিন্ন দল-সংগঠনৰ লোকে অংশগ্ৰহণ কৰে। বিশিষ্ট শিক্ষাবিদজনৰ মৃত্যুত দুলীয়াজান সাহিত্য সভা, ৰটাৰী ক্লাব, মহাবিদ্যালয়ৰ শিক্ষকগোট, দুলীয়াজান প্ৰেছ ক্লাব, সন্মিলিত সাংবাদিক মঞ্চ, আছু, মহাবিদ্যালয় ছাত্ৰ গোট, মটক যুৱ ছাত্ৰ সন্মিলন, আটাছুৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি তেওঁ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে দুটি সন্তান, জীয়ৰী আৰু নাতি-নাতিনীক ইহসংসাৰত এৰি যায়।

# জুৰীয়াত হত্যাকাৰী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ৩০ ছেপ্টেম্বৰ ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত চেনিমাৰীত যোৱা ১৮ আগষ্টত নুৰুল হক নামৰ এজন লোকক আক্ৰমণ কৰি হত্যা কৰা ঘটনাটোৰ মূল অভিযুক্ত মজিবুৰ ৰহমানক আজি জুৰীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জুৰীয়া আৰক্ষীয়ে নগাঁও চহৰৰ সমীপৰ ইটাপাৰাত অভিযান চলাই গ্ৰেপ্তাৰ কৰে মজিবুৰক। নুৰুল হক হত্যাৰ মূল অভিযুক্ত আছিল মজিবুৰক ১৮ আগষ্টত চেনিমাৰী বজাৰত মজিবুৰে তিনি অপৰাধীৰ সহযোগত হানি-খুঁচি হত্যা কৰিছিল নুৰুল হকক। অঞ্চলটোৰ ৰাইজে নুৰুল হকৰ হত্যাৰ লগত জড়িত মূল অভিযুক্ত মজিবুৰক গ্ৰেপ্তাৰ কৰাত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে হত্যাকাণ্ডটোৰ লগত জড়িত সকলো অপৰাধীক আটক কৰি তদন্ত ক্ৰমে উচিত শাস্তিৰ দাবী জনাইছে।

# অভয়াপুৰীত কোচ ৰাজবংশী সাহিত্য পৰিষদৰ শপতগ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৩০ ছেপ্টেম্বৰ ঃ** নৱগঠিত কোচ ৰাজবংশী সাহিত্য পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠান আৰু প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অহা দুই অক্টোবৰত অভয়াপুৰী শাখা সাহিত্য সভাৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব। পুৱা ১০ বজাত অনুষ্ঠিত হ'বলগীয়া সভাখনত বিষয়ববীয়া আৰু সদস্যসকলক যথা সময়ত উপস্থিত হ'বলৈ কোচ ৰাজবংশী সাহিত্য পৰিষদৰ প্ৰধান সম্পাদক উপেন বৰুৱাই এক বিবৃতিযোগে আহ্বান জনাইছে।

# ড° ভূপেন হাজৰিকাৰ গীতত বৌদ্ধিক সৌন্দৰ্য আছে ঃ তৰালী শৰ্মা

## ড° ধনজিৎ মেধি স্মাৰক বক্তৃতা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**



**সোণাপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** সোণাপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ধনজিৎ মেধি স্মাৰক বক্তৃতা অনুষ্ঠান আজি দিনজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। ড° ধনজিৎ মেধি ন্যাসৰ উদ্যোগত অনুষ্ঠিত বক্তৃতা অনুষ্ঠান বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সম্পাদক মঞ্জুলা হাজৰিকাই। এই উপলক্ষে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত খনিকৰৰ সঞ্চালনাত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত বৰগীতৰ আধাৰত ৰচিত নৃত্য, নৱনিতা দাসৰ বৰগীতৰ লগতে মহাবিদ্যালয়ৰ সংগীত 'উজ্জ্বলি উঠিছে আজি...' শীৰ্ষক গীতটি পৰিৱেশন কৰা হয়। ইফালে, সভাত আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত খনিকৰে ড° ধনজিৎ মেধিৰ কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰে। উল্লেখ্য যে অনুষ্ঠানত স্মাৰক বক্তৃতা প্ৰদান কৰে বিশিষ্ট সংগীত শিল্পী তথা সংগীত পৰিচালক তৰালী শৰ্মাই। স্মাৰক বক্তৃতাৰ বিষয় আছিল সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীত আৰু লোকজীৱনৰ স্পন্দন। শৰ্মাই ভাষণ প্ৰদান কৰি কয় যে ড° হাজৰিকা এজন ব্যক্তি নহয় এটি অনুষ্ঠান আছিল। অনুষ্ঠানত তেওঁ সুধাকণ্ঠজনৰ গীতৰ ভাষা, সুৰ-তাল-লয় সম্পৰ্কে এক তথ্য সমৃদ্ধ বক্তৃতা প্ৰদান কৰে। হাজৰিকাৰ গীত হৈছে সুৰ প্ৰধান, ভাষা প্ৰধান আৰু লয় প্ৰধান। তদুপৰি ড° হাজৰিকাৰ গীতত তিনিটা ধাৰা দেখা যায়। সেইকেইটা হ'ল লোকসংগীত, ভাৰতীয় শাস্ত্ৰীয় সংগীত আৰু অতি সাংগীতিক। উল্লেখ্য যে হাজৰিকাৰ গীতসমূহ সহজ-সৰল যদিও গঠনশৈলী অতি কঠিন বুলি মন্তব্য কৰে। ড° হাজৰিকাৰ কে'বাটাও উদ্ধৃতি দি বক্তৃতা অনুষ্ঠান শৰ্মাই অতি আকৰ্ষণীয় কৰি তোলে। অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° জিতৰাম দত্ত, মেধিৰ পৰিয়ালবৰ্গ , শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু ভালেমান গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে যোৱা ২০০৮ৰ পৰা ড° ধনজিৎ মেধি স্মাৰক বক্তৃতানুষ্ঠান ড° ধনজিৎ মেধি ন্যাসৰ উদ্যোগত অনুষ্ঠিত হৈ আহিছে।

# অবৈধভাৱে সৰবৰাহ কৰা গৰু উদ্ধাৰ ঃ শোণিতপুৰৰ খনামুখত পাঁচজনক আটক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** ৰাজ্যত এখন জিলাৰ পৰা আন এখন জিলালৈ আইন ভংগ কৰি গৰু সৰবৰাহৰ বিভিন্ন ঘটনা আৰক্ষীৰ অভিযান অব্যাহত থকাৰ পাছতো ৰাজ্যত এনে ঘটনা সংঘটিত কৰাৰ অপচেষ্টা একাংশ লোকে অব্যাহত ৰাখিছে। আজি শোণিতপুৰৰ চাৰিদুৱাৰ আৰক্ষী চকীৰ অন্তৰ্গত খনামুখত এখন ট্ৰাকত অতি নিৰ্মমভাৱে বান্ধি অনা মুঠ ৩০টা গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, আজি দিনৰ প্ৰায় ১২ বজাত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথেৰে বিশ্বনাথৰ দিশৰ পৰা বালিপৰা দিশে আহি থকা এএছ-০১এমচি-৯৭২২ নম্বৰৰ ট্ৰাকখন খনামুখত থকা আৰক্ষীৰ তালাচী চকীত ৰখোৱাৰ নিৰ্দেশ দিয়ে। আৰক্ষীৰ নিৰ্দেশ নামানি পলায়নৰ চেষ্টা চলোৱা ট্ৰাকখন আৰক্ষীয়ে জব্দ কৰাত ইয়াত ৩০টা গৰু কঢ়িয়াই অনাটো পোহৰলৈ আহে। ট্ৰাকখনত গৰু কেইটাৰ ঠেং বান্ধি থিয় হ'ব নোৱৰাকৈ কঢ়িয়াই অনা হৈছিল। লখিমপুৰৰ নাৰায়ণপুৰৰ পৰা দৰং জিলালৈ কঢ়িয়াই অনা এই গৰুৰ বিপৰীতে প্ৰয়োজনীয় কোনো নথিপত্ৰ নথকাত আৰক্ষীয়ে ট্ৰাকসহ ৩০টা গৰু জব্দ কৰে। আনহাতে, এই ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ট্ৰাকখনৰ গৰাকী, চালক, হেণ্ডিমেনসহ মুঠ পাঁচজনক আটক কৰি ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

# পলাশবাৰীত বিজেপিৰ প্ৰবুদ্ধ ব্যক্তি সন্মিলন

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ৩০ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে দেশজুৰি বিজেপিয়ে উদ্‌যাপন কৰি অহা 'সেৱা পখেক' কাৰ্যসূচীৰ লগত সংগতি ৰাখি দক্ষিণ কামৰূপ জিলা বিজেপিৰ উদ্যোগত বাটৰহাটস্থিত জিলা কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত আজি 'প্ৰবুদ্ধ ব্যক্তি সন্মিলন' অনুষ্ঠিত হয়। এই উপলক্ষে দক্ষিণ কামৰূপ জিলা বিজেপি সভাপতি ধনেশ্বৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৰাজ্যিক বিজেপিৰ সভাপতি কলিতাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্ম দিনৰ কথা উল্লেখ কৰি দেশ তথা জনসাধাৰণৰ সেৱাৰ বাবে যিধৰণে উন্নয়নমূলক কামত ব্ৰতী হৈ আছে তাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰাজ্যিক বিজেপি যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্য, অনুসূচীত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি কুশলজ্যোতি মালাকৰ, ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ৰাজেন নাথ, আইটিডিপিৰ অধ্যক্ষা লাৱণ্য বড়ো, ৰাজ্যিক কাৰ্যনিৰ্বাহক অনুপ মেধিৰ লগতে বহুসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে। ইয়াৰ পাছতে সাংবাদিকৰে হোৱা আছুতীয়া সাক্ষাৎকাৰত সভাপতি কলিতাই অহা আঠ অক্টোবৰত বিজেপিৰ নতুন ৰাজ্যিক কাৰ্যালয়টো বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জেপি নড্ডা আৰু অমিত শ্বাহৰ দ্বাৰা উদ্বোধন কৰা হ'ব বুলি কয়। এই কাৰ্যসূচীৰ কাৰণে বিজেপিৰ বৃহৎ যোগদান কাৰ্যসূচী স্থগিত ৰখা হৈছে বুলি মন্তব্য কৰে ৰাজ্যিক সভাপতিজনে। আনহাতে, কংগ্ৰেছ শূন্য হ'বলৈ ধৰা বিষয়টো প্ৰশ্ন কৰাত সভাপতি কলিতাই জাকিৰ হুছেইন শিকদাৰ, ৰেকিবুদ্দিন আহমেদ, ৰকিবুল হুছেইন, ৱাজেদ আলি চৌধুৰীৰ দৰে সংখ্যালঘু বিধায়ককেইজনহে কংগ্ৰেছত থাকিব বুলি মন্তব্য কৰে।

# গান নহয় গীত ৰচি ৰাইজৰ আপোন হ'বলৈ চেষ্টা কৰিছো

## প্ৰবীণ গীতিকাৰ বংকিম শৰ্মাৰ দুটি মনপৰশা গীত উন্মোচন তেজপুৰৰ বাণ থিয়েটাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** সাংস্কৃতিক নগৰী তেজপুৰত আজি বিয়লি তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত উন্মোচন কৰা হয় ৰাজ্যখনৰ প্ৰবীণ গীতিকাৰ-সুৰকাৰ তথা বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাৰ দুটিকৈ জনপ্ৰিয় গীত। উল্লেখ্য যে কৰ'নাকালীন তলাবন্ধৰ সময়ছোৱাত ঘৰতে আবদ্ধ হৈ থকা প্ৰবীণ গীতিকাৰজনে ৰচনা কৰা 'নিৰিবিলি সন্ধিয়া' আৰু 'উদাসীন মন' শীৰ্ষক অতি মনপৰশা গীত দুটি উন্মোচন কৰে শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু বিশিষ্ট লেখিকা তথা শিক্ষাবিদ ড° স্বাধীনতা মহন্তই। বাণ থিয়েটাৰৰ কাৰ্যনিৰ্বাহক সদস্য পংকজ বৰুৱাই আঁতধৰা মনোৰম সাংগিতিক অনুষ্ঠানৰ আৰম্ভণিতে বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰীয়ে বংকিম শৰ্মাই বৰ্তমানলৈকে প্ৰায় ১৫০০ চিৰসেউজ গীত ৰচনা কৰি অসমীয়া সংগীত ক্ষেত্ৰখন জীপাল কৰি তোলাৰ পাছত শেহতীয়াকৈ ৰচনা কৰা এই গীত দুটি বাণ থিয়েটাৰৰে সংগীতাধিকাৰ সঞ্জয় কৃষ্ণ গোহাঞি বৰুৱাই সুৰেৰে সজোৱাৰ পাছত দক্ষ সংগীত শিল্পী সীমান্ত কাকতিয়ে সংগীত



ব্যৱস্থাপনা কৰাৰ পাছত এজন পাৰদৰ্শী কণ্ঠশিল্পী প্ৰণামী বৰঠাকুৰে কণ্ঠ নিগৰাই ৰাইজৰ মাজলৈ আগবঢ়াই দিয়াত আনন্দিত হৈছো বুলি মন্তব্য কৰে। অনুষ্ঠানত শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই ভাষণ প্ৰদান কৰি সৰুৰে পৰা আকাশবাণীৰ গীতিমালিকা অনুষ্ঠান স্মৰণ কৰি তেতিয়াৰ পৰাই সংগীতৰ প্ৰতি অনুৰক্ত হৈ পৰাৰ প্ৰসংগ উত্থাপন কৰে। চৰকাৰী ব্যস্ততাপূৰ্ণ চাকৰিৰ বাবে নিজৰ সংস্কৃত মনটো হেৰাই গৈছিল যদিও শোণিতপুৰলৈ উপায়ুক্ত হিচাপে বদলি হৈ অহাৰ পাছত সাংস্কৃতিক ৰাজধানী হিচাপে পৰিগণিত তেজপুৰৰ শিল্পীপ্ৰাণ ব্যক্তি বিশেষকৈ বাণ থিয়েটাৰৰ পৰিয়ালৰ লগত এক আত্মিক সম্পৰ্ক গঢ়ি উঠাৰ পাছত নিজৰ সাংস্কৃতিক মনটো সজীৱ হৈ পৰিছে বুলি মন্তব্য কৰে। বাণ থিয়েটাৰৰ প্ৰাক্তন সভাপতি, বিশিষ্ট শিক্ষাবিদ মহেন্দ্ৰ নাথ কেওটেও শুভেচ্ছামূলক ভাষণ প্ৰদান কৰা আৰু গীত দুটিত কণ্ঠদান কৰা প্ৰণামী বৰঠাকুৰে গীত দুটি পৰিৱেশন কৰা অনুষ্ঠানত আনগৰাকী উন্মোচক বিশিষ্ট লেখিকা ড° স্বাধীনতা মহন্তই অসমৰ সংগীতৰ সৰোবৰত আজিৰ পৰা আন দুটি পদুম ফুল ফুলিল বুলি মন্তব্য কৰি বংকিম শৰ্মাৰ সৃষ্টিয়ে অসমীয়া সংগীতৰ ভেটি সবল কৰি তুলিছে বুলি মন্তব্য কৰে। আনহাতে, অনুষ্ঠানৰ মধ্যমণি বংকিম শৰ্মাই নিজৰ অনুভৱ সদৰী কৰি গানৰ পৰিৱৰ্তে গীত ৰচনা কৰি অসমীয়া সংগীতৰ ভঁৰাললৈ কিঞ্চিৎ অৱদান দিবলৈ চেষ্টা কৰি আহিছো বুলি মন্তব্য কৰে।

# মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৩০ ছেপ্টেম্বৰ ঃ** যোৰহাটত সঘনে য'তে ত'তে মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই উদ্বিগ্ন কৰিছে জনসাধাৰণক। এটা সপ্তাহৰ ভিতৰত নগৰৰ মাজমজিয়াত দুটাকৈ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত আজি পুৱা ৰাজমাও পুখুৰীত এজন যুৱকৰ মৃতদেহ হয়। প্ৰাতঃভ্ৰমণ কৰিবলৈ অহা লোকে নগৰৰ ৰাজমাও পুখুৰীত এটা মৃতদেহ এটা ওপঙি থকা দেখি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে এটা টোকা উদ্ধাৰ কৰে। মৃত যুৱকজনক যোৰহাটৰ পুলিবৰ পৰ্বতীয়া গাঁৱৰ ধ্ৰুৱজ্যোতি পাঠক বুলি চিনাক্ত কৰা হৈছে।



# দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টনৰ সফল সামৰণি

## গুৱাহাটীত ভাৰতীয় বক্সিং দলৰ নিৰ্বাচন

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** অহা ১৩-২৭ নৱেম্বৰত স্পেইনত অনুষ্ঠিত হ'ব যুৱ বিশ্ব বক্সিং চেম্পিয়নশ্বিপ। এই প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলটো বাছনি কৰিবলৈ বক্সিং ফেডাৰেছন অব ইণ্ডিয়া ( বি এফ আই) গুৱাহাটীত এক শিবিৰৰ আয়োজন কৰিছে। আজি বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই জনোৱা অনুসৰি অহা এক আৰু দুই অক্টোবৰত গুৱাহাটীৰ ছাই কেন্দ্ৰত ভাৰতীয় দলৰ বাছনি শিবিৰ অনুষ্ঠিত হ'ব। উল্লেখ্য যে শিবিৰত ৰাষ্ট্ৰীয় যুৱ বক্সিঙত পদকজয়ী ১৩ টা ওজন শাখাৰ খেলুৱৈয়ে অংশ ল'ব।




**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** অসম বেডমিণ্টন সন্থাৰ উদ্যোগত গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে। উল্লেখ্য যে আজি প্ৰতিযোগিতাৰ ফাইনেল মেচসমুহ অনুষ্ঠিত হয়। ১৫ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ একক শাখাৰ ফাইনেলত ভাৰতৰ তনবী ৰেড্ডীয়ে দেশৰে নিশা কৌড়ক ২১-১৭, ২১-১৫ ত পৰাস্ত কৰি চেম্পিয়ন হয়। ইফালে, ১৭ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ একক শাখাৰ ফাইনেলখন ভাৰতৰ ৰামু ৰুজুলাই সতীৰ্থ আইছানি তিৱাৰীক ২১-১৩, ২১-১৪ ত পৰাস্ত কৰি খিতাপ দখল কৰে। ইফালে, ১৫ বছৰ অনূৰ্ধ্বৰ ল'ৰা একক শাখাৰ ফাইনেলত ভাৰতৰ প্ৰতীক কৌণ্ডিল্যই দেশৰে অভিনৱ গাৰ্গক ২১-১৯, ২১-১৮ ত পৰাস্ত কৰাৰ বিপৰীতে ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰা একক শাখাৰ ফাইনেলত ভাৰত প্ৰনয় ছেট্টিগৰে সতীৰ্থ শ্বাটলাৰ ৰছাৰাছৱাট সংস্কাৰক ২১-১৫, ২১-৫ ত হৰুৱাই চেম্পিয়ন হয়। ইফালে, ১৫ বছৰ অনূৰ্ধ্বৰ মিক্সড ডাবলছ শাখাৰ ফাইনেলত ভাৰতৰ প্ৰতীক কৌণ্ডিল্য আৰু নিশা কৌড়ক ২১-১৯, ২১-১৪ ত হৰুৱাই চেম্পিয়ন হয় ভাৰতৰে অভিনৱ গাৰ্গ আৰু তনবী ৰেড্ডী। আনহাতে, ১৭ বছৰ অনূৰ্ধ্বৰ মিক্সড ডাবলছ শাখাৰ ফাইনেলত ভাৰতৰ ছাৰাছৱাট সংস্কাৰ আৰু আইছানি তিৱাৰীয়ে ২১-১৬, ১৯-২১, ২১-১৮ ৰ ব্যৱধানত দেশৰে প্ৰনয় ছেট্টিগৰ আৰু ৰামু ৰুজুলাক হৰুৱাই খিতাপ লাভ কৰে। ইফালে, ১৫ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ ডাবলছ শাখা ফাইনেলত ভাৰতৰ নিশা কৌড় আৰু তনবী ৰেড্ডীয়ে শ্ৰীলংকাৰ যুটিক হৰুৱাই সোণ লাভ কৰে। আনহাতে, ১৭ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ ডাবলছ শাখা ফাইনেলত ভাৰতৰ আইছানি তিৱাৰী আৰু ৰামু ৰুজুলাই নেপালৰ যুটিক পৰাস্ত কৰি চেম্পিয়ন হয়। ইফালে, ১৫ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ ডাবলছ শাখা ফাইনেলত ভাৰতৰ প্ৰতীক কৌণ্ডিল্য আৰু অভিনৱ গাৰ্গ বাংলাদেশৰ হাতত পৰাস্ত হয়। আনহাতে, ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ ডাবলছ শাখা ফাইনেলত ভাৰতৰ ছাৰাছৱাট সংস্কাৰ আৰু প্ৰনয় ছেট্টিগৰে ফাইনেলত পৰাস্ত কৰে শ্ৰীলংকাক। সামৰণি অনুষ্ঠানত উপস্থিত থাকি বঁটা প্ৰদান কৰে ভাৰতীয় বেডমিণ্টন সন্থা আৰু অসম বেডমিণ্টন সন্থাৰ সভাপতি তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে ড০ হিমন্ত বিশ্ব শৰ্মা এছিয়ান বেডমিণ্টনৰো উপ-সভাপতি।



## ১০০ মিটাৰৰ ফাইনেলত অম্লান-হিমা

### গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়া





**গান্ধীনগৰ, ৩০ ছেপ্টেম্বৰ ঃ** অসমৰ দুই তাৰকা এথলীট হিমা দাস আৰু অম্লান বৰগোহাঁয়ে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰত্যাশিত আৰম্ভণি কৰি ১০০ মিটাৰ দৌৰৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি গান্ধীনগৰৰ আই আই টি ক্ৰীড়া প্ৰকল্পত আৰম্ভ হোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ এথলেটিকছ প্ৰতিযোগিতাৰ পুৰুষৰ ১০০ মিটাৰ দৌৰৰ হিটছত অসম সন্তান অম্লানে ১০.২৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে শীৰ্ষস্থানত থাকি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে অম্লানে। ইফালে, মহিলাৰ ১০০ মিটাৰ দৌৰৰ হিটছত দ্বিতীয় হৈ ফাইনেলত স্থান নিশ্চিত কৰিছে হিমাই। ধিং এক্সপেছে দৌৰ সম্পূৰ্ণ কৰে ১১.৮১ ছেকেণ্ডত। কাইলৈ অনুষ্ঠিত হ'ব ফাইনেল। আজিৰ প্ৰদৰ্শনে অম্লান আৰু হিমাই যে পদক জয় কৰিব সেয়া প্ৰায় নিশ্চিত কৰিছে। উল্লেখ্য যে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত এথলেটিকছৰ পৰা অসমে চাৰিটা স্বৰ্ণ পদক আশা কৰিছে। এই আশাৰ কাৰণ হ'ল হিমা আৰু অম্লান। উভয় তাৰকাই ১০০ আৰু ২০০ মিটাৰ দৌৰত অসমৰ হৈ খেলিছে। অহা তিনি অক্টোবৰত হ'ব ২০০ মিটাৰ দৌৰ হিটছ। উল্লেখ্য যে ৰাষ্ট্ৰীয় অভিলেখ গঢ়া অম্লানে ১০০ মিটাৰত ১০.২৫ ছেকেণ্ডৰে তথা ২০০ মিটাৰত ২০.৫২ ছেকেণ্ডৰে ইতিমধ্যে চাঞ্চল্য সৃষ্টি কৰিছে। আনহাতে, অৰ্জন বঁটাৰে সন্মানিত এছিয়ান গেমছৰ পদকজয়ী হিমাৰ ১০০ মিটাৰৰ সময় ১১.৪৩ ছেকেণ্ড তথা ২০০ মিটাৰৰ সময় ২২.৮৮ ছেকেণ্ড।

## ক্ৰিকেট অনুৰাগী নহয়, আৰক্ষীৰ সন্মুখত অনুশীলনত নামিল ভাৰত-দক্ষিণ আফ্ৰিকা



**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** অহা দুই অক্টোবৰত অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব লগা দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচত অংশ লোৱাৰ বাবে ইতিমধ্যে আহি মহানগৰীত উপস্থিত হোৱা আলহী আৰু ঘৰুৱা দল দুটাই আজি অনুশীলনত নামে। প্ৰথমে নেট অনুশীলন কৰাৰ পাছত ষ্টেডিয়ামতো অনুশীলন কৰে দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেটাৰে। উল্লেখ্য যে আজি নৈশালোকত অনুশীলন কৰে দক্ষিণ আফ্ৰিকাই। কাইলৈ টীম ইণ্ডিয়া নৈশালোকত অনুশীলন কৰিব। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত গুৱাহাটীত অনুষ্ঠিত হ'ব এখন আন্তৰ্জাতিক ক্ৰিকেট মেচ। ইতিমধ্যে মেচৰ সকলো টিকট শেষ হৈছে। ক্ৰিকেটপ্ৰেমীৰ উৎসাহ তুংগত। আজি ষ্টেডিয়ামলৈ অনুৰাগীয়ে প্ৰিয় ক্ৰিকেটাৰক চাবলৈ আহে যদিও আৰক্ষীৰ সংখ্যা দৰ্শকতকৈয়ো অধিক হোৱাত আশাত চেচাপানী পৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত এতিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ লৈছে টীম ইণ্ডিয়াই। প্ৰথম মেচত জয়ৰ পাছত ভাৰতীয় দল এতিয়া আত্মবিশ্বাসী। কিন্তু বিশ্বকাপৰ পূৰ্বে মূল একাদশটো এতিয়াও গঠন হোৱা নাই। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা ভাৰতীয় দলটোত ইতিমধ্যে সাল-সলনি হৈছে। কৰ'নাৰ বাবে মহম্মদ ছামি দলৰ পৰা ইতিমধ্যে বাহিৰ হোৱাত তেওঁৰ স্থানত উমেশ যাদৱেই খেলিব। আনহাতে, হাৰ্দিক পান্দিয়াৰ স্থানত দলত লোৱা হৈছে শ্বাহবাজ আহমেদক। তদুপৰি দীপক হুদাৰ স্থানত শ্ৰেয়াছ আয়াৰে দললৈ আহিব। আঘাত পোৱা যশপ্ৰীত বুমৰাহৰ স্থানত মহম্মদ চিৰাজক টীম ইণ্ডিয়াত অন্তভুক্ত কৰা হৈছে। ভাৰতীয় দলৰ অন্য সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, ঋষভ পণ্ট, দীনেশ কাৰ্তিক, ৰবীচন্দ্ৰন আশ্বিন, যুজবেন্দ্ৰ চাহল, অক্ষৰ পেটেল, আৰ্শ্বদীপ সিং, হৰ্ষল পেটেল আৰু দীপক চাহাৰ



## লন বলত নয়নমণিৰ পৰাজয় ঃ আজি পপীৰ খেল
## অষ্টম স্থানত থাকিল শ্বুটাৰ হৃদয়

**আহমেদাবাদ, ৩০ ছেপ্টেম্বৰ ঃ** চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ প্ৰতিভাবান শ্বুটাৰ হৃদয় হাজৰিকাৰ পৰা পদক আশা কৰা গৈছিল যদিও আজি হোৱা ১০ মিটাৰ এয়াৰ ৰাইফলছৰ ফাইনেলত অষ্টম স্থানতে থাকি বিদায় লয়। এতিয়া হৃদয়ে অসমৰ আনগৰাকী শ্বুটাৰ শ্ৰেয়াছি মজুমদাৰৰ লগত ১০ মিটাৰ এয়াৰ ৰাইফলছৰ মিক্সড শাখাত খেলিব। আজি লন বলৰ মহিলাৰ একক শাখাৰ খেলত অসমৰ কমনৱেলথ গেমছৰ স্বৰ্ণজয় নয়নমণি শইকীয়াও ঝাৰখণ্ডৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে পৰাস্ত হয়। ব্যৱধান ৪-২১ক্ষ কিন্তু কালি লন বলত অসমৰ তানিয়া চৌধুৰী, বনগীতা হাজৰিকা, অনন্যা শইকীয়া আৰু অদিনীতা কাকতিৰ দ্বাৰা গঠিত মহিলা দলটো বংগৰ বিৰুদ্ধে ১০-১২ ত পৰাস্ত হৈছিল যদিও আজি সফল প্ৰত্যাৱৰ্তন কৰি গুজৰাটৰ বিৰুদ্ধে ২২-৬ ত জয়লাভ কৰে। আনহাতে, পুতুল সোণোৱাল, আনন্দ নাৰ্জাৰী আৰু মৃদুল বৰগোহাঁইৰ দ্বাৰা গঠিত অসমৰ পুৰুষ দলে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি আজি ঝাৰখণ্ডক ১৯-১০ আৰু মনিপুৰক ৩১-১০ ত পৰাস্ত কৰে। ইফালে, কাইলৈ ভাৰোত্তোলনত অসমৰ পপী হাজৰিকাই খেলিব। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় ভাৰোত্তোলন দলক প্ৰতিনিধিত্ব কৰা অসম কন্যা পপীয়ে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলিব নতুন আশাৰে। তেওঁ ৪৯ কিলোগ্ৰাম শাখাত অংশ ল'ব। পপীৰ লগতে অসমৰ ছজনীয়া দলে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত ভাৰোত্তোলনত অসমৰ হৈ অংশ ল'ব।





## ছুপাৰ ডিভিজন ফুটবল লীগত বিদ্যুতৰ জয়লাভ

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগত আজি এ এছ ই বি এছ চিয়ে এফ চি গ্ৰীণভেলীক ২-০ গ'লত পৰাস্ত কৰে । ৪৫ মিনিটত জিজ্ঞাস ডেকাই গ'ল দি এএছইবিক অগ্ৰগতি দিয়ে। আনহাতে, অৰ্জুন মাৰ্ডিয়ে ৬৩ মিনিটত আন এটা গ'ল দি এএছইবিৰ হৈ ব্যৱধান বৃদ্ধি কৰে । ইফালে, ৭৯ মিনিটত গ্ৰীণভেলীয়ে পেনাল্টিৰ জৰিয়তে স্ক'ৰ কৰাৰ সুযোগ পাইছিল যদিও লাকী ইমৰানৰ শ্বট এএছইবিৰ গ'লকীপাৰ ডাউগা ব্ৰহ্মই প্ৰতিহত কৰে । উল্লেখ্য দুৰ্গোৎসৱ উপলক্ষ্যে কাইলৈৰ পৰা ছুপাৰ ডিভিজন বন্ধ থাকিব । পুনৰ আৰম্ভ হ'ব ১০ অক্টোবৰত ।ইপিনে জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত আজি ফ্ৰন্টিয়াৰ ক্লাবৰ অনুপস্থিতিত তিনি পইন্ট অৰ্জন কৰি পইন্ট তালিকাত শীৰ্ষস্থানেৰে ছুপাৰ ডিভিজনলৈ উন্নীত হয় ডাইনামো ক্লাব।

## দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টি-২০ শৃংখলা
## বুমৰাহৰ স্থানত মহম্মদ চিৰাজ



**নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ ঃ** দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ বাকী থকা মেচ দুখনৰ বাবে আঘাত পোৱা যশপ্ৰীত বুমৰাহৰ স্থানত মহম্মদ চিৰাজক টীম ইণ্ডিয়াত অন্তভুক্ত কৰা হৈছে। উল্লেখ্য যে অহা অক্টোবৰত অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পূৰ্বে ভাৰতীয় দলৰ বাবে চিন্তাজনক বিষয়টো হ'ল বুমৰাহৰ আঘাত। অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাডেজাৰ পাছত পেচ বলাৰ যশপ্ৰীত বুমৰাহো টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পৰা আঘাতৰ বাবে বাহিৰ হৈছে। পিঠিত আঘাত পোৱাৰ বাবে বুমৰাহক ছমাহৰ বাবে খেলৰ পৰা আঁতৰি থাকিবলৈ চিকিৎসকে নিৰ্দেশ দিছে। এতিয়া টি-২০ বিশ্বকাপৰ মূল দলত বুমৰাহৰ স্থানত দীপক চাহাৰ বা মহম্মদ ছামীয়ে খেলিব পাৰে। উল্লেখ্য যে দুয়োজনকে বিচিচিআইয়ে এই সন্মানীয় প্ৰতিযোগিতাখনৰ বাবে ষ্টেণ্ড বাই খেলুৱৈ হিচাপে নিৰ্বাচন কৰিছে। কিন্তু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাৰ বাকী থকা মেচ দুখনৰ বাবে চিৰাজক টীম ইণ্ডিয়াত অন্তভুক্ত কৰা হৈছে। উল্লেখ্য যে

## ঘিলাধাৰি চাহ বাগিচাত ফুটবল

**অগ্ৰদূত বাৰ্তা , চতিয়া, ৩০ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ জিলাৰ উত্তৰ চতিয়াৰ ঘিলাধাৰী চাহ বাগিচাৰ ইয়ংষ্টাৰ ক্লাবৰ উদ্যোগত আৰু ঘিলাধাৰী চাহ শ্ৰমিকৰ সহযোগত প্ৰাইজ মানি ফুটবল প্ৰতিযোগিতা ঘিলাধাৰী চাহ বাগিচা আৰু বিহালী বৰাজুলি ফুটবল দলৰ মাজত অনুষ্ঠিত হয়। ফুটবল খেলৰ বিশিষ্ট অতিথিসকল আছিল অসম চৰকাৰৰ মন্ত্ৰী গৰুখুটি প্ৰকল্পৰ অধ্যক্ষ তথা চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, বিশ্বনাথ বিধান সভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড. চিন্তামণি শৰ্মা, বিশ্বনাথ জিলা ক্ৰীড়া ভাৰতীৰ সভাপতি বানেশ্বৰ বৰা, দলংগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নিৰঞ্জন শইকীয়া, বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰৱক্তা গৌতম গুৱালা, কৃতি শিক্ষকৰ বঁটা লাভ কৰা শিক্ষক, সমাজ সেৱক অৰুন বৰদলৈ, মাজুলীগড় চাহ বাগিচাৰ প্ৰধান পৰিচালক তৰুন চান্দা, ঘিলাধাৰী চাহ বাগিচাৰ পৰিচালক হেম চন্দ্ৰ গগৈ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ জগানন্দ কুৰ্মি, নাগশংকৰ জিলা পৰিষদৰ সদস্য হিতেশ বৰুৱা, চতিয়া জিলা পৰিষদৰ সদস্যা ধনদা গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক, প্ৰদীপ বৰুৱা আদি। ফাইনেলৰ বিজয়ী বিহালী বৰাজুলি ফুটবল একাদশ দলক জখু চাহ সোঁৱৰণী ট্ৰফী আৰু সমিতিয়ে নগদ ৪০ হেজাৰ টকা প্ৰদান কৰে। ঘিলাধাৰি ফুটবল একাদশক ত্ৰিনাথ বাউৰী সোঁৱৰণী ট্ৰফী লগতে পাপু পানতাতী সোঁৱৰণী চলন্ত ট্ৰফী ঘিলাধাৰী দলৰ মন্টু ভূএগ্ৰাক শ্ৰেষ্ঠ গল কিপাৰৰ ট্ৰফী আৰু নগদ ধন প্ৰদান কৰা হয়। খেল পৰিচালনা কৰে শ্যাম নাগ আৰু শত্ৰুঘ্ন নাগে।



## হাজো এফ চি (আৰক্ষী) বিজয়ী

**অগ্ৰদূত বাৰ্তা, হাজো, ৩০ ছেপ্টেম্বৰ ঃ** বৰস্বৈ যুৱ মঞ্চৰ উদ্যোগত বৰস্বৈ খেল পথাৰত চলি থকা প্ৰয়াত ৰমেশ বৈশ্য আৰু প্ৰয়াত ফজিল আলী ঠাকুৰীয়া সোঁৱৰনী প্ৰাইজমানি ফুটবল খেল প্ৰতিযোগিতাৰ আজি এখন হাজো এফ চি (আৰক্ষী) জয়ী হয়। তীব্ৰ উত্তেজনাপূৰ্ণ খেলখন নিদ্ধাৰিত সময়ত গলশূন্য ভাবে সমাপ্ত হোৱাত টাইব্ৰেকাৰ জৰিয়তে হাজো এফ চি (আৰক্ষী) য়ে ১-০ গ'লৰ ব্যৱধানত কাহিবাৰী এফ চিক পৰাজিত কৰে।

## সদৌ অসম প্ৰাইজমানি ফুটবলত আগাছাৰ জয়

**অগ্ৰদূত বাৰ্তা, ভেল্লা , ৩০ ছেপ্টেম্বৰ ঃ** বৰপেটাৰ ভেল্লাত চলি থকা সদৌ অসম প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ঢাকালীয়াপাৰাৰ আগাছা দলে চেঙা আঞ্চলিক স্পৰ্টছ একাডেমীক ১-০ গলৰ ব্যৱধানত পৰাস্ত কৰি অগ্ৰগতি লাভ কৰে। ভেল্লা আঞ্চলিক যুৱক সমাজৰ উদ্যোগত আৰু ইউফাৰ সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজিৰ খেলখন পৰিচালনা কৰে জাবেৰ আলী, হাচমত আলী, জাহিৰ উদ্দিন আৰু আহমেদ ৰজবুল হকে। কাইলৈৰ খেল ধুপধাৰা আৰু সৰ্থেবাৰীৰ হীৰামনি এফ চিৰ মাজত অনুষ্ঠিত হ'ব।

## আন্তঃক্লাব ফুটবলত টাইগাৰ ক্লাব চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৩০ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ ধিং ক্ৰীড়া সন্থাৰ উদ্যোগত ধিং ষ্টেডিয়ামত আজি সফলতাৰে সামৰণি পৰা চলিত বৰ্ষৰ আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাত আহোমগাঁৱৰ টাইগাৰ ক্লাবে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। মুঠ দহটা ক্লাবৰ যোগদানৰে আয়োজিত এই প্ৰতিযোগিতাৰ ফাইনেলত টাইগাৰ ক্লাবে এছ ডি ট্ৰাইবেল ক্লাবক ৫-০ গলত পৰাজিত কৰে। খেলখনত টাইগাৰ ক্লাবৰহৈ ভবেন পাটৰে দুটা, হিৰুজ্যোতি দেউৰী, অৰূপ দেউৰী আৰু ডেনিছ বড়োয়ে এটাকৈ গল দিয়ে। আজি খেলখন পৰিচালনা কৰাত ৰেফাৰী চাহজাহান আলী চৌধুৰীক সহায় কৰে চুক্সচাং আও, মতিউৰ ৰহমান আৰু



মোজাহিদুল ইছলামে। খেলৰ অন্তত সন্থাৰ সম্পাদক বলেন মেধিয়ে আঁত ধৰা সামৰণি অনুষ্ঠানত সমীৰ হাজৰিকা, তৈয়বুদ্দিন আহমেদ, লাহোৰ আলী ফাৰুকী, ধৰ্ম শইকীয়া, অমিধৰ বড়ো, জে ইছলাম আৰু হাচিমউদ্দিন হাজৰিকা আদিয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। টাইগাৰ ক্লাবৰ ভবেন পাটৰে ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু হিৰুজ্যোতি দেউৰীয়ে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। উল্লেখ্য যে, ছেমি ফাইনেলত টাইগাৰ ক্লাবে নিজ ধিঙৰ নৱজ্যোতি ক্লাবক ৬-২ গলত আৰু ধিঙৰ এছ ডি ট্ৰাইবেল ইয়ুথ ক্লাবে বাৰোৰাটিৰ ন-জোৱান প্ৰগতি সংঘক ১-০ গলত হৰুৱাই ফাইনেলত উপনীত হৈছিল।

## অসম ভলীবল সন্থাৰ দ্বিতীয় শ্ৰেণীৰ ৰেফাৰী পৰীক্ষাৰ ফলাফল
## ঘোষণা

**ক্ৰীড়া বাৰ্তা, কমাৰবন্ধা, ৩০ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা অসম ভলীবল সন্থাৰ দ্বিতীয় শ্ৰেণীৰ ৰেফাৰী পৰীক্ষা (লিখিত আৰু মৌখিক) ৰ ফলাফল আজি ঘোষণা কৰা হয়। অসম ভলীবল সন্থাই এক প্ৰেছ বিজ্ঞপ্তি যোগে এই ফলাফল ঘোষণাৰ কথা জানিবলৈ দিয়াৰ লগতে এই পৰীক্ষাত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলে অহা তিনি বছৰৰ ভিতৰত ব্যৱহাৰিক পৰীক্ষাত অৱত্তীৰ্ণ হ'ব লাগিব বুলি উল্লেখ কৰে। ইফালে যোৱা বৰ্ষত মণ্ডলদৈ হাজৰিকাপাৰাত অনুষ্ঠিত হোৱা আন্ত:জিলা চাব জুনিয়ৰ ভলীবল প্ৰতিযোগিতাত ব্যৱহাৰিক পৰীক্ষাত অৱত্তীৰ্ণ হোৱা ভুপেন বৰ্মনক ৰেফাৰী পৰীক্ষাত উত্তীৰ্ণ হোৱা বুলি ঘোষণা কৰে অসম ভলীবল সন্থাই ।

সত্যমেৱ জয়তে

অসম চৰকাৰ

# অসম আৰক্ষী দিৱস

## ১ অক্টোবৰ, ২০২২



### শুভেচ্ছাবাণী

'অসম আৰক্ষী দিৱস'ৰ এই পবিত্ৰ দিনটোত ৰাজ্যখনৰ প্ৰতিগৰাকী আৰক্ষী বিষয়া, কৰ্মচাৰী তথা জোৱানলৈ মই আন্তৰিক শুভকামনা যাচিছোঁ। অসম আৰক্ষীৰ গৌৰৱোজ্জ্বল ইতিহাসৰ এই বিশেষ দিনটোৰ সোঁৱৰণত প্ৰতিবছৰে পহিলা অক্টোবৰৰ দিনটো আমি 'অসম আৰক্ষী দিৱস'ৰূপে পালন কৰি আহিছোঁ।

অসম আৰক্ষী হৈছে অসমৰ সমাজ-জীৱনৰ এক অপৰিহাৰ্য অংগ। সততা, নিয়মানুবৰ্তিতা, দায়িত্ববোধ আৰু নিৰ্ভীকতা অসম আৰক্ষীৰ মূল চালিকাশক্তি। 'জনহিতজনসেৱাৰ্থে' মূলমন্ত্ৰৰে অসম আৰক্ষীয়ে জনতাৰ বন্ধু হিচাপে ৰাজ্যত শান্তি-শৃংখলা বজাই ৰখাৰ লগতে অপৰাধজনিত কাৰ্যকলাপ ৰোধ কৰা আৰু কোনোধৰণৰ ভেদ ভাব নাৰাখি প্ৰতিমুহূৰ্ততে জনসাধাৰণক সুৰক্ষা প্ৰদান কৰিবলৈ নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে। বিগত সময়ছোৱাত প্ৰতিকূল পৰিস্থিতিত কৰ্তব্য সম্পাদন কৰিবলৈ গৈ অসম আৰক্ষীৰ জোৱানসকলে সময়ে সময়ে অপৰিসীম কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি আহিছে। বহু বীৰ জোৱানে ৰাজ্যবাসীৰ স্বাৰ্থ সুৰক্ষাৰ স্বাৰ্থত নিজৰ প্ৰাণ পৰ্যন্ত উছৰ্গা কৰিবলগীয়া হৈছে। আজিৰ এই পবিত্ৰ দিনটোত আৰক্ষীৰ বীৰ ছহিদসকলৰ প্ৰতি মই গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ আৰু তেওঁলোকৰ এই ত্যাগক আন্তৰিকতাৰে স্মৰণ কৰিছোঁ।

সাম্প্ৰতিক সময়ত অসম আৰক্ষীৰ কাম-কাজলৈ বহুখিনি নতুনত্ব আহিছে। বাহিনীটোৰ সংস্কাৰ সাধনৰ লগতে সময়োপযোগী ৰণনীতি তথা কৰ্মপন্থা যুগুত কৰাৰ মানসেৰে আমি নিয়মীয়াকৈ আৰক্ষী অধীক্ষক সন্মিলন অনুষ্ঠিত কৰিছোঁ। ইয়াৰ তাৎক্ষণিক সুফলো ৰাইজে প্ৰত্যক্ষ কৰিছে। সমাজৰ বৰবিহস্বৰূপ ড্ৰাগছ আৰু নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ, শিশু আৰু নাৰী সৰবৰাহকে ধৰি তেওঁলোকৰ বিৰুদ্ধে সংঘটিত আন অপৰাধ, বনজ সম্পদ, গো-ধন আদিৰ চোৰাং সৰবৰাহৰ দৰে গুৰুতৰ অপৰাধৰ বিৰুদ্ধে বৰ্তমানৰ চৰকাৰখনৰ শূন্য সহনশীল নীতিক প্ৰতিফলিত কৰি এইসমূহৰ বিৰুদ্ধে সম্প্ৰতি অসম আৰক্ষীয়ে ঘোষণা কৰা বিৰামহীন যুদ্ধই ৰাজ্যবাসীক আশ্বস্ত কৰিছে। এনে সফল কৰ্মোদ্যমৰ বাবে মই অসম আৰক্ষীক অভিনন্দন জনাইছোঁ আৰু ভৱিষ্যতেও এই গৌৰৱময় কৰ্মদক্ষতাৰ ধাৰা অব্যাহত থাকিব বুলি আশা কৰিছোঁ।

পৰিৱৰ্তিত সময়ৰ সৈতে খোজ মিলাই অসম আৰক্ষীক অধিক জনমুখী, দক্ষ, বিচক্ষণ আৰু গতিশীল কৰি গঢ়ি তোলাৰ বাবে আমাৰ প্ৰয়াস অব্যাহত থাকিব। ব্যাপক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদে অনুষ্ঠিত কৰা সম্পূৰ্ণ স্বচ্ছ আৰু নিকা নিযুক্তি প্ৰক্ৰিয়াৰে আমি মুঠ ১৪,২৬৭ গৰাকী নিবনুৱা যুৱক-যুৱতীক আৰক্ষীৰ বিভিন্ন পদত নিযুক্তি দিছোঁ। আৰক্ষীৰ মানৱ সম্পদৰ বিকাশ, ৰাজ্যখনৰ বিভিন্ন আৰক্ষী থানাসমূহৰ আন্তঃগাঁথনিৰ আমূল পৰিৱৰ্তন সাধন, লগতে অত্যাধুনিক প্ৰযুক্তিৰে নিপুণ এক "স্মাৰ্ট" আৰক্ষী বাহিনী গঢ়ি দিয়াৰ ক্ষেত্ৰত আমি বহুখিনি সফলতা বুটলিবলৈ সক্ষম হৈছোঁ। ৰাইজৰ সহযোগত ভৱিষ্যৎ দিনবোৰত আমাৰ আৰক্ষী ব্যৱস্থালৈ অধিক গতিশীলতা আহিব বুলি মোৰ দৃঢ় বিশ্বাস।

'অসম আৰক্ষী দিৱস'ৰ এই পবিত্ৰ ক্ষণত ৰাজ্যখনৰ প্ৰতিগৰাকী আৰক্ষী বিষয়া, কৰ্মচাৰী তথা জোৱান আৰু তেওঁলোকৰ পৰিয়ালবৰ্গলৈ পুনৰবাৰ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)
মুখ্যমন্ত্ৰী, অসম



ASSAM POLICE
জনহিতজনসেৱাৰ্থে

জনসংযোগ/ডি/১৩৩৪৯/২২